# নিবেদন

# Nibedan

Paschim Guwahati Mahavidyalaya
Annual Magazine
**27th Issue : 2020-21**

পশ্চিম গুৱাহাটী মহাবিদ্যালয় বাৰ্ষিক আলোচনী
সপ্তবিংশতিতম্ সংখ্যা ঃ ২০২০-২১ বৰ্ষ



তত্ত্বাৱধায়িকা
**ড° অৰ্চনা বৰা**

সম্পাদক
**বিতু শৰ্মা**

# VARIOUS PROGRAMME

















# নিবেদন

সপ্তবিংশতিতম্ সংখ্যা ঃ ২০২০-২১

## পশ্চিম গুৱাহাটী মহাবিদ্যালয় বাৰ্ষিক আলোচনী

**২৭ সংখ্যক প্ৰকাশ, ২০২০-২১**

ওঁ অসতো মা সদ্‌গময়
তমসো মা জ্যোৰ্তিগময়
মৃত্যুৰ্মা অমৃতং গময়
ওম্ শান্তিঃ শান্তিঃ শান্তিঃ।।
— **উপনিষদ (ঈশ)**

প্ৰতি,
প্ৰীতি আৰু শ্ৰদ্ধাৰে -
ড°/ শ্ৰী ......................................................................
...................................................................... 'নিবেদন'খন আগবঢ়ালোঁ।

তত্বাৱধায়িকা ঃ
**ড° অৰ্চনা বৰা**

সম্পাদক ঃ
**বিতু শৰ্মা**

# নিবেদনৰ আঁৰত

**পশ্চিম গুৱাহাটী মহাবিদ্যালয় বাৰ্ষিক মুখপত্ৰ**
সপ্তবিংশতিতম সংখ্যা ঃ ২০২০-২১
অমৃত ভৰালী পথ, ধাৰাপুৰ, গুৱাহাটী-৭৮১০১৭, কামৰূপ (মহানগৰ), অসম

| | | |
|---|---|---|
| **সভাপতি** | ঃ | **ড° ৰাণা শৰ্মা,** অধ্যক্ষ, পশ্চিম গুৱাহাটী মহাবিদ্যালয় |
| **তত্বাৱধায়িকা** | ঃ | **ড° অৰ্চনা বৰা,** সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ |
| **শিক্ষক সদস্য** | ঃ | **সৰ্বশ্ৰী - পাৰুল বৈশ্য,** উপাধ্যক্ষা |
| | | **ড° গগনজ্যোতি বৰা,** সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ |
| | | **ড° মেৰী কলিতা,** সহযোগী অধ্যাপিকা, ইংৰাজী বিভাগ |
| | | **ফনীন্দ্ৰ মেধী,** সহকাৰী অধ্যাপক, দৰ্শন বিভাগ |
| | | **সৰস্বতী ৰাজবংশী,** সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ |
| | | [**গণেশ কলিতা** (হিন্দী বিভাগ), **নিশামণি দাস** ( অসমীয়া বিভাগ) সম্পাদনা সহযোগী ] |
| **সম্পাদক** | ঃ | **বিতু শৰ্মা** |
| **ছাত্ৰ সদস্য** | ঃ | **মনালিছা ৰাজবংশী, বণজিৎ দাস, ৰুবি দাস** |
| **বেটুপাত** | ঃ | **সম্পাদনা সমিতি** |
| **অংগসজ্জা** | ঃ | **সম্পাদনা সমিতি** |


**কৃতজ্ঞতা স্বীকাৰ ঃ**

- যিসকল শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ৰ লেখনি দি 'নিবেদন'খন প্ৰকাশ কৰাত সহায় কৰিলে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।
- পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে সকলো প্ৰকাৰ দিহা পৰামৰ্শৰে উৎসাহিত কৰা বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ।
- পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ আন্তৰিক ধন্যবাদ জনালোঁ।
- প্ৰগতি গ্ৰাফিক্স প্ৰিন্টাৰ্চৰ সত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।
- ক্ষমা প্ৰাৰ্থনা ঃ অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাগিছোঁ।


**লেখনিসমূহত প্ৰকাশিত মন্তব্যবোৰে সম্পাদনা সমিতিৰ বক্তব্য প্ৰতিফলিত নকৰে আৰু কোনো তথ্য সংগ্ৰহৰ উৎস উল্লেখ নথকা বাবে সম্পাদনা সমিতি দায়ী নহয়।**


মূদ্ৰণ ঃ প্ৰগতি গ্ৰাফিক্স প্ৰিন্টাৰ্চ, বৰবজাৰ, পাণ্ডু, গুৱাহাটী-১২, ফোন নং - ৯৮৬৪১-১৫৭৪৪
**পশ্চিম গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত।**

# উছৰ্গা



পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গই অকালতে হেৰুৱাব লগা হোৱা অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা, মহাবিদ্যালয়ৰ সাংস্কৃতিক উপদেষ্টা তথা মহাবিদ্যালয়ৰ Theme Song ৰ কথা/সুৰ প্ৰনেতা আৰু প্ৰায় পঁচিশ বছৰৰো অধিক সময় ছাত্ৰ / ছাত্ৰীক শিক্ষা প্ৰদান কৰা অসমৰ এগৰাকী জনপ্ৰিয় কণ্ঠশিল্পী প্ৰয়াত **ড° বিজয়লক্ষ্মী দাস**ৰ নামত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'নিবেদন (২০২০-২০২১ বৰ্ষ) উছৰ্গা কৰা হ'ল।

**সম্পাদনা সমিতি**
'নিবেদন'
পশ্চিম গুৱাহাটী মহাবিদ্যালয়

# শ্ৰদ্ধাঞ্জলি



**প্ৰয়াত ৰোহিনী কুমাৰ বৰুৱা**
জন্ম ঃ ০১ জানুৱাৰী, ১৯৩৮
মৃত্যু ঃ ০৮ জুন, ২০২১

অৱসৰ প্ৰাপ্ত প্ৰশাসনিক বিষয়া ( I.A.S.) এগৰাকী সু-লেখক, সাংবাদিক, পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ দ্বিতীয় গৰাকী পৰিচালনা সমিতিৰ সভাপতি (১৯/০৫/১৯৮৫ - ১৪/০৫/১৯৯৮) প্ৰয়াত ড° **ৰোহিনী কুমাৰ বৰুৱাৰ** যোৱা ৮ জুন ২০২১ তাৰিখে পৰলোক প্ৰাপ্তি ঘটে। পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ জন্ম ক্ষণত এই গৰাকী মহান ব্যক্তিৰ অতুলনীয় প্ৰচেষ্টা আছিল। বাৰ্ষিক আলোচনী 'নিবেদন'ৰ জৰিয়তে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গই তেখেতলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।



**প্ৰয়াত আবুল হুছেইন**
জন্ম ঃ ২০ ফেব্ৰুৱাৰী, ১৯৫৫
মৃত্যু ঃ ০২ আগষ্ট, ২০২১

ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় শিক্ষক তথা পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য প্ৰয়াত **আবুল হুছেনলৈ** 'নিবেদন'ৰ জৰিয়তে মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গই গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# অশ্ৰু অঞ্জলি

সেউজীয়া সপোনৰ
অনন্ত মাধুৰী সানি
গাঁঠি গাঁঠি মুকুতাৰ মালা
কোন সুদূৰলৈ তুমি
নিৰৱে আঁতৰি গলা
স্মৃতি মাথোঁ আমালৈ থ'লা।।

*মহাবিদ্যালয়ৰ পৰিয়ালৰ পৰা অকালতে হেৰাই যোৱা আমাৰ অতি মৰমৰ স্বৰ্গীয় ৰাজীৱ শৰ্মা আৰু স্বৰ্গীয়া বৰ্ণালী ঠাকুৰীয়ালৈ অশ্ৰু অঞ্জলি নিবেদিছোঁ।*

— সম্পাদনা সমিতি **'নিবেদন'**



**স্বৰ্গীয়া বৰ্ণালী ঠাকুৰীয়া**

জন্ম ঃ ২৩ আগষ্ট, ২০০০
মৃত্যু ঃ ২৪ ডিচেম্বৰ, ২০২০



**স্বৰ্গীয় ৰাজীৱ শৰ্মা**

জন্ম ঃ ১৭ জুলাই, ২০০২
মৃত্যু ঃ ১৮ জুলাই, ২০২১

# শ্ৰদ্ধাঞ্জলি



শক্তিশালী কথা সাহিত্যিক তথা সাংবাদিক
প্ৰয়াত **হোমেন বৰগোঁহাই**
(জন্ম ০৭ ডিচেম্বৰ, ১৯০২- মৃত্যু ১২ মে', ২০২১)
দেৰলৈ 'নিবেদন'ৰ তৰফৰ পৰা গভীৰ শ্ৰদ্ধঞ্জলি যাচিলোঁ।



অসমৰ এগৰাকী গল্পলেখক, ঔপন্যাসিক প্ৰয়াত
**লক্ষ্মীনন্দন বৰা দেৰলৈ** (জন্ম ০১ মাৰ্চ, ১৯৩২-মৃত্যু
০৩ জুন, ২০২১) 'নিবেদন'ৰ তৰফৰ পৰা গভীৰ
শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ।



অসমৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ, গুৱাহাটী বিশ্ব
বিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰ প্ৰাপ্ত
অধ্যাপিকা প্ৰয়াত **ডঃ নিৰু হাজৰীকা**লৈ (জন্ম ১৩
জানুৱাৰী, ১৯৪৯-মৃত্যু ২৫ জুলাই, ২০২১) 'নিবেদন'ৰ
তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি জনালোঁ।



সাহিত্যিক, সমাজবিদ প্ৰয়াত **ডঃ অনিমা গুহ**ৰ (জন্ম
২৬ মাৰ্চ, ১৯৩২) যোৱা ২৯ জুলাই ২০২১ তাৰিখে
পৰলোক প্ৰাপ্তি ঘটে। তেখেতলৈ 'নিবেদন'ৰ তৰফৰ
পৰা গভীৰ শ্ৰদ্ধাঞ্জলি যঁচিলো।

# শ্ৰদ্ধাঞ্জলি



পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা

## ড° বিজয়লক্ষ্মী দাস

(মৃত্যু ঃ ইং ৩০ এপ্ৰিল, ২০২১)

আমি সকলোৱে একেলগে সানি লোৱা ৰঙ মচিলৈ
তুমি গুচি গলা
আমাৰ যাত্ৰা অব্যাহত
প্ৰতিনিয়ত একেই ব্যস্ততা

তুমি ৰামধেনুৰ সাতোঁটা ৰঙেৰে
ৰঙীন কৰি
বোলাব খুজিছিলা জীৱন।

আকাশৰ গভীৰ নীলাবোৰ
আঁচলেৰে বান্ধি
সজাব খুজিছিলা মন।
তাতো থাকি গ'ল
অনেক সুকণ্ঠ,
যাত্ৰা পথত বোৱাই সুৰৰ মন্দাকিনী
তুমি নিৰবেই আঁতৰি গ'লা।

এইযেন সাগৰ শুকাই গ'ল
মানিক লুকাই গ'ল !

— সম্পাদনা সমিতি 'নিবেদন'



# আলোচনী সম্পাদকৰ একলম

প্ৰতিবেদনৰ পাতনিৰ প্ৰাকক্ষণত অসমৰ কালজয়ী সংগ্ৰামৰ সময়ত বুকুৰ তেজেৰে অসমী আইৰ চৰণ ধুৱোৱা বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত বিপিন চন্দ্ৰ বৰুৱাদেৱ আৰু এই শিক্ষাৰ মন্দিৰ স্বৰূপ মহাবিদ্যালয়খন স্থাপনৰ লগত জড়িত জ্ঞাত-অজ্ঞাত মহান ব্যক্তি সকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ।

মহাবিদ্যালয়ৰ আলোচনী খন মহাবিদ্যালয়ৰ এটা অংগস্বৰূপ। এই গধুৰ তথা গুৰুত্বপূৰ্ণ দায়িত্বটো সমাপন কৰাৰ যোগ্যতা আছে নে নাই সেইটো ব্যক্ত কৰাৰ সাহস মোৰ নাই যদিও এটা সাহিত্য পিপাসু মন লৈ আৰু বাৰ্ষিক মুখপত্ৰ খনক এটি ন-ৰূপত সজাই তোলাৰ লক্ষ্যৰে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আলোচনী সম্পাদক পদত প্ৰতিদ্বন্দিতা আগবঢ়াইছিলো। উক্ত নিৰ্বাচনত মোক গৰিষ্ঠ সংখ্যক ভোটত জয়যুক্ত কৰোৱাৰ বাবে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ। ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মহাবিদ্যালয়ৰ 'বাৰ্ষিক সপ্তাহ'ত বিভাগীয় সম্পাদক হিচাপে থিতাতে লিখা গল্প, কবিতা, ৰচনা আৰু বাতৰি কাকত পঢ়া প্ৰতিযোগীতা অনুষ্ঠিত কৰো। এই প্ৰতিযোগীতা সমূহত গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে মোক অধিক উৎসাহী কৰি তুলিছিল।

মহাবিদ্যালয় মুখপত্ৰ খনে ছাত্ৰ-ছাত্ৰীৰ মনত সাহিত্যৰ আলোড়নৰ সৃষ্টি কৰে। এখন মহাবিদ্যালয়ৰ সৰ্বাংগীন দিশক মহাবিদ্যালয় খনৰ দাপোনস্বৰূপ মুখপত্ৰ খনত প্ৰতিফল কৰাটো অতি কঠিন আৰু গুৰুত্বপূৰ্ণ। এই আলোচনী খন সম্পাদনা কৰি প্ৰস্তুত কৰি উলিওৱাত মোক প্ৰতিটো খোজতে দিহা পৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱা আলোচনী বিভাগৰ তত্বাবধায়িকা তথা অসমীয়া বিভাগৰ অধ্যাপিকা ড° অৰ্চনা বৰা বাইদেউলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। আলোচনী খন প্ৰকাশৰ বাবে লিখনি বিচাৰি জাননী দিয়াৰ পিছতে বহু ছাত্ৰ-ছাত্ৰীয়ে লিখনি আগবঢ়াইছিল যদিও কিছুমান লিখনি উন্নত মানদণ্ডৰ নোহোৱাৰ বাবে প্ৰকাশ কৰিব নোৱাৰাত মই দুঃখিত। যিসকল ছাত্ৰ-ছাত্ৰীৰ লিখনি প্ৰকাশ নাপালে তেওঁলোকলৈ মোৰ বিনম্ৰ অনুৰোধ তেওঁলোকে যেন নিৰাশ নহয় আৰু আগলৈ দুগুণ উৎসাহেৰে সাহিত্য চৰ্চা কৰি থাকে। মহাবিদ্যালয়খনৰ সম্পদস্বৰূপ মুখপত্ৰ 'নিবেদন' প্ৰকাশ কৰাত আলোচনী সম্পাদনা সমিতিক যথেষ্ট পৰিমাণে সহযোগীতা তথা দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয় সন্মানীয় অধ্যক্ষ ড° ৰাণা শৰ্মা ছাৰক আন্তৰিক কৃতজ্ঞতা জনোৱাৰ লগতে মুখপত্ৰ সম্পাদনা সমিতিৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা উপাধ্যক্ষা পাৰুল বৈশ্য, ড° গগন জ্যোতি বৰা ছাৰ, সৰস্বতী ৰাজবংশী বাইদেউ, ফনীন্দ্ৰ মেধী ছাৰ, ড° মেৰি কলিতা বাইদেউ আৰু ছাত্ৰ-ছাত্ৰী সদস্য মনালিছা ৰাজবংশী আৰু ৰুজিত দাস আৰু ৰুবি দাসলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। ইয়াৰ উপৰিও মই ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰা মোক সকলো ক্ষেত্ৰতে সহযোগীতা আৰু দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ সমূহ সন্মানীয় শিক্ষাগুৰু কৰ্মচাৰী বৃন্দক, সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক নিতু ৰাজবংশী, পশ্চিম গুৱাহাটী ছাত্ৰ সন্থাৰ সভাপতি জিন্টুমণি শৰ্মা, মোৰ বন্ধু ভাস্কৰ, অংকুৰ, সোনমণি, ধ্ৰুৱ, অনুপম আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মুখপত্ৰ 'নিবেদন' প্ৰকাশ কৰোতে অনিচ্ছাকৃত ভুল-ক্ৰটি বোৱৰ বাবে মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

—ধন্যবাদেৰে
**বিতু শৰ্মা**
আলোচনী সম্পাদক
ছাত্ৰ একতা সভা
পশ্চিম গুৱাহাটী মহাবিদ্যালয়

জয় আই অসম
জয়তু পশ্চিম গুৱাহাটী মহাবিদ্যালয়

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
**Vice Chancellor**
Phone : 9435012920
E-mail ID : vc@gauhati.ac.in



# শুভেচ্ছা বাণী

পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'নিবেদন'ৰ ২৭ সংখ্যাটি প্ৰকাশৰ দিহা কৰা বুলি জানিব পাৰি মই আনন্দিত হৈছোঁ।

আশা কৰিছো, মুখপত্ৰখনত সন্নিবিষ্ট লিখনী সমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ মাজত লুকাই থকা প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰিব।

'নিবেদন'ৰ লগত জড়িত শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোকে মই আন্তৰিক হিয়াভৰা অভিনন্দন জনাই মুখপত্ৰখনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

(অধ্যাপক ড° প্ৰতাপজ্যোতি হান্দিকৈ)
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

দিনাংক : ১২-০৮-২০২১

# UNIVERSITY OF SCIENCE & TECHNOLOGY, MEGHALAYA

(Established under Act 6 of 2008 enacted by the State Legislative Assembly of Meghalaya & incorporated under section 2(f) & 22 of the UGC Act1956)


*Dr. Balendra Kumar Das*
M.Sc., Ph.D.,IDHL
**Director, Administration**





*Rtd. Principal, Paschim Guwahati Mahavidyalaya*
*Former President, Assam College Principals' Council*
*Former member Gauhati University Court/EC/AC etc.*
*Steering Committee Member, Axom Sahitya Sabha*


## MESSAGE

Congratulations on the publication of this 27th issue of Nivedan of Paschim Guwahati Mahavidyalaya, I wholeheartedly appreciate the efforts of the team in being able to bring out this magazine during this pandemic period. Today's education system is in a total mess because of the abnormal phage through which we are going on, but let's hope for the best, Online education system which is a new concept in our part of the world will never be equal to physical classes but there is no way out and so teachers and students have accepted this new normal! I persobally am hoping against hope for normalcy to prevail once again.

I wish this magazine could cater to the creative instincts of the College family.

Lastly I appreciate the effort made by the contributors, Prof-in-charge, editor of the magazine, members of the press, authority and management of the college for taking pain to publish this issue of the magazine. Long live 'NIVEDAN'. Long live 'PASCHIM GUWAHATI MAHAVIDYALAYA'.


(Dr Balendra Kr Das)
Director (Administration)
University of Science and Technology, Meghalaya

Director (Administration)
University of Science & Technology
Meghalaya



Techno City, Kling Road, Baridua, 9th Mile, Ri-Bhoi District, Meghalaya-793101, India
Ph.: 0361-2895030, 9435012558/7086929097; E-mail : balendra.d@rediffmail.com/banendradas1958@gmail.com

Address for Correspondence : Ganesh Market, F.A. Road, Kumarpara Panchali, Guwahati-781001 (Assam)
Ph. 0361-2487330, 2487836; Website : www.balendrakumardas.com

*Shri Ramendra Narayan Kalita*
M.L.A. West Guwahati Constituency

সত্যমেৱ জয়তে

Dispur, Guwahati-781006, Assam
Phone: 94350-15009



**<u>শুভেচ্ছা বাৰ্তা</u>**

পশ্চিম গুৱাহাটী মহাবিদ্যালয়ে ২০২০-২১ বৰ্ষৰ বাৰ্ষিক মুখপত্ৰ 'নিবেদন' প্ৰকাশৰ যো-যা চলোৱা হৈছে বুলি জানি আনন্দিত হ'লোঁ।

শিক্ষানুষ্ঠানৰ আলোচনী এখনে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভাৰ উন্মেষত সহায় কৰাৰ উপৰিও অঞ্চলটোৰ ইতিহাস, বিভিন্ন শিক্ষামূলক দিশ অৱলোকনেৰে জ্ঞান বৰ্দ্ধনতো সহায় কৰে। আশা কৰিছো মহাবিদ্যালয়ৰ মুখপত্ৰখনত প্ৰতিখিলা পাততেই পশ্চিম গুৱাহাটীত থকা সৃষ্টিশীল মনৰ মানুহখিনিৰ মনৰ ভাৱ, অনুভূতিৰ লগতে বৌদ্ধিক চিন্তাৰ ছবিখনো জিলিকি উঠিব।

শেষত 'নিবেদন' সম্পাদনা সমিতিলৈ শুভেচ্ছা শিক্ষাগুৰু সকলোক শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰী সকলক মৰম যাছি পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ।

১৭/০৮/২০২১

ৰমেন্দ্ৰ নাৰায়ণ কলিতা
বিধায়ক, পশ্চিম গুৱাহাটী বিধান সভা সমষ্টি

সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014

প্ৰসঙ্গ ঃ

দিনাংক ঃ ২৬/০৮/২০২১

# শুভেচ্ছা



গুৱাহাটী মহানগৰীৰ ঐতিহ্য মণ্ডিত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'নিবেদন' প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানি আনন্দিত হ'লো।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ বাবে ফলপ্ৰসূ পদক্ষেপৰ লগতে ভাল শিক্ষা, ভাল শিক্ষানুষ্ঠান আৰু সমাজত মৰ্যদা সহকাৰে জীয়াই থাকিবলৈ উপযুক্ত সংস্থাপনৰ প্ৰয়োজন।

অসমৰ খিলঞ্জীয়া মানুহৰ পৰিচয় ৰক্ষাৰ মূল বিষয়টোৰ লগতে এটা পৰিকল্পিত সাংস্কৃতিক আৰু অৰ্থনৈতিক পদক্ষেপেহে অসমৰ জাতীয় জীৱনক বলিষ্ঠ ভাৱে আগবঢ়াই নিয়া সম্ভৱ।

আলোচনী 'নিবেদনত' বিজ্ঞ লোক সকলৰ লিখনিৰ জৰিয়তে অসমৰ জাতীয় জীৱনৰ সমস্যাৱলীৰ সমাধানৰ পথ প্ৰশস্ত হোৱাৰ লগতে মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব বুলি আশা কৰিলো।

পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সকলক শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰী সকলক শুভেচ্ছা জনালো।

(ড° সমুজ্জ্বল ভট্টাচাৰ্য)
মুখ্য উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা

# অধ্যক্ষৰ মেজৰ পৰা



পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'নিবেদন'ৰ সপ্তবিংশতিতম্ সংখ্যাটি প্ৰকাশ কৰি উলিওৱাৰ প্ৰস্তুতি প্ৰায় শেষ হৈছে বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছোঁ। একোটা শিক্ষাবৰ্ষৰ বৌদ্ধিক উৎকৃষ্টতাৰ মাপকাঠি স্বৰূপ এই মুখপত্ৰ খন আচলতে অনুষ্ঠানটোৰ শিক্ষাবৰ্ষৰ দলিল স্বৰূপ। শিক্ষক,কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলোৱে নিজৰ অধ্যয়ন, অভিজ্ঞতা আৰু সাধনা লব্ধ জ্ঞান গৰিমা, আবেগ অনুভূতি আদি সৃষ্টিশীল প্ৰতিভা সমূহ প্ৰকাশৰ সুযোগ দিয়ে এই আলোচনীখনে। আচলতে মহাবিদ্যালয়ৰ মুখপত্ৰ খন উজ্জ্বলমুখী এজাক ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক মনৰ দাপোন স্বৰূপ।

মহাবিদ্যালয় এখনত প্ৰতিবছৰে এজাক ছাত্ৰ-ছাত্ৰীয়ে প্ৰৱেশ কৰে, নতুন, নতুন চিন্তাৰ, নব প্ৰতিভাৰ সঁফুৰা লৈ। জীৱন যুদ্ধৰ বিশাল ক্ষেত্ৰ স্বৰূপ এই মহাবিদ্যালয় খনে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পথ নিৰ্দ্ধাৰণ কৰে, সপোন বাস্তৱমুখী কৰে লগতে এনে চিন্তাৰ প্লাৱনে সমাজ জীৱনকো এই সুযোগতে সমৃদ্ধ কৰে। মহাবিদ্যালয়ৰ মুখপত্ৰ খনেই এই নতুন পুৰুষৰ নগঁজালি বহন কৰে।

প্ৰকৃত মানৱ সম্পদ গঢ়ি দিয়াটোহে হৈছে শিক্ষাৰ মূল লক্ষ্য। সময়ৰ প্ৰয়োজনত চিৰাচৰিত শিক্ষানীতি, লক্ষ্য আদিৰ সাল-সলনি ঘটে বা ঘটাবলগা হয়; কিন্তু আত্ম প্ৰতিষ্ঠাৰ বাটত খোজ পেলোৱা ছাত্ৰ-ছাত্ৰী সকল যাতে কোনো কাৰণতে লক্ষ্যভ্ৰষ্ট নহয় বা নিৰ্দ্ধাৰিত পথৰ পৰা পিছলি নাযায়, তাৰ বাবে শিক্ষক সকলেই হৈছে অতন্দ্ৰ প্ৰহৰী স্বৰূপ। কেৰিয়াৰ গঢ়াৰ প্ৰচণ্ড চাপত আজিৰ ছাত্ৰ-ছাত্ৰী সকলে জীৱনৰ সঁচা বং আৰু সুৰভি হেৰুৱাই পেলাইছে। ইয়াৰ ফলত এটা চামে অসুস্থ প্ৰতিযোগিতাৰে পদস্খলিত হৈ বিদ্যায়তনিক পথ একেবাৰে পৰিহাৰ কৰিছে আৰু আনটো চামে জীৱনটোকে তুচ্ছজ্ঞান কৰিছে বা ইয়াতকৈও চূড়ান্ত নেতিবাচক সিদ্ধান্ত লৈছে। এনে পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰী সকলক শক্তিশালী মন আৰু ব্যক্তিত্বৰে মানসিক স্থিৰতা ঘূৰাই আনিবলৈ, ছাত্ৰ-ছাত্ৰী সকলৰ হৃদয়ত সুস্থিৰতা আৰু স্বনিৰাপত্তাৰ ভাব দৃঢ় কৰিবলৈ শিক্ষানুষ্ঠান তথা শিক্ষক সমাজেই অগ্ৰণী ভূমিকা পালন কৰিব লাগিব। বৌদ্ধিকতা আৰু বিচাৰ বিবেচনাৰে জীৱনক আগুৱাই নিবলৈ নেতৃত্ব দিব লাগিব।

শিক্ষা বিনামূলীয়া হোৱাৰ বাবে শিক্ষাৰ সুযোগ এতিয়া সংখ্যাগৰিষ্ঠ লোকলৈ সম্প্ৰসাৰিত হৈছে। এই সুযোগ গ্ৰহন কৰি আত্মপ্ৰতিষ্ঠাৰ বাবে নিজৰ নিজৰ লক্ষ্য স্থিৰ কৰি কঠোৰ পৰিশ্ৰমৰ বাবে ছাত্ৰ সমাজে দৃঢ় মনোবল লব লাগে। বৰ্ত্তমান গোটেই পৃথিৱী খনেই ক'ৰণা মহামাৰীৰ গ্ৰাসত পৰিছে। নিৰ্দ্ধাৰিত শিক্ষানিতী পদ্ধতিৰ সাল-সলনি ঘটাব লগা হৈছে। ভাৰত বৰ্ষৰ দৰে উন্নয়নশীল দেশ এখনত তাতোকৈও অসমৰ দৰে ৰাজ্য এখনৰ যত দুবেলা দুখাজ খাবলৈ পোৱা মানুহৰ সংখ্যা নগন্য তাত পৰিবৰ্ত্তিত পদ্ধতিৰে দিয়া শিক্ষা কিমান ফলপ্ৰসূ সেইটোও বিচাৰ্য্য। মই আশা ৰাখিছো, আমাৰ ছাত্ৰ-ছাত্ৰী সকল বিজ্ঞানসন্মত জীৱন ধাৰাৰে পৰিচালিত হওক আৰু আনকো পৰিচালিত কৰাওক। স্বজ্ঞান আৰু স্বপৰিকল্পনাৰে অগ্ৰসৰ হৈ নিজৰ লগতে আনকো সুৰক্ষিত কৰক। অযৌক্তিক, অন্ধবিশ্বাস আদি পৰিহাৰ কৰি গতিশীলতাৰে অগ্ৰসৰ হওক। আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰ 'নিবেদনে' সকলোৰে অন্তৰত জ্যোতি বিলাওক।

শেষত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ মুখপত্ৰ 'নিবেদন' প্ৰকাশৰ লগত জড়িত সম্পাদক, তত্বাৱধায়িকা, প্ৰগতি গ্ৰাফিক্স প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**— ড° ৰাণা শৰ্মা , অধ্যক্ষ**
**পশ্চিম গুৱাহাটী মহাবিদ্যালয়**

# তত্বাৱধায়ক অধ্যাপিকাৰ দু-আষাৰ...



শিক্ষা প্ৰতিষ্থান এটাৰ বিদ্যায়তনিক আৰু আনুসংগিক দিশ সমূহৰ প্ৰতিফলন ঘটে আলোচনী খনৰ যোগেদি। সাহিত্যৰ মাধ্যমত ব্যক্তিবিশেষৰ বৌদ্ধিকতা, মৌলিক চিন্তাচৰ্চা সুপ্ত আৰু অঙ্কুৰিত হবলৈ অপেক্ষাৰত প্ৰতিভা সমূহক আলোচনী বা বাতৰি কাকত একোখনে সাকাৰ ৰূপ প্ৰদান কৰে। কেবল সেয়াই নহয় এই মৌলিক প্ৰতিভা তথা চিন্তা চৰ্চা সমূহে সমাজ জীৱনকো সুস্থ আৰু শৃঙ্খলিত কৰে। কোনো কোনো সময়ত সমাজৰ সংকট মোচনৰ বাবে এই সাহিত্যই গাণ্ডীৱ হৈ ঠিয় দিয়ে। আমাৰ মনত আছে যে, কেইজন মান কলেজীয়া ছাত্ৰ উচ্চ শিক্ষা লবলৈ গৈ বঙ্গদেশত ৰবীন্দ্ৰ নাথৰ বিশাল প্ৰতিভাৰ সংস্পৰ্শলৈ আহিছিল, জাতীয়তা বোধে তেওঁলোকৰ অন্তৰত পীড়া দিছিল; আৰু তাৰেই ফলশ্ৰুতিত আজীৱন অসমীয়া সাহিত্যৰ সেৱাত ব্ৰতী হৈ অসমীয়া সাহিত্যৰ ভঁৰাল টনকীয়াল কৰিছিল। অসমীয়া ছাত্ৰ সমাজৰ পথ প্ৰদৰ্শক সেই সকল ব্যক্তি হৈছে স্বনামধন্য লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী পদ্মনাথ গোঁহাই বৰুৱা আদি মহান ব্যক্তি সকল।

বৰ্তমান দ্ৰুত পৰিবৰ্ত্তনে সমাজখনক তথা ব্যক্তিজীৱনক চুই গৈছে। শিক্ষাৰ ক্ষেত্ৰত হোৱা পৰিবৰ্ত্তন আটাইতকৈ চকুত পৰা। বৰ্তমান উন্নত দেশ সমূহৰ বিশ্বমানৰ শৈক্ষিক পদ্ধতি সমূহ আমাৰ দৰে উন্নয়নশীল দেশসমূহত প্ৰসাৰণ ঘটোৱা হৈছে। দূৰ সংযোগী ব্যৱস্থাৰে আজিৰ শিক্ষা জীৱন পৰিচালিত হৈছে। দূৰ সংযোগী ব্যৱস্থাৰে পৃথিৱীৰ বিভিন্ন দেশৰ ছাত্ৰ-ছাত্ৰী, গৱেষক শিক্ষানুষ্ঠান তথা ব্যক্তিৰ সৈতে নিজৰ চিন্তা ধাৰাৰ আদান প্ৰদান কৰিব পাৰি। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে ফেচবুক, টুইটাৰ, আৰু ৱাটচ্এপ সৰ্বস্ব পৃথিৱী খনতে মগ্ন নাথাকি পৰিবৰ্তনমুখী এই সুযোগবোৰহে গ্ৰহণ কৰিব লাগে।

বৌদ্ধিক তথা শাৰীৰিক শক্তি প্ৰদৰ্শনত আমাৰ দেশ তথা আমাৰ ডেকাগাভৰু যথেষ্ট আগবঢ়া। ইতিহাসেও সৌৰৱায় আৰু বৰ্তমানো আমি দেখা পাওঁ যে, যিসকলে সময়ৰ লগত খোজমিলাই কঠোৰ সাধনা আৰু অনুশীলনেৰে জীৱনৰ এটা লক্ষ্য স্থিৰ কৰিছে তেওঁলোক সাফল্য মণ্ডিত নোহোৱাকৈ থকা নাই। মৌলিক সত্বাৰ গভীৰতমত অৱগাহন কৰি চিন্তাৰ পৰিধি বঢ়াই আজিৰ ছাত্ৰ-ছাত্ৰীয়েই সুন্দৰ জীৱন বোধৰ স্বাক্ষৰ উত্তৰ পুৰুষৰ বাবে থৈ যাব লাগিব।

পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ সপ্তবিংশতিতম্ সংখ্যক আলোচনী 'নিবেদন' নিষ্ঠা সহকাৰে আপোনাসবৰ আগত তুলি দিবলৈ পাই মই কৃতাৰ্থ হৈছো। 'নিবেদন' প্ৰকাশত মহাবিদ্যালয় পৰিয়ালৰ বহুজনৰ সহায় সহযোগিতা আৰু উপদেশ লাভ কৰিছোঁ। অতি জটিল সন্ধিক্ষণত 'নিবেদন'ৰ তত্বাৱধায়কৰ দায়িত্ব ল'ব লগা হ'ল। ছাত্ৰ-ছাত্ৰী শিক্ষক বা অন্যান্য সকলৰ সুকুমাৰ অনুভূতি প্ৰকাশৰ অনুকূল বাতাবৰণ বৰ্তমান ব্যক্তিজীৱন বা সমাজ জীৱনত উপলব্ধ নহয়। তথাপি অনুৰোধ আৰু তাগিদাক উপেক্ষা কৰিব নোৱাৰি সতীৰ্থ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে 'নিবেদন'ৰ পৃষ্ঠা সঁজোৱাত মোক যথেষ্ট সহাৰি জনালে। এই সুযোগত সকলোলৈকে মোৰ কৃতজ্ঞতা জনালোঁ। বহুসময়ত ছাত্ৰ-ছাত্ৰী সকলৰ লিখনিৰ গুণগত মান বা সাহিত্যিক মূল্য বিচাৰ নকৰাকৈ উদ্‌গনি বা প্ৰেৰণা যোগাবলৈহে প্ৰয়াস কৰা হৈছে। আশা কৰো এনে প্ৰচেষ্টাৰেই পৰিপক্ক লিখনিৰে এদিন তেওঁলোকে আত্ম প্ৰকাশ কৰিব।

সদৌ শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাণা শৰ্মা চাৰ, উপাধ্যক্ষা পাৰুল বৈশ্য, ছাত্ৰ তথা সহকৰ্মী ড° হেমন্ত কলিতা, অধ্যাপিকা নিশামণি দাস, অধ্যাপক গনেশ দাস, সম্পাদনা সমিতিৰ সদস্য ড° গগনজ্যোতি বৰা, ড° মেৰী কলিতা, অধ্যাপক ফনীন্দ্ৰ মেধি, অধ্যাপিকা সৰস্বতী ৰাজবংশীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। প্ৰগতি গ্ৰাফিক্স প্ৰিণ্টাৰ্চৰ সমূহ কৰ্ম্মকৰ্তালৈও মোৰ ধন্যবাদ জনালোঁ। পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ৰঙীন আৰু সফল জীৱন কামনা কৰিলোঁ লগতে মহাবিদ্যালয়ৰ আলোচনী খনবো দীৰ্ঘায়ু কামনা কৰিলোঁ।

— ড° অৰ্চনা বৰা
তত্বাৱধায়ক
আলোচনী বিভাগ

# সূচীপত্ৰ

## প্ৰবন্ধ শিতান ঃ


| | | |
|---|---|---|
| ♦ বিজয়লক্ষ্মীৰ বিজয়গাঁথাৰে | গিৰীন্দ্ৰ কাকতি | ১ |
| ♦ বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু আমাৰ কৰণীয় | ড° ৰাণা শৰ্মা | ৩ |
| ♦ ভূটান — The Land of Happiness | ড° মৃণ্ময়ী ভট্টাচাৰ্য্য | ৬ |
| ♦ অসমীয়া সংস্কৃতিৰ ৰূপকাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা | ড°সত্যজিত দাস | ৮ |
| ♦ চিৰাজ নাটকত মানৱতাবাদ | সৰস্বতী ৰাজবংশী | ১০ |
| ♦ কবিতাৰ উদ্দেশ্য | ড° পূৰবী কলিতা | ১৩ |
| ♦ ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পত আৰ্থ সামাজিক দিশ | নিশামণি দাস | ১৪ |
| ♦ Obsession, আৰু ইয়াৰ পাৰ্শ্বক্ৰিয়াঃ | বিকাশ দত্ত | ১৭ |
| ♦ পৰিৱৰ্ত্তনৰ পথ বিচাৰি | শ্ৰীভৱেশ কলিতা | ২০ |
| ♦ শিশুৰ মানসিক বিকাশত সমাজৰ দায়বদ্ধতা | জ্যোতিষ্মান ভূঞা | ২১ |
| ♦ ৰাভাসকলৰ বায়খো উৎসৱ | বৰ্ণালী ৰাভা | ২২ |
| ♦ ঐতিহ্যমণ্ডিত দীপৰ বিল ঃ এক চমু পৰ্যালোচনা | জিলমিল ৰূপালী জোনাক | ২৪ |
| ♦ বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত সমাজ পৰিৱৰ্তনৰ ধাৰা | ৰঞ্জিত দাস | ২৬ |
| ♦ শ্ৰমজীৱী জনগণৰ মহান নেতা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা | জ্যোতিৰ্ময় দাস | ২৮ |
| ♦ মাৰ সমান হ'ব কোন | ভাস্কৰ জ্যোতি কলিতা | ৩০ |
| ♦ ধৰ্ষণ ঃ এক সামাজিক ব্যাধি | বিতু শৰ্মা | ৩১ |
| ♦ সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আঁতৰিবনে ? | দীপাঞ্জলি ঠাকুৰীয়া | ৩২ |
| ♦ প্ৰেম, এক স্বৰ্গীয় অনুভূতি, মোৰ কিছুঅনুভৱ | ৰঞ্জন কলিতা | ৩৪ |
| ♦ বৰ্তমানৰ সময়ৰ যুৱক-যুৱতীৰ মানসিকতা | নিৰ্মালী দত্ত | ৩৫ |
| ♦ মৰমৰ বান্ধৱী | বৰ্ণালী বৰুৱা | ৩৫ |
| ♦ শিক্ষা আৰু কৰ্ম | মানস প্ৰতীম মালী | ৩৬ |
| ♦ বৰ্তমান সময়ত চলি থকা শিক্ষা ব্যৱস্থা আৰু ভৱিষ্যত | শিখা দাস | ৩৭ |
| ♦ ৰাজনীতিত গণমাধ্যমৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱ | নমী বুঢ়াগোঁহাই | ৩৮ |


## গল্প শিতান ঃ


| | | |
|---|---|---|
| ♦ হানাবাঘ | মৃদুল শৰ্মা | ৩৯ |
| ♦ স্মৃতিয়ে আমণি কৰে | চয়নিকা দাস | ৪১ |
| ♦ সত্যৰ উপলব্ধি | জেছিকা দাস | ৪৩ |
| ♦ ওলোটাই নকবি বুলি নক'বি | মনালিছা ৰাজবংশী | ৪৪ |


## অসমীয়া কবিতা শিতান ঃ


| | | |
|---|---|---|
| ♦ তোমাৰ স্মৃতি | ড° মমতা ঠাকুৰীয়া | ৪৫ |
| ♦ স্মৃতিত পাতত | পংখী হাজৰিকা | ৪৬ |
| ♦ ধিক এই জীৱন | তুলসী উপাধ্যায় | ৪৭ |
| ♦ অনুভৱ | ৰঞ্জন কুমাৰ দাস | ৪৭ |
| ♦ সঁচা মিলন | মুনমুন দাস | ৪৮ |

| | | |
|---|---|---|
| ♦ বৰষুণ | হিমাক্ষী দেবী | ৪৯ |
| ♦ সুখ আহিছিল নেকি | প্ৰিয়ংকা দাস | ৪৯ |
| ♦ ভালপোৱাৰ অনুভৱ | হিৰক জ্যোতি দাস | ৫০ |
| ♦ সপোন | আকাশ ৰাভা | ৫০ |
| ♦ এপাহি ৰঙা গোলাপ | জুমি দাস | ৫১ |
| ♦ প্ৰকৃতি আৰু মোৰ ভালপোৱা | জ্যোতির্ময় দাস | ৫১ |
| ♦ শ্ৰদ্ধা | লিজা শইকীয়া | ৫২ |
| ♦ সন্ধ্যা | অন্তৰা বৈশ্য | ৫২ |
| ♦ সময় | ৰুবি দাস | ৫৩ |
| ♦ পশ্চিম গুৱাহাটী আমাৰ মহাবিদ্যালয় | বিন্দিয়া মাৰাক | ৫৩ |
| ♦ স্নেপশ্বট | ৰঞ্জিত দাস | ৫৪ |
| ♦ শব্দ সাগৰ | বৰ্ণালী ৰাভা | ৫৪ |
| ♦ মৰমৰ মা | ধনজিৎ দাস | ৫৫ |
| ♦ গান গাই ভালপোৱা বাইদেউ গৰাকী আৰু নাই | নৱজ্যোতি দাস | ৫৬ |
| ♦ সত্যবাদী | হিমাদ্ৰী কুমাৰী | ৫৬ |
| ♦ শৰতৰ মৃদু পৰশত | ৰাবিয়া খাতুন | ৫৭ |
| ♦ প্ৰেমৰ চাকি গছি | অজয় বসাক | ৫৭ |
| ♦ জীৱন | নিতুমনি দাস | ৫৮ |
| ♦ মা | বনজিত দাস | ৫৮ |
| ♦ সপোন | বনস্মিতা চৌধুৰী | ৫৯ |
| ♦ মা | নিৰ্মালী দাস | ৫৯ |
| ♦ নবাগত | নাজিমা খানম | ৫৯ |
| ♦ প্ৰথম বৰষুণ | পম্পী কলিতা | ৬০ |
| ♦ কষ্ট সহিষ্ণু আই তুমি | প্ৰিদম চাংমা | ৬০ |
| ♦ বান্ধৱী | টিনা কাকতি | ৬১ |
| ♦ গধুলিৰ আড্ডা | জগদীশ বেজবৰুৱা | ৬১ |
| ♦ তুমি অভিমান কৰিবা | মৃদুল শৰ্মা | ৬২ |
| ♦ মোৰ বান্ধৱী (তাই) | শ্ৰীজয়স্মীতা কলিতা | ৬৩ |
| ♦ নৈ | নমী বুঢ়াগোঁহাই | ৬৩ |
| ♦ কৰ'ণাময় | নিবাৰণ দাস | ৬৪ |


## English Section :


| | | |
|---|---|---|
| ♦ Privatization of Higher Education and its impact upon society | Dr. Marie Kalita | 65 |
| ♦ Mare Geet or Maroi Geet or Mare Gan o fthe Rabhas of Assam | Dr. Gaganjyoti Bora | 67 |
| An analytical study on "The State Governement Financing on Soil & water conservation and forestry & wildlife departments for Socio-economic development in Meghalaya 2015-16 to 2019-20" | Dr. Hemanta Kalita | 72 |
| ♦ E-Commerce in COVID19 Pandemic | Maya Dutta | 78 |
| ♦ Swayam : A way forward | Nirmali Borah | 81 |
| ♦ Career of Commerce | Nitul Talukdar | 83 |

- Friendship — Kajal Das — 85
- Rape : A Social Threat — Priyanka Das — 86
- Rainy Nights — Roshmi Bhattarai — 89

**हिंदी भाग :**

- स्नेह बंधन — निवेदिता बरा — 90
- बाइबल — अभिनाश बासफोर — 91
- भारतीय किसानों की दयनीय स्थिति — दिपांजली नाथ — 92
- बन्यप्राणी संरक्षण — नितम्बिनी दास — 93
- क्षूठा–सच — श्री तुलसी उपाध्याय — 94
- क्या लिखू ? मैं क्या लिखू ? — देवालीना शर्मा — 94
- माँ — डेजी दास — 95
- कोरोना तू क्यो आया ? — महावीर चौधरी — 95
- जरा–सोचिए — दिपांजली नाथ — 96
- भारत की संस्कृति — अभिनाश बासफोर — 96

**মহাবিদ্যালয় গৌৰৱ** ৯৭

**প্ৰতিবেদন** ৯৯

Winner of various competition in College Week 2020-21 109

Secretary and Teachers In-Charge of
Annual College Magazine Editorial " NIBEDON" 113

প্ৰবন্ধ

# বিজয়লক্ষ্মীৰ বিজয়গাঁথাৰে

**গিৰীন্দ্ৰ কাকতি**
অৱসৰ প্ৰাপ্ত শিক্ষক, ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়

দেওলগা ৩০ এপ্ৰিল, ২০২১, দুপৰীয়াৰ সময়। টি.ভি.টো খুলি লৈ ভাত খোৱা বদ অভ্যাস মোৰ। Breaking News ত আহি আছে সংগীত-শিল্পী বিজয়লক্ষ্মীৰ মৃত্যু সংবাদ। প্ৰথমবাৰ গুৰুত্ব দিয়া নাছিলো। দ্বিতীয়বাৰত ভাবিলো-আমাৰ অধ্যাপিকা বিজয়লক্ষ্মীকে ফোন কৰি কওঁ নেকি যে, একেই নামৰ এগৰাকী বিজয়লক্ষ্মীৰ মৃত্যু বুলি পাই আছো, বিপৰীতে আপোনাৰ আয়ুস আৰু বৃদ্ধি হ'ল। কিয়নো বাৰু তেওঁলৈ ফোন নকৰি ফোন কৰিলো মহাবিদ্যালয়খনৰ অৱসৰী জ্যেষ্ঠ সহায়ক তথা মোৰ ভাতৃপ্ৰতীম ধনেশ্বৰ কলিতালৈ। শোকবিহ্বল কণ্ঠেৰে ধনেশ্বৰে ক'লে, অ' আমাৰ শ্ৰদ্ধাৰ বাইদেউ ড° বিজয়লক্ষ্মীৰে মৃত্যু হৈছে। মই বাইদেউহঁতৰ ঘৰলৈকে যাম বুলি চাৰিআলি চ'কত ৰৈ থাকিও যাব পৰা নাই ক'ভিড পৰিস্থিতিৰ বাবে। বিনা মেঘে বজ্ৰপাতৰলেখীয়া দুঃসংবাদটিত মই বাক্‌ৰুদ্ধ হৈ পৰিছিলো। অজানিতে ওলাই আহিছিল মোৰ চকুলো। ঘৰৰ মানুহক ক'লো, মই আজি আৰু ভাত নাখাওঁ, খাব নোৱাৰো, মোৰ মৰমৰ ভগ্নীসদৃশ বিজয়লক্ষ্মীৰ বোলে অকাল মৃত্যু হৈছে। এনে ভাব হৈছিল, যেন নিমিষতে গৈ বিজয়লক্ষ্মীৰ নশ্বৰ দেহত পুষ্পাঞ্জলি একাঁজলি দি কমগৈ-বাইদেউ, আপোনাৰ মৃত্যু হ'ব নোৱাৰে। আপোনাৰ প্ৰানৰ মহাবিদ্যালয়খনৰ বাবে। দহৰ বাবে আৰু বহু কৰিবলগীয়া বহু কাম বাকী আছেনহয়। নাই, সেইদিনা যাব নোৱাৰিলো। পিচদিনাখন, ১মে' ২০২১। ধাৰাপুৰ ছাত্ৰসন্থাৰ কৰ্মকৰ্তা কেইজনমানে মোক ফোন কৰি ক'লে - ছাৰ, পশ্চিম গুৱাহাটী মহাবিদ্যালয় প্ৰাঙ্গনত সন্ধিয়া ৬ বজাত বন্তিপ্ৰজ্বলন কৰা হ'ব — বাইদেউৰ স্মৃতিত, আহিব। নোযোৱাৰ কথাই নাই। ইতিমধ্যে মহাবিদ্যালখনৰ অধ্যাপক তথা আমাৰ অতি বিনয়ী প্ৰাক্তন ছাত্ৰ ড° হেমন্ত কলিতা, অৱসৰী জ্যেষ্ঠ সহায়ক ধনেশ্বৰ কলিতা, জ্যেষ্ঠ সহায়ক তিলক বৰুৱাকে ধৰি ছাত্ৰসন্থাৰ কৰ্মকৰ্তাসকল আহি পাইছে। প্ৰতিষ্ঠিত অধ্যক্ষ শ্ৰদ্ধাৰ বিপিন চন্দ্ৰ বৰুৱাদেৱৰ আৱক্ষ কুৰ্তিৰ তলত মহাবিদ্যালয়ৰ বাকৰিত সহস্ৰাধিক বন্তি প্ৰজ্বলনেৰে ক'ভিড বিধি ৰক্ষা কৰি অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কৈছিলো— শ্ৰদ্ধাৰ বৰুৱাছাৰ, আপোনাৰ আশিস পৰশেৰে ধন্য হৈ বিজয়গৌৰৱেৰে এদিন মহাবিদ্যালয়খনক মহীয়ান কৰা বিজয়লক্ষ্মী বাইদেউৰ চিৰবিদায়ৰ এই শোকসভা। সত্য আৰু সুন্দৰৰ মহামন্ত্ৰেৰে সোনপৰশা কণ্ঠেৰে মহাবিদ্যালয়খনৰ চৌপাশ ৰজন্‌জনাই ৰখা বনৰ কুলি-কেতেকীজনী যেন পুনৰ উৰি গুচি গ'ল মুক্ত আকাশলৈ। মৰমৰ ছোৱালীজনীক আগলৈও আপুনি মৰম-চেনেহেৰে ৰাখিব, আপোনাকে অৰ্পিলো ছাৰ।

পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাৰ-বাইদেউ তথা কৰ্মচাৰী আমাৰ অতি আপোন। প্ৰায় প্ৰতিগৰাকীৰে লগত আছে আমাৰ মধুৰ সম্পৰ্ক। তাৰে ভিতৰত বিজয়লক্ষ্মীও অন্যতম এগৰাকী। যদিও মই বিজয়লক্ষ্মীক বাইদেউ বুলিছিলো, বিপৰীতে তেওঁ বুলিছিল মোক দাদা। অন্তৰেৰে যেন ভাতৃ-ভগ্নীৰ সম্পৰ্ক। বিজয়লক্ষ্মীয়ে মহাবিদ্যালয়খনকে নহয় ধাৰাপুৰবাসীক ইমানেই ভাল পাইছিল যে, নামাতিলেও, নকলেও উপযাচি ধাৰাপুৰৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ মঞ্চত যাউতিযুগীয়া গীত-মাত পৰিৱেশন কৰি সকলোকে আহ্লাদিত কৰিছিল। এদিন মই লিখা ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ Theme Song টো তেওঁৰেই সুৰ কৰি দি সকলোৰে প্ৰিয়ভাজন হৈছিল। বিপদৰ ত্ৰানকৰ্তা প্ৰভু ভগৱন্ত বুলি সততে বিশ্বাস ৰখা ড° বিজয়লক্ষ্মীয়ে যোৱাবেলিৰ কাল কৰোনাৰ প্ৰথম ঢৌৰ সময়ত দুটা গীত লিখিছিল। কৰোনা মহামাৰীৰ পৰা বিশ্ববাসীক ৰক্ষা কৰাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই লিখা গীত দুটা Whatsapp যোগে মোলে পঠিয়াই দি কৈছিল — দাদা, মন্তব্য দিব - কেনে পাইছে? ইং ১০/৪/২০২০ তাৰিখৰ ময়ো উত্তৰ দিছিলো এনেদৰে — "বিজ্ঞান -প্ৰযুক্তিৰ চমৎকাৰ সৃষ্টিৰে মহাজাগতিক পৰিঘটনাৰ সূচনা কৰি মহাশক্তিমান ৰূপে দম্ভালি মৰা দেশসমূহেও আজি হাৰ মানিব লগা হৈছে অদৃশ্য মাৰি-মাৰক "কৰোনা"ৰ ওচৰত। দেখদেখকৈ প্ৰকৃতিৰ ওচৰত আজি বিজ্ঞানৰ যেন আত্মসমৰ্পন। এনে দুৰ্যোগৰ পৰত সমগ্ৰ মানৱ জাতিক ৰক্ষাৰ বাবে প্ৰভু ভগৱন্তৰ ওচৰত শৰন লোৱাৰ বাহিৰে যে অন্য গত্যন্তৰ নাই, তাৰেই বাৰ্তা বিলাইছে যুগধৰ্মী সংগীত দুটাৰ মাজেৰে। তদুপৰি, কোকিলকণ্ঠী ড° বিজয়লক্ষ্মী দাস বাইদেউ কণ্ঠত প্ৰতিধ্বনিত হৈছে মানৱতাৰ জয়গুন।

পুনৰ শুভ-ইচ্ছা আৰু আশীৰ্বাদেৰে —

ধাৰাপুৰ তালুকৰ দুৰ্গাপূজাৰ অন্যতম অলংকাৰ 'মা-দুৰ্গা' নামৰ স্মৃতিগ্ৰন্থৰ বাবে আগে-পিচে দিয়াৰ দৰে ইং ২০১১ বৰ্ষৰ বাবেও এটা লেখা বিচাৰিছিলো - ড° বিজয়লক্ষ্মী বাইদেউৰ পৰা। স্মৃতিগ্ৰন্থখনৰ সম্পাদক ড° হেমন্ত কলিতাই ইতিমধ্যে বাইদেউক অৱগত কৰাইছে। যথাসময়ত লেখাটি আহিনপৰাত এদিন মহাবিদ্যালয়লৈ গ'লো-কৰ্মচাৰী অশ্চিনী কলিতাক লগত লৈ। পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ পৰিবেশেই আজি সলনি হৈ পৰিছে। চালে চকুৰোৱা মহাবিদ্যালয় ভৱন, নয়নাভিৰাম দৃশ্যই আপ্লুত কৰে সকলোকে। শৰতত শেৱালি ফুলে, বসন্তত কুলি-কেতেকীয়ে মাতে, গ্ৰীষ্মত মলয়া বতাহে মন-প্ৰান হৰে, প্ৰকৃতিয়ে হাতবাউল দি মাতে। বিভাগ অনুযায়ী অধ্যাপক-অধ্যাপিকাৰ, জিৰণী কোঠাও সলনি হৈছে। সেয়েহে অসমীয়া বিভাগটো দেখুৱাই দিবলৈ অশ্চিনীকে লগত লৈছো। অধ্যাপক ড° হেমন্ত কলিতাক মাত দি বাইদেউক পালোগৈ অধ্যাপিকা মনিষা শৰ্মা আৰু মোৰ বাবে অচিনাকি যেন লগা এগৰাকী নমস্য ব্যক্তিৰ লগত বাৰান্দাত কথা হৈ থকা অৱস্থাত। বিজয়লক্ষ্মীয়ে দাদা আৰু মনিষাই ছাৰ দেখো, ক'ৰপৰা আহিল বুলি কৈয়েই কোঠাৰ ভিতৰলৈ মাতিলে। নাই, এতিয়া নবহো, প্ৰেছৰ কাম ভালেখিনি আগবঢ়িছে, গীত এটি হ'লেও আজি বা কাইলৈৰ ভিতৰত দিব সম্পাদক ড° হেমন্তক। মই তেতিয়ালৈ জনা নাছিলো তেওঁলোকে কথা হৈ থকা সেই নমস্য ব্যক্তিগৰাকীয়েই যে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰানা শৰ্মা। দুয়োগৰাকী অধ্যাপিকাই অধ্যক্ষছাৰৰ লগত মোক পৰিচয় কৰাই দিলে বিভিন্ন বিশেষনেৰে। তেখেতৰ লগত প্ৰাথমিক পৰিচয় হৈ মাথো কৈছিলো বিজয়লক্ষ্মী অথবা মনিষা যেন আমাৰ ধাৰাপুৰৰ আদৰৰ ছোৱালী। কৈছিলো- ধাৰাপুৰৰ লগত এওঁলোক দুয়োগৰাকীৰে আত্মিক সম্পৰ্কৰ কথা। এনে এক আত্মিক সম্পৰ্ককে ধাৰাপুৰৰ সমাজ জীৱনৰ লগত ছাৰো যাতে জড়িত হৈ পৰে তাৰো আহ্বান জনাইছিলো। ধাৰাপুৰ তালুকক বাদ দি পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ যে নক্সা আঁকিব নোৱাৰি তাকো প্ৰসংগক্ৰমে কৈ পেলাইছিলো। ছাৰে বা কি ভাবিছিল নাজানো মই মাথো কৈ গ'লো। ছাৰ, পশ্চিম গুৱাহাটী মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সময়ত আমি তেতিয়া কলেজৰ পৰা ডিগ্ৰী লৈ ওলাই অহা ছাত্ৰ। সেই সময়ৰ যুৱ-ছাত্ৰসকলে মহাবিদ্যালয়খনৰ বাবে দিন-ৰাতি একাকাৰ কৰি যৎকিঞ্চিত হ'লেও অৱদান আগবঢ়োৱা নজীৰ আছে। এনেবোৰ কাৰণতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ জন্ম-বেদনাৰ "এহেজাৰ এনিশাৰ সাধু" নহয়। জীয়া বাস্তৱ ইতিহাসৰ হেজাৰটা কাহিনী আমি ক'ব পাৰো। সেয়েহে এইখন মহাবিদ্যালয় আমাৰ মহাবিদ্যালয় বুলি আমি গৌৰৱ অনুভৱ কৰো আৰু ইয়াৰ সুখ-দুখৰ স'তে জড়িত হৈ থাকিব বিচাৰো।

এই আপোন মহাবিদ্যালয়খনৰে এগৰাকী অধ্যাপিকা ড° বিজয়লক্ষ্মী দাস বাইদেউৰ দৰে বিদুষী তথা জনপ্ৰিয় মহিলাৰ অকাল মৃত্যু আমাৰ বাবে সহিব নোৱাৰা দুখ। বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছো। ভগৱানে তেওঁক সৰগত স্থান দিয়ক।

ভগ্নীসদৃশ মৰমৰ বিজয়লক্ষ্মীলৈ অন্তিম শ্ৰদ্ধাৰে —

# বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু আমাৰ কৰণীয়



**ড° ৰাণা শৰ্মা**
অধ্যক্ষ, পশ্চিম গুৱাহাটী মহাবিদ্যালয়

ভাৰতীয় সমাজ আৰু সভ্যতাৰ পটভূমিত জ্ঞানৰ শলিতা জ্বলাই শিক্ষকৰূপী মনিষী সকলেই বৈদিক যুগৰে পৰা গুৰু-শিষ্যৰ মহান পৰম্পৰাৰে শিক্ষাৰ আলোক ধ্বজা উৰুৱাই সমগ্ৰ ভাৰতবৰ্ষৰে গৰিমা উজ্বল কৰি আহিছে। এই পৰম্পৰাৰে উজ্জীৱিত ভাৰতভূমিৰ জনসাধাৰণে শিক্ষক সমাজৰ পৰা নতুন নতুন ৰশ্মিৰ আভা লাভ কৰি আহিছে; সেয়েহে বৰ্ত্তমানো সমাজৰ মহীৰূপ স্বৰূপ এই শিক্ষক সমাজৰ পৰাই শিক্ষা বিষয়ক সকলো সমস্যা অতিক্ৰম কৰিবলৈ গতিশীল আৰু ইতিবাচক পথ নিৰ্ণায়িত হ'ব বুলি আশা কৰিব পাৰি। কিয়নো শিক্ষা অবিহনে আমি কোনোৱেই স্বয়ংসম্পূৰ্ণ নহয়, গতিকে শিক্ষাৰ ব্যৱস্থা আৰু পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়াৰ বৰ্ত্তমান যথেষ্ট প্ৰয়োজন আছে। আসোঁৱাহপূৰ্ণ শিক্ষাৰ দ্বাৰা ছাত্ৰজীৱন সুৰক্ষিত নহয়। শিক্ষাৰ মৌলিক প্ৰয়োজনীয়তাৰ প্ৰতি আমি সচেতন হোৱা উচিত।

বৰ্তমান সময়ছোৱাত শৈক্ষিক ব্যৱস্থাটো বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আহি পৰিছে। এইখিনিতে ড° সৰ্বাপলল্লী ৰাধাকৃষ্ণনৰ মূল্যবোধৰ শিক্ষাৰ কথা উনুকিয়াব পাৰি। ৰাধাকৃষ্ণণৰ শিক্ষানীতি নম্বৰকেন্দ্ৰিক নাছিল মানৱীয় উৎকৰ্য সাধনৰ লগতে নৈতিক শিক্ষাৰে গঢ়ি তোলাহে মূল লক্ষ্য আছিল। তেওঁ বিচাৰিছিল— "The end product of education should be a free creative man who can battle against Historical circumtances and adversities of nature." যিকোনো পৰিৱেশৰ বিৰুদ্ধে যুঁজ দিব পৰাকৈ উপযুক্ত মানুহ এজন গঢ়িব পৰা কথাহে চিন্তা কৰিছিল। সেইপিনৰ পৰা আজিৰ শিক্ষা ব্যৱস্থাই তেনেধৰণৰ সফলতা লাভ কৰিব পাৰিছেনে? এতিয়া আহো আমি বৰ্তমান সংকটৰ মুখামুখি হোৱা শিক্ষা ব্যৱস্থালৈ —

বৰ্তমান সমগ্ৰ সমাজ ব্যৱস্থা স্থবিৰ হৈ পৰাৰ সমান্তৰাল ভাৱে গোটেই শিক্ষা ব্যৱস্থাও যেন বেলেগ পিনে গতি কৰিছে। ক'ৰণা মহামাৰীয়ে মানুহক ধ্বংসৰ মুখলৈ, মৃত্যুৰ গৰাহলৈ লৈ যোৱাৰ নিচিনাকৈ ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ ওপৰতে মাধমাৰ শোধাইছে। প্ৰায় দুবছৰ ধৰি ক'ৰণা মহামাৰীৰ কবলত শিক্ষা ব্যৱস্থাইও বাৰুকৈয়ে ক্ষতিগ্ৰস্থ হৈছে। ক'ৰণাৰ পৰা বাচিবলৈ চৰকাৰী নিৰ্দেশনা অনুসৰি সমগ্ৰ দেশতে লকডাউন চলি থকাৰ কাৰণে অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠান বন্ধ থকাৰ দৰে শিক্ষানুষ্ঠানো বন্ধ হৈ পৰিছে সেইকাৰণে ইয়াৰ বিকল্প হিচাপে দেশত অনলাইন শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কন-কন ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আৰম্ভ কৰি উচ্চশিক্ষা গ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে অনলাইন পাঠ্যক্ৰমত গুৰুত্ব দিব লগা হৈছে। কিন্তু এই অনলাইন শিক্ষা কিমান ফলপ্ৰসূ হৈছে। সমগ্ৰ ছাত্ৰ-ছাত্ৰীকে চুব পাৰিছেনে এই অনলাইন শিক্ষাই! অৱশ্যে এটা কথা মানিব লাগিব যে সমগ্ৰ বিশ্বতে জনপ্ৰিয়তা লাভ কৰা অনলাইন শিক্ষাব্যৱস্থা এতিয়া অসমতো ইয়াৰ উপযোগিতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক চাহিদা পূৰণ কৰাৰ কাৰনেই অনলাইন ব্যৱস্থা আঁকোৱালি লৈছে। ১৯৯০ চনতে আমেৰিকা যুক্তৰাষ্ট্ৰত অনলাইন শিক্ষা পদ্ধতিৰ আৰম্ভ হৈছিল যদিও বৰ্তমানে আমাৰ ইয়াত প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছে। তথাপিও সম্পূৰ্ণভাৱে ফলৱৰ্তী হোৱা নাই, কিয়নো প্ৰধানকৈ অসমত বহু পিছপৰা ঠাই থকাৰ লগতে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা বহু ছাত্ৰ-ছাত্ৰী আছে। সেই পিনৰ পৰা সকলোকে অনলাইন শিক্ষাই চুব পাৰিছেনে সেয়াও বিচাৰ্যৰ বিষয়।

আধুনিক যুগৰ ডিজিটেল পৃথিৱীত শিক্ষা লাভ কৰা সহজ পন্থাই হৈছে ঘৰতে বহি ইলেকট্ৰনিক মাধ্যমৰ জৰিয়তে শিক্ষা লাভ কৰা।

অনলাইন শিক্ষাব্যৱস্থাক ফলপ্ৰসূ কৰি তুলিবৰ বাবে প্ৰয়োজনীয় পদক্ষেপৰ প্ৰয়োজন। মূলতঃ আমি দুটামান কথা ক'ব পাৰোঁ —

১। ইন্টাৰনেটৰ সু-ব্যৱস্থাৰ অতি প্ৰয়োজন।

২। সাধাৰণভাৱে খাই লৈ বাস কৰা সকলৰ বাবে Android mobile, Laptop, Computer আদি কিনিব নোৱাৰা অৱস্থা। যাৰফলত সেই ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হৈছে। ইয়াৰ কিবা সমাধান উলিয়াব পাৰি নেকি সেইটো চিন্তা কৰা উচিত।

৩। বিদ্যুৎৰ অভাৱো এটা উল্লেখযোগ্য কাৰণ।

৪। এটা পৰিয়ালত ২ বা ৩ জন বা ৪ জন ছাত্ৰ-ছাত্ৰীথকাৰ বিপৰীতে এটা Android ফোন । ইও এটা অসুবিধাৰ কথা। এনেধৰণৰ বিভিন্ন সমস্যা আমাৰ চকুত আছে এই আটাইবোৰ সমস্যা সমাধান নহ'লে অনলাইন ফলপ্ৰসূ হৈ নুঠিব।

বৰ্তমান ২০২১ বৰ্ষৰ কৰনাকালীন সমস্যাৰ বাবে আটাইতকৈ বেছি ক্ষতিগ্ৰস্থ হৈছে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষাৰ্থী সকল। হাইস্কুল শিক্ষান্ত পৰীক্ষাটো এনে এটা পৰীক্ষা যাৰ কাৰণে সকলোৱে অতি হেঁপাহেৰে বৈ থাকে। যিয়ে হৈছে জীৱনপথত আগবাঢ়ি যোৱাৰ প্ৰথমখন দেওনা ঘৰখনৰ, সমাজখনৰ তথা দেশৰ ভৱিষ্যতৰ গতিপথ নিৰ্ণয় কৰা হয়। সেইপিনৰ পৰা এই দুটা পৰীক্ষা বাতিল হোৱা কথাটোৱে ছাত্ৰ-ছাত্ৰীৰ মনত হতাশা আনি দিছে আনহাতে তাৰবিপৰীতে আকৌ একাংশই পৰীক্ষা নোহোৱাৰ কাৰণে স্ফূৰ্তি পাইছে। ইয়ে কি সূচায় বাৰু? পৰীক্ষাৰ প্ৰতি থকা অনীহাৰ ফলত ভৱিষ্যতে কি সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে সেই কথা তেওঁলোকে এতিয়া অনুধাৱন কৰা নাই। তথাপিও আমি আশা কৰিম যাতে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত চৰকাৰ তথা শিক্ষা বিভাগে উচিত পদক্ষেপ গ্ৰহণ কৰিব।

আনফালে স্নাতক স্নাতকোত্তৰ পৰীক্ষাৰ ক্ষেত্ৰত অনলাইন ব্যৱস্থা কিমান ফলপ্ৰসূ হৈ পৰে সেয়াও লক্ষণীয়। সকলো বস্তুৱে দুটা দিশ থাকে। এক ইতিবাচক আৰু আনটো নেতিবাচক । নিশ্চয়কৈ আমি হাজাৰ বিপদ বাধাৰ মাজতো ইতিবাচক হোৱাটোৱেই বিচাৰিম, যাতে শিক্ষাৰ্থী সকলৰ ভৱিষ্যত সুৰক্ষিত হৈ থাকে।

এচাম ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা বুলি ক'লেই যেন এলাৰ্জি অনুভৱ কৰে পৰীক্ষাৰ প্ৰতি এক অনীহাৰভাৱ দেখা যায় পৰীক্ষা প্ৰক্ৰিয়াটো শিক্ষাৰ এক এৰাব নোৱাৰা অংশ কিয়নো শিক্ষাৰ সাৰ্থকতা নিৰ্ভৰ কৰে পৰীক্ষাৰ ওপৰতহে, গতিকে প্ৰত্যেকজন শিক্ষাৰ্থীয়ে পৰীক্ষাৰ প্ৰতি সচেতন হোৱা প্ৰয়োজন। পৰীক্ষাৰ আন বিকল্প কোনো ৰাস্তা নাই। শিক্ষাৰ ক্ষেত্ৰত পৰীক্ষাৰ প্ৰয়োজন বুলি ক'লে সহজে মনলৈ অহা কথাটো হ'ল, শিক্ষাৰ্থীজনৰ কৃতকাৰ্য-অকৃতকাৰ্যতাৰ ছবিখন আমি পৰীক্ষাৰ ফলাফলৰ জৰিয়তে গম পাওঁ। ভৱিষ্যত জীৱনটোৰ কথা জনাৰ কাৰণেও আমাক পৰীক্ষাৰ প্ৰয়োজন, কিয়নো ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি ছাত্ৰএজনৰ ভৱিষ্যত নিৰ্ধাৰণ কৰা হয়।

পৰীক্ষাই ছাত্ৰজীৱনত আত্মবিশ্বাস গঢ়ি তোলাত সহায় কৰে, উৎসাহিত কৰা দেখা যায় যিকোনো কামৰ প্ৰতি।

পৰীক্ষা কাৰ্যটোৰ লগত যে অকল ছাত্ৰজনেই জড়িত হৈ থাকে এনে নহয়, শিক্ষকসকলৰ শিক্ষাও জড়িত হৈ থাকে। এক কথাত অনুষ্ঠানটোৰ গোটেই অনুশাসন ব্যৱস্থাটোৱেই জড়িত হৈ থাকে। গতিকে বিভিন্ন ধৰৰৰ কথা পৰীক্ষাব্যৱস্থাৰ লগত জড়িত হৈ থাকে।

গতিকে পৰীক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকল সতৰ্ক হোৱা অতি প্ৰয়োজন। এজন ছাত্ৰ স্নাতক ডিগ্ৰীধাৰী হ'বলৈ কিমান টকাৰ প্ৰয়োজন হয় বা খৰছ হয় সেই কথাটো শিক্ষাৰ্থীসকলে অনুধাৱন কৰিব নোৱাৰে। অৱশেষত এটা কথাৰ শলাগ লব লাগিব যে বৰ্তমান চৰকাৰে শিক্ষা লাভ কৰাৰ ক্ষেত্ৰত ছাত্ৰএজনক কলেজত নামভৰ্তি কৰাৰপৰা কিতাপ কিনালৈকে সকলো ধৰণৰ সুবিধা আগবঢ়াইছে পাঠ্যক্ৰম শেষ হোৱাৰ সময়লৈকে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ছাত্ৰসকলৰ কাৰণে ই কিমান সহায় হৈছে সেয়া সঁচাকৈ ভাললগা কথা পিতৃ-মাতৃয়ে দেখা সপোনবোৰ পূৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰে যথেষ্ট অৰিহনা আগবঢ়াইছে। এয়া সঁচাকৈয়ে প্ৰশংসাৰ বিষয়।

গতিকে চৰকাৰে দিয়া সুবিধাসমূহ গ্ৰহণ কৰাৰ লগতে সাধাৰণভাৱে স্নাতক ডিগ্ৰী এটা ল'বলৈকেয়ে কিমান টকা পইচাৰ খৰছ হয় সেই কথাটোও শিক্ষাৰ্থীসকলে ভবা উচিত। ইমান টকা পইচা খৰছ কৰাৰ পিছতো যদি এটা ভাল ফলাফল বা পাছ কৰিব নোৱাৰে তেনেহ'লে টকা পইচাৰ লগতে সেই মূল্যৱান তিনিবছৰ সময়ো অথলে নগলনে? গতিকে শিক্ষাৰ্থীসকলে সেইকথাটো দকৈ ভবা উচিত। আনহাতে ভাল ডিগ্ৰী এটাৰ অবিহনে মনে বিচৰা চাকৰি এটা পোৱাও আজিৰ দিনত যথেষ্ট কষ্টকৰ। অৱশ্যে এটা কথা চাকৰিৰ কাৰণেই যে ডিগ্ৰীৰ প্ৰয়োজন এনে নহয়, সমাজত ভাল মানুহ হিচাপে চলিবলৈ, নিজক চলাবলৈ বা সকলো ফালৰপৰা উপযুক্ত কৰি গঢ়ি তুলিবলৈ আমাক জ্ঞানৰো প্ৰয়োজন। শিক্ষাৰ লগতে জীৱনৰ আন আন আনুষাংগিক দিশসমূহ জড়িত হৈ আছে। সেয়েহে শিক্ষাৰ্থী সকলে কেতবোৰ দিশত গুৰুত্ব দিয়া উচিত।

আনফালেদি অভিভাৱক সকলৰো নিজৰ সন্তানৰ প্ৰতি অনেক দায়িত্ব আছে। ল'ৰা বা ছোৱালীজনীক কলেজত পঢ়িবলৈ admission দিয়াতেই দায়িত্ব শেষ বুলি ধৰিলে নহ'ব। সন্তানটো কলেজত পঢ়া মানেই ডাঙৰ হ'ল বুলি ভাবি লৈ যদি ছাত্ৰজনৰ শৈক্ষিক দিশটোৰ খতিয়ান নাৰাখে তেনেহ'লে সেয়াই সময়ত দুখৰ বিষয় হৈ পৰে। গতিকে পিতৃ-মাতৃৰো যথেষ্ট কৰণীয় আছে বহু সময়ত আমি দেখা পাওঁ যে কলেজত ল'ৰা বা ছোৱালীজনীক Admission কৰি দিয়াৰ পিছত মাক-দেউতাকৰ যেন দায়িত্ব শেষ, বেছিভাগ অভিভাৱকেই কলেজৰ লগত যোগাযোগ নাৰাখে। ছাত্ৰজনৰ বিষয়ে সবিশেষ লৈ থকা তেওঁলোকৰ দায়িত্ব, কলেজত অনুষ্ঠিত হোৱা P.T.M অত উপস্থিত থাকি ছাত্ৰজনৰ বিষয়ে আলোচনা কৰাটো জৰুৰী। অভিভাৱক হিচাপে কৰিবপৰা কেইটামান সহজ কামৰ কথা এনেদৰে ক'ব পাৰোঁ—

১। মাজে সময়ে অভিভাৱকসকলে কলেজলৈ আহি বা অনলাইন যোগেও বাৰ্তালাপ কৰিব পাৰি।

২। ল'ৰা বা ছোৱালীজনী শ্ৰেণীকোঠাত সদায় উপস্থিত থাকেনে নাথাকে সেইবিষয়েও খবৰ ৰাখিব লাগে।

৩। ভাল কলেজ বা স্কুলত নাম লগাই দিয়েই পিতৃ-মাতৃয়ে হাত সাৱটি বহি থাকিলে নহ'ব। তেওঁলোকে হাজাৰ ব্যস্ততাৰ মাজতো সন্তানৰ লগত সকলো কথা খোলাকৈ আলোচনা কৰাটো খুবেই জৰুৰী, কলেজত দিনটো কি কি শিকিলে বা দিনটোৰ খতিয়ান লোৱা উচিত। কিন্তু সেইবুলি যে সন্তানৰ ওপৰত হেঁচা প্ৰয়োগ কৰিব তেনেধৰণৰ কথাও নহয়। অত্যাধিক হেঁচাৰ ফলত ছাত্ৰ-ছাত্ৰী বহুসময়ত বিপথে পৰিচালিত হোৱাও দেখা যায়।

গতিকে অভিভাৱকৰ দায়িত্ব বহু পৰিমাণে আছে। লগতে শিক্ষকজনৰো যথেষ্ট কৰণীয় আছে। শ্ৰেণীকোঠাত প্ৰত্যেকজন ছাত্ৰই সমানে বুজিব পৰাকৈ শিক্ষা দিব পৰাটোও শিক্ষকজনৰ কৃতিত্ব, গতিকে ইওঁ শিক্ষক এজনৰ কাৰনে প্ৰত্যাহ্বানস্বৰূপ।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যায়নৰ প্ৰতি আগ্ৰহ কমি অহা যেন ধাৰণা হয়। আনকি Text book খনৰ সলনি গাইডবুক জাতীয় কিতাপহে পঢ়ি পৰীক্ষাৰ কাৰণে প্ৰস্তুতি চলায়। বাকী সৃষ্টিশীল মাহিত্য সম্পৰ্কীয় গ্ৰন্থ অধ্যয়নৰ কথা নকলোৱেইবা। অৱশ্যে ইয়াৰ মাজতো অধ্যয়নশীল ছাত্ৰ-ছাত্ৰী থাকে যদিও সংখ্যাত তাকৰ। গতিকে এই বিষয়বোৰ চালিজাৰি চোৱাৰ প্ৰয়োজন আছে। কেৱল পৰীক্ষাত পাছ কৰাই শিক্ষা বুলি ভাবিলে সেইসকল ছাত্ৰ-ছাত্ৰী সফল হ'ব নোৱাৰিব। আমাৰ দেশখন বা ৰাজ্যখনক নেতৃত্ব দিব পৰাকৈ উপযুক্ত শিক্ষা দিব পৰাটোহে বা শিক্ষিত কৰি তোলাতহে আমি গুৰুত্ব দিয়া উচিত। শিক্ষাই জীৱন, জীৱনেই শিক্ষা— বোলা এই কথাষাৰৰ গভীৰতা কিমান তাক সাৰোগত কৰি সুস্থ শিক্ষানীতি প্ৰয়োগ কৰি প্ৰকৃত মানৱ সম্পদ গঢ়িতুলিব পাৰিলেহে এখন গতিশীল, সমৃদ্ধিশালী সমাজৰ সৃষ্টি হ'ব। ৰাজা ৰামমোহন ৰায়ে কৈছিল — "শিক্ষা জাতিৰ মেৰুদণ্ড। এই মেৰুদণ্ড ভাঙিলে জাতিৰ উন্নতিৰ সকলো পথেই অৱৰুদ্ধ হয়।"

# মহৎ লোকৰ বাণী

(১) মই বিদেশত থাকিলেও মোৰ অন্তৰাত্মা অসমতে বিয়পি আছে। — ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা।

(২) কৰ্তব্যজ্ঞানে লোকক উদাৰ আৰু মহৎ কৰে, এলাহে অধম কৰে — সত্যনাথ বৰা।

(৩) শান্তিৰ শুভাৰম্ভ ঘটে একেটি নিৰ্মল হাঁহি আৰু মৰমসনা মিঠা মাতেৰে। — মাদাৰ টেৰেছা

(৪) আলস্য ভাৰক হৃদয়ত স্থান নিদিবা, অন্যথা লোহাক মামৰে তিল তিলকৈ ধ্বংস কৰাৰ দৰে ই তোমাৰ হৃদয়ক গ্ৰাস কৰিব। — স্বামী বিবেকানন্দ

(৫) জীৱনটো এক মহৎ উপহাৰ। যিসকলে জীৱনক ভাল নাপায় সেই সকলে এই উপহাৰ গ্ৰহণৰ অনুপযুক্ত। — ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

(৬) নিজৰ পাৰদৰ্শিতা বৃদ্ধি কৰিবলৈ অসম্ভৱ বুলি জনা কামো কৰিবলৈ আগুৱাই যাবলৈ কুণ্ঠাবোধ নকৰিবা। — আব্ৰাহাম লিংকন।

(৭) এটা কথা মনত ৰাখিবা তুমি কি বা তোমাৰ কি আছে, তাৰ ওপৰত তোমাৰ সুখ নিৰ্ভৰ নকৰে। তোমাৰ সুখ নিৰ্ভৰ কৰে তুমি কি চিন্তা কৰা তাৰ লপৰতহে। — ডেল কাৰ্নেগী।

**— যুতিকা দাস**
সমাজ সেৱা, সম্পাদিকা

# 'ভূটান'
# — The Land of Happiness

**ড° মৃণ্ময়ী ভট্টাচাৰ্য্য**
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ



ক'ৰণা কালৰ অৱস্থিতিত গৃহবন্দিত্বৰ সময়ছোৱাত পুৰনি স্মৃতিক মনত পেলাই মনৰ সজীৱতা অনাৰ প্ৰয়াস কৰাৰ প্ৰাক্‌মূহুৰ্ত্ত্বত ২০১৯ চনৰ অক্টোবৰ-নৱেম্বৰ মাহত ভ্ৰমণ কৰিবলৈ যোবা পৃথিবীৰ ক্ষুদ্ৰতম অৰ্থনীতিৰ অন্যতম তথা 'Land of Hapiness' বুলি অভিহিত কৰা বৌদ্ধধৰ্মীয় দেশ ভূটানৰ ভ্ৰমনৰ কথা মনত পৰিছে আৰু পাঠক সকলক 'সুখৰস্থল' ভূটানৰ অৰ্থনীতিৰ সমাজ আৰু পৰ্য্যাপ্ত পৰ্য্যটন উৎসৰ আভাষ দিয়াৰ প্ৰয়াস কৰিছো।

ভূটান ভ্ৰমণ কৰিবলৈ (যদিও বিদেশ) বিশেষ অসুবিধা নাই। ভূটান চৰকাৰৰ পৃষ্টপোষকতাত গুৱাহাটী বিশ্ববিদ্যালয়ত আইনৰ স্নাতক শিক্ষা সমাপ্ত কৰি গ্ৰাম্যউন্নয়ণৰ লগত জড়িত মি. তাছি নামৰ এজন ব্যক্তিৰ লগত মোৰ গৃহস্থৰ পৰিচয় থকাত তেওঁৰ উদ্যোগত ভূটান ভ্ৰমণ হঠাতে আমি পৰিকল্পনা কৰিছিলো। তেওঁৰ নিৰ্দেশ দিয়া অনুসৰি আমি গুৱাহাটীৰ পৰা ৰেলেৰে ৰাতিপুৱা ৫ বজাত গৈ দহমান বজাত আলিপুৰ দুৱাৰ জংচন পালোগৈ। তাত মি. তাছি বৰ ডাঙৰ Toyota Company ৰ ধুনীয়া গাড়ী এখন ড্ৰাইভাৰ সহিতে ৰৈ আছিল নিজৰ জাতীয় সাজ পিন্ধি। মোৰ লগত তেওঁৰ পূৰ্বতে পৰিচয় নাছিল যদিও খুব সুন্দৰভাৱে তেওঁৰ লগত কথাবাৰ্তা হৈছিল। তেওঁ হিন্দী আৰু ইংৰাজী লগতে কিছু পৰিমানে অসমীয়াও জানে। মই, অসমীয়া কেনেকৈ জানে বুলি সোধাত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত ভূটান চৰকাৰৰ Sponsorship লৈ আইন পঢ়ি থকা সময়ত শিকিছিল বুলি জনাইছিল। মানুহজন ইমানেই স্ফুৰ্তিবাজ আছিল যে ভূটানৰ সেই কেইদিনৰ ভ্ৰমণটো আমাৰ মনত 'মি. তাছিৰ' বাবেই সজীৱ হৈ আছে। এতিয়াও তেওঁ আমাৰ লগত সম্পৰ্ক ৰক্ষা কৰি আছে। সেয়ে তেওঁক 'সুখীস্থল' ভূটানৰ 'সুখী মানুহ বুলি ক'ব পাৰি। তেওঁৰ পৰাই ভূটানৰ সামাজিক সাংস্কৃতিক পৰিবেশ সমূহ গম পাইছিলো। মি. তাছিয়ে পূৰ্বতে কৰি থোৱা পৰিকল্পনা অনুসৰি আমি প্ৰথম দিনা ভূটান আৰু ভাৰতৰ ফুলচিলিং বোলা ঠাইখন পালেগৈ। তাত আমি এৰাতি আছিলো ভূটানত প্ৰবেশ কৰাৰ যাৱতীয় নথি পত্ৰ সংগ্ৰহ কৰাৰ বাবে। যিহেতু আমাৰ পৰিয়ালৰ সকলোৰে পাছপোৰ্ট আছিল গতিকে অতি সহজতে (যদিও বহু মানুহৰ সমাগম আছিল) মি. তাছিয়ে এই কামখিনি সম্পাদন কৰিলে। সাধাৰণতে ভূটান যাবলৈ Passport নহ'লেও ভাৰতীয় Voter -ID Card থাকিলেও অনুমতি দিয়ে। কিন্তু আধাৰ কাৰ্ডৰ কোনো কাম নাই। ফুলনি ফুলচিলিঙত ৰাতি কটোৱাৰ দিনা আমি (যিহেতু আমি দুপৰীয়াই ফুলচিলিঙ পাইছিলো) ফুলচিলিঙৰ স্থানীয় পৰ্য্যটনৰ স্থলী সমূহ দখল কৰিছিলো। ফুলচিলিঙত থকাৰ দিনা আমাৰ হোটেলৰ কাষত এখন Public Park আছিল আৰু তাত বৌদ্ধ ধৰ্মৰ বাণী খোদিত মূৰ্তিও আছিল। Park লৈ অহা প্ৰত্যেকজন বয়সীয়া ভূটানী ব্যক্তিয়ে হাতত এডাল মালা জপ কৰি সান্ধ্য ভ্ৰমণ কৰে আৰু কাৰো লগত বিশেষ কথা বতৰা নকৈ কেইবাটাও পাক মাৰি Parkত থকা চকীত বহে। তেনে এগৰাকী মহিলাক আমি সোধাত তেওঁ বুজাই দিছিল ধৰ্মীয় প্ৰাৰ্থনা কৰাৰ লগতে সান্ধ্য ভ্ৰমনো তেওঁলোকে তেনেদৰে সম্পাদন কৰে। ফুলচিলিঙত ৰাতিকটোৱাৰ পাছদিনা দুপৰীয়া আহাৰ খাই আমি ভূটানৰ ৰাজধানী থিম্ফুলৈ বুলি সেই বিশেষ Toyota গাড়ী খনত যাত্ৰা কৰিছিলো আৰু প্ৰায় সন্ধিয়া লগত থিম্ফুৰ ধূনীয়া হোটেল এখনত (মি. তাছিয়ে আগতেই Book কৰি থোৱা) উপস্থিত হৈছিলো থিম্ফুত উপস্থিত হৈ পিছদিনা আমি পাৰ'লৈ গৈছিলো, এইখিনিতে ভূটানৰ অৰ্থনীতিৰ বিষয়ে কিছু কথা (মি.তাছিৰ পৰা শুনা) উল্লেখ কৰিব লাগিব। ভূটান এখন হিমালয়ৰ নামনিত দুখন বৃহতাকাৰ দেশ চীন আৰু ভাৰতৰ মাজত অৱস্থিত অতিক্ষুদ্ৰ দেশ যদিও ইয়াৰ সামগ্ৰিক অৰ্থনৈতিক আৰু ৰাজনৈতিক বাতাবৰণ যথেষ্ট সুস্থিৰ। ভাৰতৰ সৈতে থকা সবল অৰ্থনৈতিক বুজাপৰাৰ ভিত্তিতেই দেশখনে শক্তিখণ্ডৰ ক্ষেত্ৰত (Hydropower) যথেষ্ট সফলতা লাভ কৰিছে। মি. তাছিৰ লগত হোৱা কথা-বতৰাৰ পৰা গম পাইছিলো তেওঁলোকৰ মুখ্যখণ্ডটো হৈছে শক্তি খণ্ড, যিটোত ভাৰতৰ বিনিয়োগ প্ৰায় ৮০% আৰু তেওঁলোকৰ আমদানী বাণিজ্যৰ ৮০% ই ভাৰতৰ পৰা কৰে। দ্বিতীয়তে বৰ্তমান পৰ্য্যটন উদ্যোগে গা কৰি উঠিছে। প্ৰায় পাছ্বছৰ মানৰ পৰাই পৰ্যটন উদ্যোগৰ বেছি সংখ্যক মহিলাৰ দ্বাৰা পৰিচালিত হয়। কিয়নো এই উদ্যোগত মহিলা সকলৰ কৰ্মনিষ্ঠা আৰু দক্ষতাৰ দ্বাৰা উদ্যোগটো লাভান্বিত হৈছে। তৃতীয়তে

কৃষিখণ্ডৰ প্ৰাধান্য আছে। যিহেতু ভূটানখন অতি পাহৰীয়া অঞ্চলৰে আবৰা, বেছিভাগ ঠাইতেই ঝুম খেতিৰ নিচিনাকৈ খাজ কাটি কৰা খেতি দেখিছিলো। সুন্দৰ ধান, মাকৈ, আপেল, কমলাৰ গছ জলকীয়া বিভিন্ন ধৰণৰ শাক-পাচলি দেখা পাইছিলো। তেওঁলোকৰ প্ৰিয় খাদ্য 'এমাডাচ্চি' এখন ৰেষ্টুৰেন্টত উপভোগ কৰিছিলো। (য়াকৰ গাখীৰৰ দ্বাৰা তৈয়াৰী চীজ্ আৰু ডাঙৰ ৰঙা জলকীয়াৰ আঞ্জা) ভাৰতৰ তুলনাত ভূটানত খোৱা বস্তুৰ দাম পৰিলক্ষিত হৈছিল, হয়তো পাহাৰীয়া অঞ্চল আৰু সুলভ পৰিবহনৰ অভাৱৰ বাবেই ভৈয়ামৰ মানুহে খোৱা বিভিন্ন খাদ্য উপলব্ধ নহয় বাবেই খোৱাবস্তুৰ দাম বেছি আছিল। World Bank ৰ ২০১৯ ৰ তথ্য অনুসৰি ভূটানৰ জনমূৰি মুঠ ঘৰুৱা উৎপাদন (GDP Pereapita) 3,316.18 USD, ইয়াৰ বৃদ্ধিৰ হাৰ 5.5% আছিল। বৰ্তমান অতিমাৰীৰ সময়ত পৰ্য্যটন উদ্যোগৰ অৰ্ধোগতিৰ ফলত ই অবনমিত হোৱা দেখা গৈছে মি. তাছিৰ ব্যক্তব্য অনুসৰি ভূটানৰ প্ৰাইমেৰী তথা হাইস্কুল শিক্ষা, স্বাস্থ্য আৰু চিকিৎসা সেৱা সকলো মানুহৰ বাবে বিনামূলীয়া, ইয়াৰ উপৰিও ভূটানৰ প্ৰতিজন ব্যক্তি পৰিবেশ সম্বন্ধে অতি সচেতন। এটা সমীক্ষা অনুসৰি তেওঁলোক মুঠ ঘৰুৱা উৎপাদন (Grass Domestic Product) বৃদ্ধিৰ তুলনাত তেওঁলোকে 'মুঠ ৰাষ্ট্ৰীয় সুখ'(Grass National Happiness, GNH) বৃদ্ধিৰ দৰ্শনৰ দ্বাৰা অনুধাৰিত হয়। সেয়ে বিশ্বৰ আটাইতকৈ ক্ষুদ্ৰ অৰ্থনীতিৰ সাংসদীয় ৰাজতন্ত্ৰ বৰ্তি থকা দেশখনত অৰ্থনৈতিক উন্নয়নৰ ধাৰণাটো অলপ পৃথক। তেওঁলোকে নিজৰ কৃষ্টি সংস্কৃতি সাজ-পোছাক, জাতীয় চৈতন্য, পৰম্পৰাগত নীতি, পৰিবেশৰ বহনক্ষমতা মানবীয় মূল্যবোধ দয়া, সমতা, মানবতাবাদৰ লগত ৰজিতা খুৱাই অৰ্থনৈতিক উন্নয়নৰ প্ৰক্ৰিয়াটো আগবঢ়ায় নিব বিচাৰে য'ত অৰ্থনৈতিক উন্নয়নৰ লগত 'মুঠ ৰাষ্ট্ৰীয় সুখ' (GNH) অন্তৰ্ভূক্ত হৈ থাকে।

আমি ভূটানৰ একমাত্ৰ বিমান বন্দৰ পাৰ' লৈ যোৱাৰ সময়ত যাত্ৰাটোৰ প্ৰাকৃতিক দৃশ্য অতি মনোমোহা আছিল। গৈ থকা অৱস্থাত পাৰ' বিমান বন্দৰত বিমান সমূহ সু-উচ্চ হিমালয়ৰ উচ্চতাৰ পৰা অবতৰণ কৰাৰ মূহুৰ্ত্ত সমূহ উপভোগ কৰিছিলো। পাব' বিমান বন্দৰ পৃথিবীৰ ভয়ানক ( উত্তৰণ আৰু অবতৰণৰ ক্ষেত্ৰত) বিমান বন্দৰৰ ভিতৰত অন্যতম। যিকোনো পাইলটে এই বিমান বন্দৰত সহজে অবতৰন কৰিব নোৱাৰে। দুশাৰী সুউচ্চ পৰ্বতমালাৰ মাজত অবস্থিত হোৱাৰ বাবে পাৰ' বিমান বন্দৰত বিমান সমূহ অবতৰন বা উত্তৰণৰ বাবে সমস্যাৰ সৃষ্টি হয়। পাৰ' চহৰখন ঘূৰি আহোতে খুব সুন্দৰ খেতিও দেখিছিলো। পাৰৰ আটাইতকৈ উল্লেখযোগ্য বিশেষত্ব থকা ঠাই Tiger Nest Monestry চাবলৈ গৈছিলো। অতি ওখ পাহাৰত থকা Monestry টো চাবলৈ বহুত মানুহৰ ভিৰ হয়। Monestry ৰ তলতেই এখন খুব সুন্দৰ ভূটানৰ ক্ষুদ্ৰশিল্পৰ বজাৰ এখন বহে। ভ্ৰমণৰ পিছদিনাখন আমি ভূটানৰ ৰাজধানী চহৰ থিম্ফু চাবলৈ গৈছিলো। থিম্ফুৰ বিশেষ বৈশিষ্ট্য হৈছে, ইয়াত অবস্থিত Buddha Point। বৃহদাকাৰ বুদ্ধৰ মূৰ্ত্তিটোক আবৰি লৈ পাহাৰৰ শিখৰত বৌদ্ধ ষ্টুপা অৱস্থিত থিম্ফুৰ প্ৰায় স্থানৰ পৰাই এই বুদ্ধ মুৰ্ত্তিৰে দৃশ্যমান হয়। ইয়াত বৌদ্ধধৰ্মৰ উপাসনা ঠাই আৰু মিউজিয়াম আছে। ইয়াৰ পিছত আমি স্থানীয় শিল্পকলাৰ মাৰ্কেট এখনলৈ গৈছিলো। বেছিভাগ মহিলা বিক্ৰেতাৰ দ্বাৰা পৰিচালিত হোৱা বজাৰখনৰ ভূটানৰ শিল্প কলাৰ, স্থাপত্যৰ সকলো সামগ্ৰী উপলব্ধ হয়। ভূটানৰ চিন স্বৰূপে দুইএপদ বস্তু কিনিছিলো।

থিম্ফু ভ্ৰমণৰ পিছদিনাখন ভূটানৰ পুৰণি-ৰাজধানী 'পুনাখা' চহৰলৈ বুলি ৰাওঁনা হৈছিলো। 'পুনাখা' যাবলৈ Passৰ প্ৰয়োজন হৈছিল। আমাৰ সহযোগী মি. তাছিয়ে সকলো ব্যৱস্থা কৰা হৈছিল। আমি পুৱাই পুনাখালৈ যাত্ৰা কৰিছিলো। থিম্ফুৰ পৰা পুনাখা প্ৰায় ২¹/₂ ঘন্টাৰ ৰাস্তা। এই যাত্ৰা বৰ মনোমোহা আছিল। প্ৰথমে গৈ আমি Docula Pass ত উপস্থিত হৈছিলো, কুঁৱলীৰে আবৰা ঠাইডোখৰ বৰ মনোমোহা আছিল। দ্বিতীয়টো উল্লেখযোগ্য গন্তব্য স্থান আছিল 'Punakha dzong'। Dzong বুলিলে সাধাৰণতে Administrative Office বুলিব পাৰি যদিও ইয়াত বৌদ্ধ সকলৰ Monestry আছে। ইয়াৰ পৰাই ভূটানৰ প্ৰথম ৰাজধানীৰ কাম-কাজ চলোৱা হৈছিল। এই Dzong টো ১৬৩৭ ত সাজিছিল আৰু এবছৰৰ পিছত ইয়াক সমাপ্ত কৰা হৈছিল Punakha Dzong পৰা প্ৰায় ৫০০ মিটাৰ খোজকাঢ়ি আমি ভূটানৰ অন্য এটা বিশেষ চাবলগীয়া Suspension Bridge ত উপস্থিত হৈছিলো। এই দলংখন ধাতুৰে তৈয়াৰী দুখন গাওঁৰ মাজতসংযোগী ওলমা দলং। দলংখন Tsang Clu বা Po-chu নদীৰ ওপৰত। ইয়াৰ সৌন্দৰ্য্য নিজ চকুৰে নেদেখিলে বুজাব নোৱাৰি। ইয়াৰ পিছত আমি পুনৰ থিম্ফুলৈ উভতি আহিছিলো। ইয়াত থকা কেইদিনত হোৱা কিছুমান বিৰল অভিজ্ঞতা উল্লেখ নকৰিলে ভূটান ভ্ৰমন আধৰুৱা হৈ ব'ৰ। যেনে - ইয়াৰ প্ৰতিখন গাড়ীয়ে ৰাস্তাৰ পদচাৰীক পাৰ হ'বলৈ ৰৈ দিয়ে, দ্বিতীয়তে ইয়াত ৰাস্তা থকা জন্তু-জানোৱাৰ (প্ৰায় নাথাকেই) বিশেষকৈ কুকুৰ গাড়ীয়ে মাৰিলে শকত অংকৰ জৰিমনা ভৰিব লগীয়া হয়। তীব্ৰবেগী আৰু overtake কৰা যান-বাহনৰ চলাচলৰ নিষেধ আছে। ৰাস্তা ঘাতত পেলনীয়া বস্তু জাৱৰ পেলালেও লগে লগে জৰিমণা ভৰিব লগা হয়। ভূটানৰ গাড়ীৰ ভিতৰতে Duslbin ৰ ব্যৱস্থা আছে। ইয়াৰ প্ৰত্যেকজন নাগৰিকে নিজৰ দেশৰ পৰিবেশ, নিজৰ জাতীয় পোছাক আৰু চৰকাৰৰ এই নিৰ্দেশবোৰৰ প্ৰতি সদা সচেতন তথা তেওঁলোক নিজৰ মনৰ পৰাই এই কামবোৰৰ প্ৰতি আগ্ৰহশীল। সেয়ে হয়তো ভূটানৰ প্ৰতিজন ব্যক্তিয়ে জনমূৰি উৎপাদনৰ বৃদ্ধিৰ সামন্তৰালকৈ জনমূৰি সুখ বৃদ্ধিৰ বাবে ধাৱমান হয়। ইয়াৰ আন এটা বিশেষত্ব, মি. তাছিৰ পৰা গম পাইছিলো যে ইয়াৰ যুৱক-যুৱতীয়ে আনদেশৰ যুৱক-যুৱতীৰ লগত আইনগত ভাবে বিবাহ কৰিব নোৱাৰে। আনুষ্ঠানিক সকলো ক্ষেত্ৰত (অফিচ, হোটেল, টেক্সিড্ৰাইভাৰ, দোকানী) তেওঁলোকে নিজৰ জাতীয় পোছাক পৰিধান কৰাতো বাঞ্চনীয়। পুৰুষৰ সাজটোক 'ঘো' আৰু মহিলাৰ সাজ যোৰক 'কিৰা' বোলা হয়। ভূটান ভ্ৰমণৰ গোটেই কেইদিন মি. তাছি আমাৰ লগত ছাঁৰ নিচিনাকৈ সংগ দিছিল। ঘূৰি আহিবৰ সময়ত আলিপুৰ দুৱাৰ জংচনলৈকে তেওঁ আমাক বিদায় দিব আহিছিল। ভূটানৰ অনেক মনোমোহা স্মৃতি মনৰ মনিকোঠাত সামৰি লৈ আমি ঘৰ পাইছিলো।

# "অসমীয়া সংস্কৃতিৰ ৰূপকাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা"

**ড° সত্যজিত দাস**
সহঃ অধ্যাপক, ভট্টদেৱ বিশ্ববিদ্যালয় বজালী, পাঠশালা
প্ৰাক্তন সহঃ অধ্যাপক, পশ্চিম গুৱাহাটী মহাবিদ্যালয়, ধাৰাপুৰ

অসমীয়া সংস্কৃতিক নৱৰূপত সজাই তোলা বৰেণ্য ব্যক্তিজনেই হ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। সংস্কৃতিৰ নানা ৰূপ সজাই তুলি তাক নতুনকৈ সৃষ্টিশীলতাৰ ৰহণ সানি জনতাৰ কাষলৈ লৈ যোৱাটো আছিল এজন প্ৰকৃত শিল্পীৰ প্ৰধান কাৰ্য্য বুলি জ্যোতিপ্ৰসাদে যে অকল ভাবিছিল এনে নহয়, তাক বাস্তৱায়িত কৰাতো আগভাগ লৈছিল। শিল্পচেতনাত তেওঁ বিশেষ গুৰুত্ব দিছিল আৰু এই শিল্পচেতনাৰ যোগেদি তেওঁ সৃষ্টিশীলতাৰ বীজ নতুনকৈ ৰোপণ কৰিছিল আৰু তেওঁৰ চিন্তাশক্তি আছিল শৈল্পিক ভাবেৰে পৰিপূৰ্ণ। সেয়েহে জ্যোতি প্ৰসাদে 'বিশ্বশিল্পী' নামৰ কবিতাত লিখিছে—

"শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যতৰ।
আদিতে যাত্ৰা কৰি অনাদিলৈ যাওঁ
ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ।



অৰ্থাৎ শিল্পী এজন অতীত, বৰ্তমান আৰু ভৱিষ্যত এই তিনিওকালতে বিদ্যমান হৈ থাকি সৃষ্টিৰ নতুন নতুন ধাৰাৰ পাতনি মেলিছিল তথা ৰূপান্তৰ ঘটাইছিল নৱসংস্কৃতিৰ এক সাংস্কৃতিক বিপ্লৱৰ যোগেদি বিভিন্ন সংস্কৃতিৰ সমন্বয় ঘটাই এক বৃহৎ জাতীয় সংস্কৃতি গঢ়ি তোলাটো তেওঁৰ কাম্য আছিল। সেইবাবেই হয়তো তেওঁৰ আদৰ্শ ব্যক্তি কেইগৰাকী হ'ল মহানতম পুৰুষ ভগৱান শ্ৰীকৃষ্ণ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। কাৰণ 'ভগৱান শ্ৰীকৃষ্ণ' আছিল এই অনাদি বিশ্ব ব্ৰহ্মাণ্ডৰ সৰ্বোৎকৃষ্ট সংস্কৃতিসম্পন্ন পুৰুষ আৰু আমাৰ অসমৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ হ'ল সাংস্কৃতিক সত্বাৰ মূৰ্ত প্ৰতীক তথা আধ্যাত্মিক সাংস্কৃতিক জাগৰণৰ পিতৃ স্বৰূপ। অসমীয়া সংস্কৃতিৰ অন্যতম ৰূপকাৰ ৰূপকোঁৱাৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ সাংস্কৃতিক জগতখনক প্ৰভুত পৰিমাণে আগবঢ়াই গৈছে বিশেষকৈ কবিতা, গীত, নাট্যৰ ক্ষেত্ৰত তেওঁৰ অৱদান অপৰিসীম। আধুনিক অসমৰ অসমীয়া পৰম্পৰাগত সমাজ ব্যৱস্থাৰ লগত খাপ খোৱাকৈ তেওঁ বিভিন্ন উপাদানৰ নৱৰূপ দিবলৈ ধৰিলে। গীত আৰু নাট্যৰ ক্ষেত্ৰত তেওঁ এক যুগান্তকাৰী ধাৰাৰ সৃষ্টি কৰিছিল। তেওঁৰ হৃদয়স্পৰ্শী গীতৰ সুৰ আৰু তালে ভাৰতৰ স্বাধীনতা যুঁজত অসমৰ ভূমিকাক বাৰুকৈয়ে প্ৰভাৱন্বিত কৰিছিল বা কৰিবলৈ সক্ষম হৈছিল। তেওঁৰেই প্ৰথম অসমৰ আধুনিক বোলছবি 'জয়মতী' আৰু 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰে। অসমীয়া সাহিত্য তথা সংস্কৃতিৰ অন্যতম ৰূপকাৰ 'জ্যোতিপ্ৰসাদে কেৱল বাণিজ্যিক লাভা-লাভৰ বাবে অসমত বোলছবিৰ নিৰ্মাণ কৰা নাছিল। বোলছবি নিৰ্মাণৰ ক্ষেত্ৰত তেখেতৰ মুখ্য উদ্দেশ্য আছিল পৰম্পৰাগত সাংস্কৃতিৰ

সম্পদসমূহক তথা থলুৱা লোক সংস্কৃতিৰ বিভিন্ন উপাদান সমূহৰ যোগেদি প্ৰচাৰ, প্ৰসাৰ, উপস্থাপন আৰু পৰিৱেশন। তেখেতৰ চিন্তাধাৰাত শিল্পী সত্তাৰ দৰ্শন দেখা গৈছিল। তেখেতৰ মতে, একোজন প্ৰকৃত শিল্পীয়েই হৈছে প্ৰকৃত নিৰ্মাণকাৰী। সংস্কৃতিৰ নৱৰূপ দিয়াত শিল্পী এজনে বিশেষ ভূমিকা লয়। প্ৰকৃত শিল্পী এজন হৈছে সুস্থ সাংস্কৃতিক চিন্তাৰ অধিকাৰী। ঐতিহ্যৰ প্ৰতি সন্মান আৰু পৰম্পৰাৰ প্ৰতি আদৰেৰে এক সুন্দৰ সাংস্কৃতিক বাতাবৰণ সকলোৱে গঢ়ি তুলিব লাগিব। কৃষ্টি-সংস্কৃতিৰ উপাদানবোৰ ভাল চৰ্চা আৰু সংৰক্ষণ নহ'লে একোটা জাতি বা জনগোষ্ঠীৰ ঐতিহ্যৰ প্ৰতি ভাবুকিস্বৰূপ হৈ পৰে। তেতিয়াই সেই জাতি, সমাজ আৰু দেশ এখনৰ অস্তিত্ব বিপদাপন্ন হৈ পৰে। জ্যোতি প্ৰসাদৰ মতে ঐতিহ্য প্ৰীতিৰ নামত পুৰণি সংস্কৃতিৰ উপাদানসমূহৰ মাজতে নাথাকি সেইবোৰ বিশ্বৰ দৰবাৰ তথা আন্তৰ্জাতিক স্তৰত প্ৰতিষ্ঠা কৰিব পৰাকৈ সজাই-পৰাই তুলিব লাগিব আৰু তাৰ মাজতে নিজৰ স্বকীয় অস্তিত্ব আৰু স্বকীয় সত্ত্বা বজাই ৰাখিব লাগিব। জ্যোতিপ্ৰসাদে সংস্কৃতি বিশ্লেষণৰ বিষয়ে কৈছিল যে সংস্কৃতিৰ নৱৰূপ দিয়াটো এক ঐতিহাসিক সত্য। সময় সলনি হোৱাৰ লগে লগে সামাজিক চিন্তা আৰু ৰুচিৰো পৰিৱৰ্তন হ'য়। গতিকে অতীতৰ মূল্যৱান সাংস্কৃতিক সমলসমূহক ৰূপান্তৰ ঘটাই নৱৰূপ দিয়াব লাগিব। অৰ্থাৎ আন্তৰ্জাতিকতা বাদক আমি আদৰি ল'ব লাগিব জাতীয় ঐতিহ্যৰ ভেঁটিত।

সেয়েহে তেওঁ লিখিছে —

" আন য'ত জীৱনৰ নানা বিভাগৰ
বিদ্বান পণ্ডিত
কৰি আজীৱন
অনুশীলন সংস্কৃতিৰ
শিক্ষা-দীক্ষাৰে গৈ
সাবটিব পৰা হ'য় বিশ্ববাসীক
মই কিন্তু শিল্পী প্ৰাণে
গাঁৱৰ গণ্ডিতো থাকি
উপজিয়ে হৈ আহো
বিশ্ব নাগৰিক।

বৰ্তমান সময়ত দেখা দিয়া অপসংস্কৃতি অথবা দুস্কৃতি ভ্ৰষ্টতা ৰোধ কৰিবলৈ জ্যোতিপ্ৰসাদে জনতাৰ মাজত এজন পূৰ্ণ আৰু প্ৰকৃত শিল্পীৰ আদৰ্শ অনুসন্ধান কৰিছে। কাৰণ একোজন প্ৰকৃত শিল্পীয়েহে সংস্কৃতিৰ নৱৰূপ দি জনতাৰ মাজত তাৰ প্ৰসাৰতা বঢ়োৱাৰ সক্ষম হয়। গতিকে বিশ্ব সংস্কৃতিৰ সমন্বয় সাধনৰ বাবে একোজন প্ৰকৃত শিল্পীয়েহে গুৰুদায়িত্ব বহন কৰিব এক সুস্থ-সংস্কৃতিক বাতাবৰণ সৃষ্টিৰ যোগেদি।

সংস্কৃতিৰ সাধক তথা পূৰ্ণ শিল্পী সত্বাৰ অধিকাৰী আৰু শৈল্পিক আদৰ্শৰে আদৰ্শবান জ্যোতিপ্ৰসাদে অসমৰ বিভিন্ন জাতি-জনজাতিৰ বিভিন্ন সাংস্কৃতিক সমল বা উপাদান সমূহ সংগ্ৰহ কৰাৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন সংস্কৃতিৰ চিৰসুন্দৰ ৰূপসমূহ একেলগে কৰি বৃহত্তৰ তথা বৰ্ণাঢ্য ভাৰতীয় সংস্কৃতিক লৈ সকলো একত্ৰ কৰি বৃহত্তৰ বিশ্ব সংস্কৃতি গঢ়ি তুলিছিল। কাৰণ এই আদৰ্শৰে তেওঁ অসমৰ গাঁৱৰ পৰা পূৰ্বাঞ্চল আৰু ভাৰতবৰ্ষৰ মাজেদি বিশ্বৰ দৰবাৰলৈ যোৱাৰ সপোন দেখিছিল নতুন অসমীয়া ডেকা গাভৰুৰ মাজেদি। তেখেতৰ 'অসমীয়া ডেকাৰ ল'ৰাৰ উক্তি' কবিতাত ইয়াৰ ভাবাৰ্থ সুন্দৰকৈ ফুটি উঠিছে। যেনে —

ময়েই অসমৰ
'ময়ে ভাৰতৰ
ময়ে ডেকা ল'ৰা অগ্নিময়।
ময়ে ভাৰতৰ নবীন সূৰ্য্য।
পূৰ্বাঞ্চলত বজাওঁ তুৰ্য্য।"

আকৌ অসমীয়া ছোৱালীৰ উক্তিত তেওঁৰ এই ব্যাখ্যা অতি সুন্দৰভাৱে প্ৰস্ফুটিত হৈছে —

" পৰ্বত পাহাৰী
ভৈয়াম নগৰী
সকলো সামৰি
মোৰ হিমাদ্ৰী প্ৰদেশীৰূপ
পূৰ্বভাৰতীৰূপী হৈ মই
ধৰিছো ভাৰতী ৰূপ।
মোৰ জাগিছে বিশ্বৰূপ।"

ৰূপান্তৰেদি আৰু যুগান্তৰৰ মাজেৰে অতীৱ সুন্দৰ নৱৰূপ দিয়া অসমীয়া সংস্কৃতিৰ অন্যতম ৰূপকাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিল্পী সত্ত্বা তথা সাংস্কৃতিক আদৰ্শই অসমীয়া সংস্কৃতিৰ ভেটি সুদৃঢ় কৰাই নহয়, ইয়ে বিভিন্ন সংস্কৃতিৰ সমন্বয় সাধনতো বিশেষ অৰিহণা যোগাইছে।

# চিৰাজ নাটকত মানৱতাবাদ

**সৰস্বতী ৰাজবংশী**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

চিৰাজ নাটকৰ নাট্যকাৰ নটসূৰ্য ফণী শৰ্মা। আধুনিক অসমীয়া নাট্য জগতত ফণী শৰ্মাৰ এক সুকীয়া স্থান আছেনাট্যকাৰ আৰু অভিনেতা হিচাপে। অভিনয়ক সৃষ্টিশীল কলা কৰ্মলৈ উন্নীত কৰিব পৰা এগৰাকী বিৰল প্ৰতিভাৰ শিল্পী তেওঁ। ফণী শৰ্মা এগৰাকী মানৰ দৰদী সুদক্ষ আৰু বলিষ্ঠ অভিনেতা হিচাপে আজিও স্মৰণীয়। নাট্যকাৰ হিচাপে নাট্য প্ৰতিভাৰ স্বাক্ষৰো তেওঁ ৰচিত নাটকসমূহত পৰিলক্ষিত হয়। ফণী শৰ্মাৰ নাটকসমূহ হ'ল- ভোগজৰা, কিয়, চিৰাজ, ক'লাবজাৰ, নাগপাশ আৰু এন্ ইন্সপেক্টৰ কলছ্। সাহিত্যৰ বুৰঞ্জীত নাটকসমূহৰ চমু আলোচনাৰ বাহিৰে বিস্তৃত আলোচনা যিমান হ'ব লাগছিল সিমান হোৱা নাই বুলিয়ে ক'ব পাৰি।

নটসূৰ্য ফণী শৰ্মাৰ বহু জনপ্ৰিয় মঞ্চ সফল নাটক 'চিৰাজ'ৰ আলোচনা এটি আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে। নাটকখনৰ মূল গ্ৰহণ কৰা হৈছে 'আৱাহন যুগ'ৰ সমাজ সচেতন গল্পকাৰ লক্ষ্মীধৰ শৰ্মাৰ 'চিৰাজ' নামৰ গল্পটিৰ পৰা। গল্পটিক নাট্যৰূপ দিয়াৰ আগতে ১৯৮৪ চনত একে নামেৰে কথাছবি নিৰ্মাণ কৰিছিল। পিছত ১৯৬২ চনত নৃপেন বৰুৱা আৰু কুলেন গোস্বামীৰ অনুৰোধ আৰু তাগিদাত 'চিৰাজ' কথাছবিত নাট্যৰূপ দিয়ে আৰু তাৰ অনুভৱখিনি নাট্যতাৰ ফণী শৰ্মাই এনেদৰে প্ৰকাশ কৰিছে 'দুজন ডেকাৰ ঘন ঘন তাগিদাত প্ৰায় বিশ দিনমানৰ ভিতৰত নাটকৰ যৱনিকা পেলাই পড়ি চাই বুজিলো উপন্যাস বা গল্পক কথাছবি বা পোনেই নাটকৰ ৰূপ দিয়া সহজ, কিন্তু কথাছবিক নাটকৰ ৰূপ দিয়া কঠিন।' এই 'কঠিন' কামটোকে কিন্তু নাট্যকাৰ শৰ্মাই পৰিৱৰ্তিত সময়ৰ লগত খাপ খোৱাকৈ 'চিৰাজ'ক নতুন ৰূপত প্ৰস্তুত কৰি উলিয়াম। গল্পত অস্পষ্ট হৈ থকা বা ইংগিতক নাটকত স্পষ্টকৈ উপস্থাপন কৰিছে। প্ৰয়োজন সাপেক্ষে গল্পত নথকা চৰিত্ৰও নাটকত সংযোগ কৰি নাট্য কাহিনীক আকৰ্ষণীয় কৰি তুলিছে। মুঠতে নাটকখনত বিষয়বস্তু উপস্থাপন আৰু চৰিত্ৰ চিত্ৰণত নাট্যকাৰ ফণী শৰ্মাৰ মৌলিক চিন্তা-চৰ্চাৰ স্বাক্ষৰ পৰিলক্ষিত হয়।

গল্পৰ কাহিনীটো এনেধৰণৰ — চাহ বাগিচাৰ মালিক অভিজাত পৰিয়ালৰ উচ্চ শিক্ষিত একমাত্ৰ ল'ৰা কন্দৰ্প পৰীক্ষা শেষ হোৱাৰ পিছত কলিকতাৰ পৰা ঘৰলৈ আহোতে ঘৰৰ কাম কৰা ছোৱালী সাবিত্ৰীৰ লগত দেখা হয় আৰু পিছত দুয়ো প্ৰেম পাশত আৱদ্ধ হয়। এই সম্পৰ্কৰ কথা মাক-দেউতাকে গম পাই কন্দৰ্পক পুনৰ কলিকতালৈ পঠিয়াই দিয়ে আৰু সাৱিত্ৰী ঘৰৰ পৰা পলাই যায়। চিৰাজৰ পদূলিৰ আগত অচেতন অৱস্থাত পাই চিৰাজে তেওঁৰ ঘৰলৈ নি শুশ্ৰূষা কৰাত চেতন পাই আৰু সাৱিত্ৰী যে অন্তঃসত্বা সেইটো গম পায়। চিৰাজৰ ঘৰত কন্যা সন্তান এটি জন্ম দিয়াৰ পিছত সাৱিত্ৰীৰ মৃত্যু হয়। চিৰাজে তাইক নুৰ সীতা নাম দি লালন-পালন কৰে। ঘটনা চক্ৰত কন্দৰ্পই চিৰাজৰ গাঁৱলৈ আহোতে সীতাক লগ পায়। চিৰাজৰ পৰা সীতাৰ জন্মৰ সকলোবোৰ কথা শুনাৰ পিছত কন্দৰ্পই নিজৰ প্ৰকৃত পৰিচয় দিয়ে আৰু সীতাক উচ্চ শিক্ষাক বাবে কলিকতালৈ লৈ যায়। কলিকতাত সীতাই অনিল নামৰ ডেকা এজনৰ প্ৰেমত পৰে। বিয়া ঠিক হোৱাৰ পিছত সীতাৰ সকলোবোৰ কথা বিয়াৰ আগতে অনিলক কোৱাটো ভাল হ'ব বুলি ভাবি সীতা আৰু আৰু অনিলক তেওঁৰ ঘৰলৈ মাতিলে। চিৰাজকো আনিলে। চিৰাজ কন্দৰ্পৰ পত্নী সৰযু অনিল আৰু সীতাৰ আগত কন্দৰ্পই অতীতৰ সকলো কাহিনী বিৱৰি ক'লে। সীতাৰ জন্মৰ ৰহস্য জনাৰ পিছত অনিলে সীতাক বিয়া কৰাবলৈ অমান্তি হয়। সৰযূয়ো সীতাক ঘৰৰ পৰা খেদি পঠিয়াই। তেতিয়া চিৰাজে 'ঘৰলৈ ব'ল মোৰ আই' বুলি সীতাক লৈ যায়।

গল্পৰ মূল কাহিনীৰ বিশেষ পৰিৱৰ্তন নকৰাকৈ নাট্যৰূপ দিছে ফণী শৰ্মাই। গল্পৰ পৰা নাটকলৈ ৰূপ দিবলৈ যাওঁতে কিছু যোগ-বিয়োগ নিশ্চয় নাট্যকাৰে কৰিছে। যিখিনি যোগ-বিয়োগ হৈছে সেইখিনিয়ে নাট্য কাহিনীক অধিক স্পষ্ট আৰু আকৰ্ষণীয় কৰিহে তুলিছে। গল্পত সাৱিত্ৰীৰ মাক আৰু বৰুৱানীয়ে লোক লজ্জাৰ পৰা হাত সাৰিবলৈ সাৱিত্ৰীৰ গৰ্ভস্থ সন্তানটি নষ্ট কৰিবলৈ চেষ্টা কৰিছে। নাটকত সাৱিত্ৰী যে অন্তঃসত্বা সেই কথাটো প্ৰথমে জানিছিল চিৰাজৰ ঘৰত ফাতেমাইহে। গল্পত বৰুৱাৰ ঘৰৰ পৰা পলাই গৈ চিৰাজৰ পদূলিমুখত অচেতন হৈ পৰি আছিল। নাটকত সাৱিত্ৰী মছজিদৰ ওচৰত অচেতন হৈ পৰি আছিল। গল্পত চিৰাজ কন্দৰ্পৰ চিনাকি আছিল। নাকত কন্দৰ্পক চিৰাজৰ লগত চিনাকি কৰি দিয়ে আঘোণাই। গল্পত সীতাৰ জন্ম বৃতান্ত শুনি কন্দৰ্প আৰু সীতাৰ প্ৰতি ভীষণ খং উঠিছে আৰু কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰিছে সৰযূৱে। কন্দৰ্প আৰু সীতাৰ প্ৰতি তেওঁৰ মন ঘৃণাৰে উপচি পৰিছে আৰু 'বেশ্যা,

পতিতা, ঘৰৰ পৰা বাহিৰ হৈ যা' বুলি খেদি পঠিয়াইছে। অনিলেও 'চাকৰণীৰ গৰ্ভত জন্মা আৰু মুছলমানৰ ঘৰত ডাঙৰ হোৱা ছোৱালী বিয়া কৰাবলৈ মোৰ ইচ্ছা থাকিলেও মোৰ পিতৃমাতাই কেতিয়াও তেনে কৰিবলৈ নিদিয়ে। তেওঁলোকৰ অবাধ্য হোৱা মোৰ পক্ষে সম্ভৱপৰ নহয়।' বুলি সীতাক প্ৰত্যাখ্যান কৰিছে। 'ঘৰলৈ ব'ল মাৰ আই' বুলি সীতাক লৈ চিৰাজ পুনৰ উভতি গৈছে। ইয়াৰ পিছত গল্পকাৰে 'তাৰ পাছতে সকলো অন্ধকাৰ' বুলি গল্পটো সামৰণি মাৰিছে। নাটকত 'আমি নতুন সমাজ গঢ়িম' বুলি অনিলে সীতাক গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে। সৰযূয়ো মাতৃ মমতাৰে সীতাক আকোঁৱালী লৈছে। নাটতখনত ফণী শৰ্মাই কেইবাটাও নতুন চৰিত্ৰ সৃষ্টি কৰিছে। যেনে - আঘোণা, বিনয়, বকুলী, বুঢ়ী, ফাতেমা, আতাউৰ, ৰুচমত আদি। এই নতুনকৈ সৃষ্টি কৰা চৰিত্ৰসমূহৰ ভিতৰত আঘোণা চৰিত্ৰটোৱে নাটকত উল্লেখযোগ্য ভূমিকা লৈছে। নাটকৰ আৰম্ভণিৰ পৰা শেষলৈকে আঘোণাই যি ভূমিকা গ্ৰহণ কৰিছে সিয়ে নাটকখনক অধিক ৰসাল আৰু মনোগ্ৰাহী কৰি তুলিছে। নাটকখনৰ কাহিনী বিকাশ আৰু ঘটনাক্ৰমত আঘোণা চৰিত্ৰটোত অতি সুন্দৰকৈ খাপ খাই পৰিছে। আঘোণা সহজ-সৰল কিন্তু জীৱন সম্পৰ্কীয় অভিজ্ঞতাৰে পৰিপুষ্ট আৰু উপস্থিত বুদ্ধি সম্পন্ন ৰসিক ব্যক্তি। নাট্য কাহিনী বিকাশৰ প্ৰয়োজনত সৃষ্টি কৰা বাকীকেইটা চৰিত্ৰয়ো কম সময়ৰ বাবে হ'লেও অৰিহণা যোগাইছে।

চিৰাজ নাটকখনত স্পষ্ট ৰূপত প্ৰতিফলিত তিনিটা দিশ হৈছে (ক) সংকীৰ্ণতা আৰু ৰক্ষণশীলতাৰ গোড়ামি, (খ) উদাৰ মানৱতা (গ) প্ৰগতিশীল চিন্তা বা প্ৰদতিবাদী ভাবধাৰা

**(ক) সংকীৰ্ণতা আৰু ৰক্ষণশীলতাৰ গোড়ামি ঃ** জাত্যাভিমান, আভিজাত্য আৰু ধৰ্মৰ নামত সমাজৰ এচামে মানুহক মানুহ হিচাপে গণ্য কৰিব নিবিচাৰে। সময়ৰ পৰিৱৰ্তনৰ বতাহে তেওঁলোকক নোৱোৰে। সেই কাৰণে পুৰণিকলীয়া ৰীতি-নীতিকে সাৰোগত কৰি নিজেও পৰিচালিত হয় আৰু আনকো পৰিচালিত কৰিব বিচাৰে। এই দিশটো প্ৰতিফলিত হৈছে বীৰেশ্বৰ বৰুৱা, বৰুৱানী, সুবিমল ফুকন আৰু কন্দৰ্পৰ জৰিয়তে। বীৰেশ্বৰ বৰুৱাই আভিজাত্যৰ ভেমত অন্ধ হোৱা কাৰণে সাৱিত্ৰীহঁতৰ দৰে সৰু মানুহৰ মনৰ বেদনা বুজিব নোৱাৰিলে। বাগিচাৰ জামাদাৰ বাবুৰ পুতেকৰ লগত সাৱিত্ৰীক বিয়া দিবলৈ চেষ্টা কৰি নিজৰ আভিজাত্য অক্ষুণ্ণ ৰাখিব বিচাৰিছে। সুবিকল ফুকনৰ জাত্যাভিমান আৰু আভিজাত্য আৰু এখোপ চৰা। চৰা হ'লেও সেই ভেম যে অনুঃসাৰশূন্য আৰু ফোপোলা সেই কথা চিৰাজে বুজাই দিলে। যেতিয়া চিৰাজে কৈছিল সীতাৰ দৰে নিষ্পাপ, ফুলৰ দৰে পবিত্ৰ এজনী ছোৱালী যি সমাজৰ চকুত অবৈধ সন্তান হয়, অবিবাহিত সাৱিত্ৰীৰ স্বামীৰ প্ৰতি স্বৰ্গীয় প্ৰেম, ভক্তি, ভালপোৱা যি সমাজৰ চকুত ব্যভিচাৰ হয়, ভালকৈ মন কৰি চালে দেখিব সেই উৱলি যোৱা সমাজৰ বুকুত এখন নতুন সমাজে ঠন ধৰি উঠিছে।' তেতিয়া সুবিমল ফুকনে চিৰাজৰ 'নতুন সমাজ' খনক উপলুঙা কৰি কৈছে — 'সেই নতুন ঠন ধৰি উঠা সমাজখন আপোনালোকৰ মুছলমান সম্পদায়ৰ সমাজত ঠন ধৰি উঠিব পাৰে, কিন্তু হিন্দুৰ সমাজত এতিয়াও ঠন ধৰি উঠা নাই।' চিৰাজৰ 'নতুন সমাজ' খনত কোনো সম্প্ৰদায়ে নাই বুলি দিয়া সমাজৰ ব্যাখ্যা শুনি সুবিমল ফুকন লজ্জানত হ'লেও তাক গ্ৰহণ কৰি পৰা নাই। এইখনেই হ'ল সুবিমলহঁতৰ উৱলি যোৱা সংকীৰ্ণ সমাজ। কন্দৰ্প সেইখন সমাজৰে প্ৰতিভূ। তেওঁ উচ্চ শিক্ষিত হ'লেও ৰক্ষণশীল সমাজখনৰ বিৰুদ্ধে মাত মাতিব নোৱাৰে। ৰক্ষণশীলতাই সংকীৰ্ণতা আনে। সংকীৰ্ণতাই মানুহৰ ব্যক্তিত্ব দুৰ্বল কৰে আৰু ভল-বেয়া বিবেচনা কৰাৰ ক্ষমতা হ্ৰাস কৰে। সেই কাৰণে কন্দৰ্পই মানুহৰ আৱেগ-অনুভূতিক যে টকা-পইচাৰে জুখিব নোৱাৰি তাক আঘোণাই সোঁৱৰাই দিবলগীয়া হৈছে। সীতাক চিৰাজৰ ঘৰৰ পৰা নিওঁতে কন্দৰ্পই টকা যাচিবলৈ ওলোৱাত আঘোণাই কৈছিল'তহঁত টকা থকা মানুহবিলাকৰ অন্তৰখন বৰ ঠেক অচ। হেৰ' মানুহৰ চেনেহকো তহঁতে টকাৰে জুখিবলৈ আহ।'

**(খ) মানৱতাৰ অপূৰ্ব নিদৰ্শন চিৰাজ ঃ** চিৰাজ নাটকৰ বিভিন্ন চৰিত্ৰৰ চিন্তা আৰু কাৰ্যৰ মাজেদি মানৱতাৰ আদৰ্শ প্ৰতিফলিত হৈছে। এই ক্ষেত্ৰত প্ৰথমতে নাম ল'ব পাৰি চিৰাজ চৰিত্ৰৰ।

চিৰাজ গোড়া মুছলমান। কিন্তু সেই গোড়ামিত ঠেক দৃষ্টিভংগী নাই, আছে এক মহান উদাৰতা, বহল মানৱতা। আভিজাত্যৰ ভুৱা মৰ্যাদাবোধ আৰু হিন্দু ৰক্ষণশীলতাৰ বলি হৈ সাৱিত্ৰী ঘৰৰ পৰা পলাই গৈ যেতিয়া মছজিদৰ বাকৰিত অচেতন হৈ পৰি আছিল। তেতিয়া চিৰাজে জাত-পাতৰ বিচাৰ নকৰি মানৱীয় অনুভূতিৰ প্ৰেৰণাত নিজৰ ঘৰলৈ লৈ আহি প্ৰথমে ডাক্তৰক দেখুৱাইছে। চিৰাজৰ বাবে সাৱিত্ৰী এগৰাকী 'মানুহ'। গতিকে মানুহ হিচাপে তেওঁ যিখিনি কৰ্তব্য পালন কৰিব লাগে সেইখিনি কৰিছে। চিৰাজে সাৱিত্ৰীক আশ্ৰয় দিয়াৰ পিছত যেতিয়া জানিব পাৰিলে সাৱিত্ৰী হিন্দু ছোৱালী বুলি, তেতিয়া তাই মুছলমানৰ ঘৰত থাকি বেয়া পাব বুলি ভাবিয়েই চিৰাজে হিন্দু গাঁৱলৈ পঠোৱাৰ ব্যৱস্থা কৰাত সাৱিত্ৰী অস্বীকাৰ কৰি চিৰাজৰ ঘৰতে খোৱা -বোৱা কৰিব বুলি ক'লে। সাৱিত্ৰীৰ কথাত চিৰাজৰ হৃদয় পুনৰ উথলি আৰু নিজৰ ঘৰতে নিজৰ ছোৱালী কৰি ৰাখিলে আকু ক'লে 'এহ্ মোৰ কিহৰ গৰজ পৰিছে হিন্দু অহিন্দুৰ বিচাপ কৰিবলৈ। মানুহে মানুহৰ ঘৰত আশ্ৰয় বিচাৰিছে, মই আশ্ৰয় নিদিলে অমানুহ নহ'মনে? এনে বিশালতাই চিৰাজ চৰিত্ৰটিক মহৎ কৰি তুলিছে। বৰ্তমান স্খলন ঘটিবলৈ ধৰা মানুহৰ সমাজখনত তেনে মানৱতাৰ সমাজ এখন গঢ়াৰ প্ৰতি প্ৰয়োজনীয়তাৰ ইংগিত নাট্যকাৰে নাটকখনৰ মাজেৰে দাঙি ধৰিছে। চিৰাজৰ দৃষ্টিত ধৰ্মৰ উৰ্দ্ধত সম্প্ৰদায়ৰ উৰ্দ্ধত, মানুহৰ এখন সমাজ আছে। মানৱতাই তাত একমাত্ৰ ধৰ্ম। সেইখনহে প্ৰকৃত সমাজ। জন্মৰ সময়ৰ পিতৃ পৰিচয়হীনতা আৰু অন্য জাতিৰ ঘৰত লালিত পালিত হোৱা অজুহাতত যেতিয়া সুবিমলে তেওঁৰ ভাগিনীয়েক অনিলৰ লগত সীতাৰ কোনোপধ্যেই তেওঁলোকৰ

সমাজত গ্ৰহণযোগ্য নহয় বুলি কৈছে আৰু চিৰাজে কল্পনা কৰা নতুন সমাজখনক উপলুঙা কৰিছে তেতিয়া চিৰাজে উত্তৰ দিছে — 'ভূল কৰিছে, ডাঙৰীয়া, সেইখন সমাজত কোনো সম্প্ৰদায়েই নাই। হিন্দু নাই, মুছলমান নাই, পাৰ্চী নাই, খ্ৰীষ্টান নাই, জাতি নাই, ধনী নাই, নিৰ্ধনী নাই।' আল্লাৰ আশীৰ্বাদ লৈ অহা সেই মহান সমাজখন হ'ল মানৰ সমাজ। মানৱতাৰ জয়গানেই চিৰাজৰ বাণী।

চিৰাজৰ চৰিত্ৰত উদাৰ মানৱতাবোধ আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ উজ্জ্বল নিদৰ্শন পোৱা যায়। আন ধৰ্মৰ প্ৰতি সহিষ্ণুতা গুণৰ অধিকাৰী চিৰাজে সেয়ে হিন্দুৰ নামঘৰ সাজিবলৈ নিজৰ মাটি দান দিছে।

চিৰাজ নাটকখনিত দুটা প্ৰধান সামাজিক সমস্যা ৰূপায়িত কৰা হৈছে। এটা জাত-পাতৰ সমস্যা আৰু আনটো ধনী-দুখীয়াৰ সমস্যা। সাৱিত্ৰী আছিল সাধাৰণ মানুহৰ ছোৱালী আৰু পিতৃৰ মৃত্যুৰ পিছত তাই মাকৰ সৈতে বৰুৱাৰ বঙলাতে আশ্ৰয় লৈ আছিল। সেই সাৱিত্ৰীয়ে কন্দৰ্পৰ প্ৰতি আকৰ্ষিত হোৱা কথাটো আঘোণাই ধৰিব পাৰিছিল। সেয়ে তেওঁ সাৱিত্ৰীক প্ৰথমেই সকীয়াই দিছিল যে অভিজাত সেই সমাজখন তাইৰ বাবে নহয়। আজীৱন অভিজাত ঘৰ এখনত থকা আঘোণাই সম্ভ্ৰান্তবংশীয় আচাৰ-আচৰণ ভালদৰেই জানিছিল। সেয়ে তেওঁ আগতেই সকীয়াই দিছিল সাৱিত্ৰীৰ দৰে সাধাৰণ ছোৱালী এজনীক বোৱাৰী কৰিবলৈ বৰুৱা-বৰুৱানী সন্মত নহ'ব। প্ৰকৃততে সেয়ে হৈছিল। সমাজৰ ধনী-দুখীয়াৰ এই সমস্যাৰ কথা নাটকখনিত বিভিন্ন অংশত প্ৰকাশিত হৈছে। সাৱিত্ৰী শিক্ষিতা নহ'লেও তাইৰ আছিল এক উদাৰ নৈতিক দৃষ্টিভংগী। জাত-পাত সম্প্ৰদায় আদিত তাইৰ বিশ্বাস নাছিল, সেয়ে চিৰাজৰ ঘৰৰ পৰা তাই হিন্দু গাঁৱালৈ যাবলৈ ইচ্ছা কৰা নাছিল। হিন্দু হৈ মুছলমানৰ ঘৰত ভাত খোৱাত জাত যায় বুলি তাই বিশ্বাস নকৰিছিল।সেয়ে তাই চিৰাজৰ ভনীয়েক ফাতেমাক কৈছিল — 'জাতি বিজাতি মানুহে গঢ়া ঈশ্বৰে গঢ়া নহয়। মানুহে মানুহৰ হাতে খালে যি জাত যায় তেনে চন্‌কা জাত যোৱাই ভাল।' এয়াও সংকীৰ্ণ সমাজৰ বিপৰীতে এক উদাৰ মানৱীয় দৃষ্টিভংগী।

(গ) প্ৰগতিশীল চিন্তা বা প্ৰগতিশীল ভাৱধাৰা ঃ নাটকখনত শেষৰ ফালে এই দিশটো স্পষ্ট হৈ পৰিছে। গল্পকাৰে 'তাৰ পাছত সকলো অন্ধকাৰ' বুলি সামৰণি মাৰিলেও নাট্যকাৰে আন্ধাৰ দূৰ কৰাৰ ব্যৱস্থা কৰিছে আৰু তাতেই প্ৰতিফলিত হৈছে প্ৰগতিশীল চিন্তা। গল্পকাৰে কৰুণ পৰিণতিৰে গল্পটো সামৰিলেও নাট্যকাৰে কৰুণ পৰিণতিৰে নাটকৰ যৱনিকা পেলোৱা নাই। 'আধুনিক শিক্ষাৰে শিক্ষিত এজন যুৱক হিচাপে অনিলে এনে পৰিস্থিতিত যি কৰা উচিত তেওঁৰ দ্বাৰা সেইখিনি কৰাইছে। এগৰাকী মাতৃ হিচাপে সৰযুৱে যি কৰা উচিত তেওঁৰ দ্বাৰা সেইখিনি কৰাইছে।' (পাতনি, চিৰাজ) চিৰাজৰ 'নতুন সমাজ' খনক অনিলে সমৰ্থ কৰিছে। মোমায়েক সুবিমল ফুকনৰ বিৰোধিতা সত্বেও অনিলে গভীৰ প্ৰত্যয়েৰে আগবাঢ়ি আহি সীতক লৈ এখন নতুন সমাজ গঢ়াৰ কথা কৈছে। অনিলে কৈছে 'মানুহেহে সমাজ গঢ়ে সমাজে মানুহ নগঢ়ে।' সুবিমলহঁতৰ উৰলি যোৱা সমাজখনক অনিলে এনেদৰে কৈছে — 'যখিন সমাজৰ বিচাৰ আছে, বিবেক নাই, দণ্ড আছে ক্ষমা নাই — তেজ-মঙহ আছে, হৃদয় নাই তেনেখন মনুষ্যত্বহীন মানুহে গঢ়া সমাজক অতীতেহে স্বীকাৰ কৰিব পাৰে, ভৱিষ্যতে নকৰে।' সৰযূ গল্পত যিমান কঠোৰ আছিল নাটকত তাৰ বিপৰীত ৰূপ অংকিত হৈছে। বিবাহৰ আঠ বছৰৰ পাঠতো মাতৃত্বৰ গৌৰৱ অৰ্জন কৰিব নোৱাৰা সৰযূৱে অনিলে সীতাক গ্ৰহণ কৰাৰ পিছত 'নিষ্ঠুৰ মাহী আই' হৈ নাথাকিল। তেওঁৰ হৃদয়ত মাতৃৰ মমতা উচপি পৰিল আৰু 'মা' মাত শুনিবলৈ হাহাকাৰ কৰি উঠিল। 'তই মোক এবাৰ মা' বুলি মাত সীতা। তহঁতে মোক এবাৰ মা বুলি মাত অনিল' বুলি দুয়োকে সাৱটি লৈছে। এনেকৈ নাট্যকাৰ ফণী শৰ্মাই নাট্য কাহিনীৰ সংবেদনশীলতা বৃদ্ধি কৰাৰ লগতে দৰ্শকৰ বাবে অধিক গ্ৰহণযোগ্য কৰিও তুলিছে।

এয়া মানৱদৰদী নাট্যকাৰৰ স্বকীয় চিন্তাৰ প্ৰতিফলন। চিৰাজে মানৱতাৰ সপক্ষে দাঙি ধৰা অকাট্য যুক্তিত সুবিমল ফুকনৰ অভিজাত্যৰ ফোপোলা ভেম মূল্যহীন হৈ পৰিছে। মুঠতে নাটকখনত বীৰেশ্বৰৰ বৰুৱা, বৰুৱানী, সুবিমল ফুকনহঁতৰ উচ্চ মধ্যবিত্ত মানসিকতাৰে গঢ়া সংকীৰ্ণ ৰক্ষণশীল সমাজখনৰ বিপৰীত অসাধাৰণ ব্যক্তিত্বৰ সাধাৰণ মানুহ চিৰাজৰ উদাৰ মানৱতাৰ অপূৰ্ব নিদৰ্শন প্ৰতিফলিত হৈছে।

**গ্ৰন্থপঞ্জী ঃ**

শৰ্মা, ফণী ঃ চিৰাজ (১৯৮৯) অসম প্ৰকাশন পৰিষদ

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য (১৯৮৩) সৌমাৰ প্ৰিন্টিং এণ্ড, পাব্লেছিং প্ৰাইভেট লিঃ গুৱাহাটী - ৮

হাজৰিকা, অতুল চন্দ্ৰ ঃ মঞ্চলেখা (১৯৯৫) লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী।

# কবিতাৰ উদ্দেশ্য

**ড° পূৰৱী কলিতা,**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

কবিতা এবিধ সুকুমাৰ কলা। সুকুমাৰ কলাই যিদৰে মানুহৰ হৃদয়ত আনন্দ দান কৰে, মনত সৌন্দৰ্যবোধৰ সৃষ্টি কৰে, কবিতায়ো কৰে। বাস্তৱৰ ৰূঢ়তাৰ মাজত মানুহ যেতিয়া যন্ত্ৰসদৃশ হৈ পৰে, তেতিয়া তাৰ পৰা উদ্ধাৰ কৰে একমাত্ৰ কবিতাই। মানুহৰ অশান্ত মনোৰাজ্যত সৌন্দৰ্যৰ সৃষ্টি কৰি কবিতাই আনন্দৰ জোৱাৰ তুলি দিয়ে। তেতিয়া কবিয়ে কয় —

" নন্দনৰ ৰূপ জ্যোতি পৰিমল সুধা,
কৰি আহৰণ বিশ্ব বিজয়িনী ৰূপে
মোহিলা নিতম্ব দেশ বিজন প্ৰান্তৰ।
বনস্পতি দ্ৰুমদলে নৱ পল্লৱেৰে
জনাইছে হৃদয়ৰ গুপ্ত সম্ভাষণ!
স্তোকনম্ৰা লতিকাৰ কুঞ্জ পল্লৱত
উঠিছে উঠলি যেন প্ৰেমৰ তৰঙ্গ।"

এপাহ সামান্য ফুল কিন্তু তাকেলৈ কবিৰ অন্তৰত ইমান সুন্দৰ কল্পনা সৃষ্টি হল যে, সি স্বতঃস্ফুটভাৱেই কবিতাৰ ৰূপত নিগৰি আহিল। এই কবিতাফাঁকি পঢ়াৰ লগে লগে মনত এক বিমল আনন্দৰ পয়োভৰ হয়। এইখিনিতেই এটা প্ৰশ্ন হ'ব পাৰে, এই সৌন্দৰ্যৰ সৃষ্টি কেনেকৈ হয়! ইয়াৰ উত্তৰত ক'ব পাৰি যে, সুন্দৰ কল্পনাৰ লগত খাপখোৱা সুন্দৰ ভাষা, উপমাদি অলঙ্কাৰৰ সুপ্ৰয়োগ আৰু ভাব তৰংগৰ পৰিমাপক ছন্দৰ মিলনতেই সৌন্দৰ্যৰ সৃষ্টি হয়। এই সৌন্দৰ্যই পাঠকৰ অন্তৰত যি আনন্দৰ জনম দিয়ে, সি জাগতিক আনন্দ নহয়, ই অনিৰ্বচনীয় আনন্দ — ভোমোৰাই ফুলৰ লগত প্ৰেমালাপ কৰা, দিবাকৰৰ আগমনত পুদুমে হাহি মাৰি স্বাগতম জনোৱা, ম'ৰাই ডাৱৰ দেখি পেখম ধৰা আদিয়ে আজিও পাঠকক আনন্দ প্ৰদান কৰি আহিছে। সঙ্গীতময় সুৰে যেনেকৈ আনন্দ দিছে, তেনেকৈ আনন্দ দিছে অলংকাৰ, প্ৰতীক আদিয়ে অতিকথা কথনৰ জৰিয়তে।

দুবৰি বনত জোনাকীৰ মণি,
চুলিৰ মেঘত লাহি আঙুলিৰ বহুতো জোন
(জোৱাৰৰ বাবে সাগৰ নাছিল)
বৰফৰ দৰেঁ চেঁচা পৰশতো
সি যে কি শান্তি!
অৰুন্ধতী!

অতীতৰ সুমধুৰ সমৃতিৰ ৰোমন্থনে, গোটেই জীৱনটো সেই মূহুৰ্তটোৰ স্মৃতিয়ে মধুৰ কৰি ৰখাৰ লগত আনন্দময় কৰিও তোলে।

কবিতাই যে অকল সৌন্দৰ্য সৃষ্টিৰ জৰিয়তে আনন্দৰ যোগানেই ধৰে এনে নহয়। অৰ্থাৎ আনন্দ যোগানেই কবিতাৰ একমাত্ৰ উদ্দেশ্য নহয়। কবিতাৰ ভিন্ন উদ্দেশ্যৰ ভিতৰত আনন্দদান কৰাটোও এটা উদ্দেশ্য। যিহেতু মানুহে অন্য প্ৰকাৰেও আনন্দ লব পাৰে, গতিকে সৌন্দৰ্য সৃষ্টিৰ জৰিয়তে আনন্দ দান কৰাটো মুখ্য উদ্দেশ্য বুলি সমৰ্থন কৰিব পৰা নাযায়।

কবি সৃষ্টিকৰ্তা স্বৰূপ। তেওঁ জীৱনটো নতুনকৈ চাবলৈ শিকায়। তেওঁৰ সৃষ্টিত কেতিয়াবা এনেকুৱা জীৱন চিত্ৰিত হয় যে, সেই বিষয়ে পাঠকে নতুনকৈ চিন্তা কৰিবলৈ বাধ্য হৈ পৰে।

মানুহক নতুন নতুন দৃষ্টিভংগী দান কৰাটোও কবিতাৰ এটা উদ্দেশ্য। সমাজৰ শোষিত-নিপীড়িত মানুহৰ চিত্ৰ সম্বলিত কবিতাই, মানুহক মানুহৰ প্ৰতি দয়ালু কৰি তোলে। গভীৰ মানৱতাবোধৰ জনম দিয়ে। এই মানৱতাবোধ সৃষ্টিকাৰী কবিতা সমূহৰ উদ্দেশ্যও কেৱল সৌন্দৰ্যৰ সৃষ্টিৰে আনন্দ দান কৰা বুলি কব পৰা নাযায়। কবিতাৰ প্ৰধান উদ্দেশ্যই হৈছে ই মানুহৰ মাজত সচেতনতা বৃদ্ধি কৰে। সমাজত যেতিয়া অন্যায়-অনাচাৰ বৃদ্ধি হয়, তেতিয়া কবিতাৰ মাজত তাৰ চিত্ৰখন চিত্ৰিত হয়। পাঠকৰ মনতো ভিন্ন চিন্তা ভাৱনাৰ হিল্লোল উঠে আৰু উদ্যতহৈ পৰে অন্যায়-অনাচাৰৰ বিপক্ষে থিয় দিবলৈ।

# ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পত আৰ্থ সামাজিক দিশ

**নিশামণি দাস**
অসমীয়া বিভাগ

ভবেন্দ্ৰ নাথ শইকীয়া অসমীয়া সাহিত্য জগতৰ এজন স্বকীয় বৈশিষ্ট্যৰ উজ্জীৱিত সাহিত্যিক। অনিৰ্বচনীয় ভাৱ অনুভূতিৰে তেখেতৰ গল্প, উপন্যাস আৰু নাটকসমূহে অভিভূত কৰে পাঠকক। মূলতঃ পৰম্পৰাবাদী আৰু কাহিনী প্ৰধান গল্পৰ স্ৰষ্টা বুলি সমালোচক সকলে তেওঁক স্বীকৃতি দিছে। তাৰ মাজৰেই সমাজ জীৱনৰ নানা ছবিও তেওঁৰ গল্পত পৰিস্ফুট হৈছে। ভবেন্দ্ৰ নাথ শইকীয়াই কোনো ভব্যগব্য মানুহক তেওঁৰ গল্পৰ আওতালৈ নানি সাধাৰণ মানুহৰ মনৰ দুৱাৰ খুলি তেওঁলোকক নিজৰ গল্পৰ চৰিত্ৰ হিচাপে সজাই তোলাটো আছিল এটা চমকপ্ৰদ কথা। মানুহক সমাজে পিন্ধাই দিয়া অভাৰকোটটো খুলি লৈহে তেওঁ মানুহক নিৰীক্ষণ কৰিছিল। জীৱনৰ সৰু সৰু সাধাৰণতে অন্যৰ চকুত নপৰা একোটা ঘটনা, অভিজ্ঞতা বা এটা কথাক সহজ ভাষাৰে সূক্ষ্ম আৰু জীৱন্ত ৰূপত বৰ্ণনা কৰাত শইকীয়াৰ যি দক্ষতা, অতি কমসংখ্যক লেখকৰ মাজতহে তেনে দক্ষতা দেখা পোৱা যায়। তেখেতৰ গল্পৰ চৰিত্ৰসমূহত জীৱন সৰু সৰু একো একোটা ঘটনা এনেদৰে জীৱন্ত হৈ পৰে যে সি পাঠকৰ অতি চিনাকি যেন লাগে। চিনাকি আৰু অজটিল ভাষাৰে কাহিনী বা ঘটনা একোটাক অপূৰ্ব দক্ষতাৰে ফুটাই তোলা দেখা যায়, য'ত মানৱ জীৱনৰ প্ৰমূল্যসমূহ সুন্দৰ ৰূপত প্ৰতিফলিত হয়। ক'বলৈ গলে গল্পৰ যোগেদিয়েই নিজস্ব ভাষাশৈলীৰে তেখেতে যি জীৱন-ভীক্ষা আগবঢ়ায়, সেয়া মাথো অনন্য সাধাৰণ সৃষ্টিৰ বৈশিষ্ট্যসম্পন্ন লেখকৰ দ্বাৰাহে সম্ভৱ। তেওঁৰ ৰচনাৰ বেছিভাগ চৰিত্ৰই মাধ্যবিত্ত বা নিম্ন মধ্যবিত্ত পৰিয়ালৰ পৰা অহা। গল্পৰ চৰিত্ৰবোৰক প্ৰতি মুহূৰ্ততে সঠিকভাৱে নিয়ন্ত্ৰণ কৰিব পৰা দক্ষতা আছে বাবে তেওঁৰ বৰ্ণনাৰ মাজত কতো বিক্ষিপ্ততা নাই। সাহিত্যিক হিচাপে ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পসমূহত গল্পৰ কাহিনীৰ প্ৰাসংগিকভাৱে সমাজখনৰ আৰ্থ-সামাজিক দিশে ভূমুকি মাৰিছে। ভবেন্দ্ৰ নাথ শইকীয়াৰ সাহিত্যৰ এক বিশাল অংশত আৰ্থ-সামাজিক বৈচিত্ৰ্যময় দিশৰ ওপৰত আলোকপাত কৰা হৈছে। সাহিত্য সমাজৰ দাপোন স্বৰূপ। ভবেন্দ্ৰ নাথ শইকীয়াৰ সাহিত্যত সমাজ সমালোচনা নাই। তথাপি-সমাজত প্ৰচলিত ৰীতি-নীতিৰ সীমাবদ্ধতা আদি সকলোবোৰ দিশ তেওঁৰ সাহিত্যত বিচাৰি পোৱা যায়। এইবোৰৰ আলোচনা-বিলোচনা মানুহৰ জীৱন আৰু সভ্যতা-সংস্কৃতিৰ বিকাশ আৰু উত্তৰণৰ স্বাৰ্থত প্ৰয়োজনীয় বুলি ভৱাৰ থল আছে।

**বানপ্ৰস্থ গল্পত আৰ্থ-সামাজিক দিশঃ**

অসমীয়া গল্প সাহিত্যত ভবেন্দ্ৰ নাথ শইকীয়াৰ বানপ্ৰস্থ এটা লেখত লবলগীয়া গল্প। শইকীয়াই বানপ্ৰস্থ গল্পত আমাৰ সাম্প্ৰতিক সামাজিক পৰিপ্ৰেক্ষিতত নগৰত চাকৰণী খাটি উভতি যোৱা দুজনী চাকৰণী ছোৱালীৰ দুৰ্ভোগ আৰু আৰ্তি ওচৰৰ পৰা নিৰীক্ষণ কৰি বাস্তৱায়িত কৰিছে। চাৰুৰ গিৰিহঁত নন্দন দাস আৰু তেওঁৰ পত্নী ভাল মানুহ। তেওঁলোক তাইৰ গুণমুগ্ধ। তেওঁলোকেও তাইক কাহানিও মনোকষ্ট দিয়া নাই। গডৰেজৰ চাবিকোছাও তাইৰ হাতত তুলি দিছে। সকলোৰে খাই উঠাৰ পিছত খাবলৈ লোৱা চাৰুৰ পাতত যদি কেতিয়াবা মাছ এটুকুৰা নাথাকে তাৰ বাবে তেওঁলোকে প্ৰত্যক্ষভাৱে দায়ী নহয়। অনুযোগো নাই, জোলেৰে ভাত খাই উঠি গৈছে। তথাপি তাইৰ সমনীয়া মাধৱীক ঘৰখনৰ পৰা উলিয়াই দিয়াৰ পিছত বিশ বছৰীয়া চাৰুক ৰখা অসম্ভৱ হৈ পৰিল। মাধৱীৰ পুৰণি শাৰী পিন্ধিয়েই তাই জাকত জিলিকা হৈ পৰিছে। গিৰিহঁতে তাইক খোৱা-পিন্ধাৰ উপৰিও উপযুক্ত দৰমহা দিছে — তাইৰ ইহকাল-পৰকালৰ সমস্ত দায়িত্ব কেনেকৈ ল'ব? তথাপি গাঁৱলৈ পঠিয়াই দিয়াৰ সময়ত দাসে প্ৰতিশ্ৰুতি দিলে, টানে মস্কিলে খবৰ দিলে চাব। চৰুৰ যশস্যাই ভনীয়েক তৰুকো চহৰলৈ টানি আনিছিল। তায়ো ঘৰখনৰ ডেকা ল'ৰা এজনে আমনি কৰাৰ বাহিৰে আন একো অসুবিধা পোৱা নাছিল। দুয়োজনী ছোৱালী একেলগে ঘৰলৈ উভতিল। সিহঁত উভতিবৰ সময়ত লোকৰ ঘৰত বন-বাৰী কৰি পেট প্ৰৱৰ্তোৱা অকাল বৃদ্ধা মাকৰ পৰলীয়া চাউল আগত লৈ জলক-তবক হৈ থকা অৱস্থা। ইফালে গাঁৱত চাকৰণী ৰখা পুহো নাই। সিহঁত হাল ঢেঁকী দিয়া বা ধান ৰোৱা-কটা কামতো অনভ্যস্তা। টাউনৰ পৰা অনা পইচাৰে দুদিনমান চলি এতিয়া নাজল-নাথল অৱস্থা। প্ৰায়েই লঘোণ পৰিবলগীয়া হয়। নন্দন দাসে দিয়া বস্তুৰ ভিতৰত মাধৱীৰ পুৰণি শাৰীখন ফিচিকা অৱস্থাত গাত লাগি আছে। কেতিয়াবা মেঘাচ্ছন্ন আকাশতো এফালি ৰ'দ বিৰিঙে। খবৰ আহিল — গাঁৱলৈ কিবা মিটিঙৰ সংক্ৰান্তত সপত্নীৰ সৈতে নন্দন দাস আহিব। স্বাভাৱিকতে ৰন্ধা-বঢ়াৰ ভাৰ চাৰুক দেখি মধ্যবিত্ত সুলভ সাৱধানতা অৱলম্বন কৰি সিহঁতৰ সংক্ষিপ্ত খবৰ ল'লে। সময়ত ৰন্ধা-বঢ়াৰ তাৰিফ কৰিলে আৰু ৰাতি থাকিবলৈ ডাক বঙলালৈ উভতি গ'ল। সিহঁতৰ অনাহাৰে ঘৰলৈ উভতিল। সিহতৰ ইমান ভোক লাগিছিল যে

সিহঁতৰ কান্দিবলৈ শক্তি নাছিল। ৰাতি 'ছাৰ'ৰ ড্ৰাইভাৰক মাতি আহিছিল। তাৰো বিশেষ একো খোৱা ন'হল। খবৰ লোৱাৰ লগতে চাহ একাপকে খাই যাওঁ বুলি সোমাল। চাৰুৱে মতিক অনুৰোধ কৰিলে, সি যেন তাইক লৈ যায়। এসময়ত মতিয়ে তাইক বিয়া কৰোৱাৰ কথা ভাবিছিল। তাই প্ৰশ্ৰয় নিদিয়াত আন ঠাইত বিয়া কৰালে যদিও সি, সন্তান জন্ম দিবলৈ অপৰাগ হোৱা বাবে ঘৈণীয়েকে তাক এৰি গুচি গ'ল। মতিয়ে সকলো কথা ভাঙি-পাতি কৈ তাইক এই সিদ্ধান্ত নলবলৈ উপদেশ দিছিল। চাৰুৱে নামানিলে। মাক আৰু তৰুৱে চাৰুৰ সিদ্ধান্তৰ কথা শুনি আছিল। চাৰুৰ লগতে সিহঁতৰো এটা আশ্ৰয়ৰ থল ওলাল। চাৰুৰ সতি-সন্ততি হ'লে তেওঁক সহায় কৰিব পাৰিব এই আশাও মনতে মাকে পুহিবলৈ আৰম্ভ কৰিছিল।

"গল্পটোৰ নাট্যশ্লেষ সম্বলিত গতি আৰু পৰিণতিত গ্ৰীক ট্ৰেজেডিৰ ক্ষিপ্ৰতা আছে। তাত শইকীয়াৰ বহুবিতৰ্কিত সূক্ষ্ম পৰ্যবেক্ষণ আৰু খুটি-নাটিৰ চমৎকাৰিত্বই তেওঁৰ ৰীতিৰ এক অনিৰ্বচনীয় মাত্ৰা দান কৰিছে। তেওঁৰ বৰ্ণন ৰীতি সহজ-সৰল, প্ৰাঞ্জল, অথচ বৰ্ণ বৈচিত্ৰ্যময়।"

গল্পকাৰে অতি সহজ-সৰল ভাষাৰে অসমীয়া সমাজত চলি থকা সামাজিক বৈষম্যৰ সুন্দৰ ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। পেটৰ ভাতমুঠিৰ তাড়ণাত মানুহে জীৱন-যৌৱনো কিদৰে বিসৰ্জন দিবলগীয়া হয় তাৰ নিদৰ্শন পতুলী, চাৰু আৰু তৰু।

**পৰ্ণবোধ গল্পত আৰ্থ সামাজিক দিশঃ**

বৰ্ণবোধ গল্পটো এক অনুবাদ কৰিব নোৱৰা সুন্দৰ গল্প বুলি বহু চৰ্চিত। ইয়াত ব্যক্তিত্ব কথকতাই সকলো পাঠকক নিশ্চয় চিৰকাল মুগ্ধ কৰিব। এখন বিয়া উপলক্ষে গোটখোৱা মানুহৰ তিনিটা বনকৰা ল'ৰা-ছোৱালীৰ মাজত গঢ় লোৱা আন্তৰিক সম্পৰ্ক, বানে-বৰ্তন ধোঁওতে কেৰাহীৰ ছাইৰে বাচন-বৰ্তনৰ গাত বৰ্ণৰ চৰ্চা আৰু সিহঁত বিচ্ছিন্ন হোৱাৰ পিছত চিঠিত বৰ্ণমালাৰ 'ক' বৰ্ণটোৰ কথকতাই গল্পটোক অসমীয়া সাহিত্যৰ এক অদ্বিতীয় গল্প কৰি গঢ়ি তুলিছে। এনেদৰে পাৰ্শ্বস্থানৰ পৰা বুটলি লোৱা চৰিত্ৰবোৰে, সিহঁতৰ ভাৱ অনুভূতি, ক্ৰিয়া-কলাপৰ চিত্ৰায়নে তেওঁৰ গল্পৰ আবেদনক বিশ্বজনীন কৰি তুলিছে। মনকৰিবলগীয়া যে চহৰীয়া, শিক্ষিত, মধ্যবিত্ত, ভদ্ৰ মানুহৰ ঘৰৰ বনকৰা ল'ৰা-ছোৱালী তেওঁৰ গল্পৰ অন্যতম উপজীব্য। মূল অসমীয়া মধ্যবিত্তীয় সমাজখনৰ সৈতে সংপৃক্ত হৈ থকা এই বনকৰা ল'ৰা-ছোৱালীৰ অধ্যায়টোক তেওঁ অবিচ্ছেদ্য অংগ হিচাপে দেখা পাইছে। মূল মানুহঘৰৰ লগত তেওঁৰ গল্পৰ বনকৰা ল'ৰা-ছোৱালীহঁতৰ এক মানবীয় অবিচ্ছেদ্য সম্পৰ্ক। বহু সময়ত মূল গৃহস্থ ঘৰতকৈ বনকৰা ল'ৰা-ছোৱালীৰ জীৱন, সমস্যা, আনন্দ-বিষাদে তেওঁৰ সন্মুখত অধিক বাঙ্ময় হৈ ধৰা দিছে। সাধাৰণ মানুহবোৰ আৰু সিহঁতৰ বিচিত্ৰ জীৱন যেন গল্পকাৰে অন্তঃচক্ষুৰে দেখা পাইছিল।

গল্পটোৰ ক্লাইমেক্স ঘটিল সিহঁতহাল ঘৰা-ঘৰি যোৱাৰ আগদিনা গধূলি। মানুহবোৰৰ ভাগৰ লাগিছিল, গতিকে— সন্ধিয়াৰ দুঘন্টামান পাছতে কেচুঁৱাবোৰৰ লগে লগে ডাঙৰ মানুহবিলাকৰো সাৰ-সুৰ নোহোৱা হ'ল। কেৱল কলৰ পাৰত লেম এটা আৰু কাঁহী-বাটি এদম লৈ বহিল গজেন, জয়ন্তী আৰু ৰমা। ছবিটো ৰেমব্ৰেণ্ট ধৰ্মীয় ৰেহৰূপ মন কৰিবলগীয়া। এবাৰ আন্ধাৰৰ সুযোগ লৈ গজেনে সুধিলে — মই তোক এটা কথা কওঁনে জয়ন্তী ? এতিয়া মাখনীৰ ঘৰত ৰাতি অকলশৰীয়া খোটালিটোত ইকাতি-সিকাতি কৰি থাকি তাই চিঠি লিখিবলৈ বহিল। ৰমাই যিমানখিনি পঢ়িব পাৰে তাই সিমানখিনি লিখিব নোৱাৰিলে। গতিকে তাই গজেনৰ ঠিকনা লিখা কাৰ্ডখনত তাই জনা একমাত্ৰ লিখিলে— 'ক'। এয়া আছিল গজেনে সোধা প্ৰশ্নটোৰ উত্তৰ। "শইকীয়াৰ অস্মৰণীয় ভাষাত— পৃথিৱীৰ অজস্ৰ ভাষাৰ অযুত বিননি সেই এটা আখৰৰ বিন্দুৰে বিন্দুৰে সোমাই গ'ল।"[১]

**ৰত্নদাহ গল্পত আৰ্থ-সামাজিক দিশঃ**

অসমীয়া গল্প সাহিত্যত ৰত্নদাহ এটা লেখত লবলগীয়া গল্প। গল্পটোত শৰত নামৰ কেৰাণীৰ চৰিত্ৰটোৰ পৰিয়ালৰ আৰ্থিক দীনতা সম্পৰ্কে সুন্দৰকৈ আলোচনা কৰা হৈছে। দৰমহাৰ টকাৰে মাহটো চলাবলৈ টান হোৱা কেৰাণীসকলে যে অৱশেষত উপায় নাপাই ঘোচ ল'বলগীয়া হয়, সেই কথা গল্পকাৰে গল্পটোৰ মাজেৰে দেখুৱাইছে। সৎ, নিষ্ঠাৱান কেৰাণী এজনেও উপায়হীন হৈ কিদৰে বেলেগে দিয়া ঘোচ লবলগীয়া হৈছে, শৰত চৰিত্ৰটোৰ মাজেৰে সেই কথা পৰিস্ফুট হৈ পৰিছে। ঘৰলৈ অতিথি বুলি আপ্যায়নৰ যোগাৰ কৰিবলৈ শৰতৰ ঘৈণীয়েকৰ কিছু পইছা ধাৰ ঋণ কৰিবলৈ শৰতক কৈছে। এইবোৰ ভাবি চিন্তি অফিচলৈ খোজ দিওতেই তেওঁ উজুটি খাবলগীয়া হৈছে।

যোৱা মাহত উজুটিটো খোৱা হ'লে সি চালেহেঁতেন জোতাপাটৰ আগটো থেতেলা খাই মুখ মেলা হৈ গ'ল নেকি, কিন্তু আজি সি ভৰিখনৰ আগটো তুলি, মূৰটো অলপ চপৰাই চালে, নতুন জোতাপাটৰ শ্বুলটো নষ্ট হ'ল নেকি ? নতুন বস্তু, এতিয়াৰ পৰাই আদৰ কৰি নাৰাখিলে বেছিদিন টিকোৱা টান। বেছিদিন নিটিকিলে সতকাই এযোৰ লোৱা আৰু টান।

আকৌ, ঘৈণীয়েকে ধাৰ কৰিবলৈ কোৱাত মনে মনে থকা শব্দতে উত্তৰ দিছে —

"তুমিনো বুজা নাইনে কিয় মনে মনে ৰ'লো ?

"বুজিছো, আজিতো সাতাইচ, আঠাইচ তাৰিখ হ'লেই তিনি চাৰিদিনৰ কাৰণে কাৰোবাৰ পৰা ধাৰকৈ টকা তিনিটা নাপাব নে আৰু ? অফিচৰ লগৰ কাৰোবাৰ পৰা লব, দৰকহা পালেই দি দিব।"

কিন্তু শৰতৰ পত্নী অতি হিচাপত চলা গৃহিণী, সেই কথাও শৰতে বুজি পায়।

"যদি অগত্যা কেৰাণী জীৱনৰ মাহৰ শেষটোৰ সন্মুখীন হবলগীয়া হয়, তেন্তে অন্ততঃ সুমিত্ৰাৰ নিচিনা এজনী গৃহিণী লাগে"

উক্ত দিনটোত কাৰো পৰা টকা ধাৰলৈ ল'ব নোৱাৰি শেষত অফিচত এগৰাকী ব্যক্তিয়ে ফাইন এটা চাই দিয়াৰ বাবদ তেওঁক কিছু টকা ঘোচ দিছে, তেওঁ নলও বুলিও অৱশেষত না কৰিব পৰা নাই কাৰণ তেওঁৰ ঘৰলৈ সিদিনা আলহী আহিব।

"এই কামটো হ'ল হ'ল, নহ'ল নাই। কামৰ কাৰণে নহয়, এনেয়ে ৰাখকচোন। মোৰ কামটোৱে ডাঙৰ কথানে?"— মানুহজনে শৰতৰ চোলাৰ ওপৰ জেপত টকাকেইটা সুমুৱাই দিলে। শৰতে লগে লগে টকাকেইটা উলিয়াই ওভোটাই দিব খোজতে তেওঁ দুয়োখন হাতেৰে শৰতৰ হাতখন হেঁচাকাই দিলে।"

**সামৰণি ঃ** তিনিওটা গল্পতে গল্পকাৰে এইদৰে সাধাৰণ মানুহৰ আৰ্থ-সামাজিক দিশৰ চিত্ৰ অংকন কৰিবলৈ সাৰ্থক প্ৰয়াস কৰিছে। বাস্তৱ পৃথিৱীখনতো মানুহৰ অলক্ষিত এনে বহু মানুহে জীৱনৰ কঠোৰ সংগ্ৰাম কৰি জীয়াই থাকে। সংবেদনশীল গল্পকাৰ ভবেন্দ্ৰ নাথ শইকীয়াই এই পৃথিৱীখনৰ পৰাই দুই এটি কাহিনী পাঠক সমাজৰ মাজলৈ লৈ আহিছে। দৈনন্দিন জীৱনতে ঘটি থকা সৰু সৰু অথচ ব্যক্তিৰ মনত তোলপাৰ লগাই যাব পৰা একো একোটা কথা বা ঘটনাক ইমান সূক্ষ্মভাৱে বিশ্লেষণ কৰি জীৱন্ত কৰি তোলে যে তাতেই পাঠকৰ অন্তৰ তৃপ্ত হয়। "মোপাছা আৰু চেকভৰ দৰেই তেওঁৰ জীৱনৰ তুচ্ছাতিতুচ্ছ খুটি নাতিবোৰৰ বৰ্ণনাৰ ওপৰতো সবিশেষ গুৰুত্ব দিয়ে, ফলত তেওঁৰ গল্পত জীৱনৰ প্ৰতি থকা চিত্ৰণ প্ৰকৃত পক্ষত জীৱন্ত হৈ উঠে। খুটি নাতি বিষয়ৰ সংকেতবাহী তথা ব্যঞ্জনধৰ্মী পৰ্ঘ্নাৰ পৰিৱৰ্তে ..... বা খুটি নাতি কথাবোৰৰ বহুল বৰ্ণনাৰ প্ৰতি তেওঁৰ এটা স্বাভাৱিক প্ৰৱণতা আছে। এই বৰ্ণনা বাহুল্যই অনেক সময়ত পাঠকক ঈষৎ ক্লান্ত কৰে।" কাহিনী বৰ্ণাই যাওঁতে শইকীয়াই যি অপূৰ্ব সংযম আৰু মাৰ্জিত ৰুচিৰ পৰিচয় দিয়ে — সেই ক্ষেত্ৰতো এইজন গল্পকাৰ অতুলনীয়।

# মহৎ লোকৰ বাণী

(১) মানুহৰ ভিতৰত যি পূৰ্ণতা সুপ্তভাৱে আছে তাৰ বিকাশেই শিক্ষাৰ লক্ষ্য। — স্বামী বিবেকানন্দ

(২) নিজকে অভদ্ৰ বুলি পৰিচয় নিদিয়ালৈকে তুমি সকলোকে ভদ্ৰ বুলি ভাবিবা। — মহাত্মা গান্ধী

(৩) সকলোকে ভাল পাবা, কিন্তু বিশ্বাস সকলোকে নকৰিবা। সেইবুলি কাঁৰো প্ৰতি অহিতকৰ কাম নকৰিবা। — উলিয়াম শ্বেক্সপীয়েৰ

(৪) যি মানুহৰ শিক্ষা নাই, তেওঁ এডাল শুকান কাঠৰ দৰে। — হজৰত মহম্মদ।

(৫) সংসাৰত দুটাই শক্তি আছে- তৰোৱাল আৰু কলম। শেষত তৰোৱালে সদায় কলমৰ আগত পৰাজয় বৰণ কৰে। — নেপোলিয়ন

(৬) আত্মবিশ্বাসেহে সদায় জীৱনত সফলতা আনিব পাৰে। — ডেল কাৰ্ণেগী।

(৭) মিঠা মাত ব্যৱহাৰ প্ৰণালীৰ ঘাই মন্ত্ৰ। — সত্যনাথ বৰা।

**—মনালিছা ৰাজবংশী**
সাংস্কৃতিক সম্পাদিকা

# Obsession, আৰু ইয়াৰ পাৰ্শ্বক্ৰিয়াঃ

**বিকাশ দত্ত**
মাল্টি টাস্কিঙ এচিছটেন্ট

"an idea or thought that continually preoccupies or intrudes on a person's mind". গুগল কৰোঁতে obsession শব্দটোৰ অৰ্থটো এইধৰণে দেখিলোঁ। হয়তো বহুবাৰ এই শব্দটো বাস্তৱ জীৱনত নিজেও ব্যৱহাৰ কৰিছো। আচলতে কোনোধৰণৰ বস্তুৰ প্ৰতি থকা এক আসক্তি, বা এক অৰ্থত অতিমাত্ৰা আসক্তি বা নিচাকেই obsession বুলি ক'ব পাৰি। obsessionয়ে এজন মানুহৰ মানসিক স্বাস্থ্যৰ লগতে শাৰীৰিক স্বাস্থ্যটো প্ৰভাৱ পেলাব পাৰে। Psychological Thriller বিষয়ক চিনেমা সময়ে সময়ে বহুতো নিৰ্মাণ হৈ আহিছে। কিছুসংখ্যক পৰিচালকে এই বিষয়বস্তুটোৰ ওপৰত নিৰ্মাণ কৰা ছবিসমূহক চিত্ৰনাট্যৰ ৰূপ দি এখন ভৌতিক চলচ্চিত্ৰলৈও ৰূপান্তৰিত কৰিছে। যদি বলিউদলৈ চাওঁ তেন্তে প্ৰথমেই ২০২১ চনৰ ৰিমা কাগতীৰ পৰিচালনা আৰু আমিৰ খান, ৰাণী মুখাৰ্জী, কৰিণা কাপুৰ অভিনীত Talaash ছবিখনৰ কথাই মনলৈ আহে। এটা সাধাৰণ হত্যাকাণ্ডৰ উৎস বিচাৰি গভীৰৰ পৰা গভীৰচল সোমাই যায় এগৰাকী আৰক্ষী বিষয়াই। আৰু তাৰ পিছতেই চিনাকী হয় নিজৰ মৃত সন্তানৰ স্মৃতিৰে জৰ্জৰিত হৈ থকা এগৰাকী বেশ্যাৰ লগত। লাহে লাহে সেইবেশ্যা গৰাকীৰ সৈতে তেওঁৰ এক আৱেগিক সম্পৰ্ক গঢ়ি উঠে আৰু শেষত দৰ্শকে আৱিষ্কাৰ কৰে যে সেই বেশ্যাগৰাকী প্ৰকৃততে এটা অশৰীৰী আত্মাহে! পিছে এই বেলছবি খনৰ কাহিনী চিত্ৰনাট্যত অকণমান আসোঁৱাহ নথকা নহয় কিন্তু পৰিচালক ৰিকা কাগতীয়ে ছবিখনত এনে এটা পৰিৰেশ গঢ় দিছে যে সেই Mystery Thrillerৰ Genre টোক ধনীয়াকৈJustify কৰে। এইক্ষেত্ৰত মই Talaash বোলছবিখনৰ প্ৰসংগটো টানি অনাৰ এটা কাৰণ হ'ল এই ছবিখন এখন Mainstream Movie ! চাবলৈ গলে যিবোৰ ছবিৰ কাহিনীক আমি নিজৰ দৈনন্দিন জীৱনৰ সৈতে ৰিজাব পাৰোঁ, একাত্মা হ'ব পাৰো, যত নেকি কোনো এটা চৰিত্ৰত দৰ্শকে নিজক বিচাৰি পায় সেই ছবিবোৰেই আমাৰ প্ৰিয়। একেদৰে ছবিজগতত এনেকুৱা বহুকেইজন বিখ্যাত ছবি নিৰ্মাতা আছে যিসকলে দৰ্শকক সেই অনন্য সোৱাদ দিব পৰাকৈ সক্ষম, যাৰ বাবে দৰ্শকে তেওঁলোকৰ ছবিসমূহ নোচোৱাকৈ থাকিব নোৱাৰে। আৰু লগতে ছবি নিৰ্মাতা হিছাপে তেওঁলোক নিৰাশ হোৱা পৰিলক্ষিত হোৱা নাই।

এইক্ষেত্ৰত প্ৰথমতেই নাম ক'ব লাগিব ড° ভবেন্দ্ৰনাথ শইকীয়া আৰু জাহ্নু বৰুৱা ছাৰ এই দুয়োজন নমস্য ব্যক্তিৰ। শইকীয়া ছাৰে নিৰ্মাণ কৰা বহুকেইখন কালজয়ী ছবিৰ ভিতৰত মোৰ অন্যতম প্ৰিয় এখন ছবি হ'ল "অনিৰ্বাণ"। এগৰাকী যোড়শী যুৱতীয়ে অসমীয়া সমাজ ব্যৱস্থাত কিদৰে নিজৰ দেহৰ বৰণ, সৌন্দৰ্য্য আদিৰ বাবে নিজৰ বান্ধৱীৰ বিপক্ষে থিয় হৈ জেদী মনোভাৱ গঢ়ি তোলে সেই দৃশ্য ৮০ ৰ দশকতেই ৰূপালী পৰ্দাত দাঙি ধৰিছিল শইকীয়া ছাৰে। আৰু বৰ্তমানেও এইখিনি আমি নিজৰ সৈতে ৰিজাই চালে বহুতো সাদৃশ্য দেখিবলৈ পাওঁ। একেদৰে শইকীয়া ছাৰে "আৱৰ্তন"ত ভ্ৰাম্যমাণ থিয়েটাৰৰ ভিতৰচ'ৰাক দেখুৱাইছে। আকৌ জাহ্নু বৰুৱা ছাৰৰ "হালধীয়া চৰাইয়ে বাওধান খাই", "ফিৰিঙতি", "কণিকাৰ ৰামধেনু", "সাগৰলৈ বহুদূৰ" আদি, এই আটাইবোৰ বাস্তৱধৰ্মী ছবি যাৰ দ্বাৰা আমি আমাৰ চাৰিওফালৰ পৰিৱেশৰ সৈতে সাদৃশ্য প্ৰত্যক্ষ কৰোঁ। দৰ্শকৰ মনৰ গভীৰতালৈ লৈ যাব পৰাকৈ অতি উচ্চ খাপৰ এই ছবিসমূহ আজিও আদিৰণীয়। যোৱাতো দশকত অসমীয়া ছবিজগতত আমি এক নতুন ধৰণৰ ট্ৰেণ্ড (সংযোজন) দেখিবলৈ পাইছো। অৱশ্যে এক মিশ্ৰিত অনুভৱ বুলিও ক'ব পাৰি। বিগ বাজেটৰ ছবিৰ লগতে কাৰিকৰী ক্ষেত্ৰতো ছবি জগতৰ উত্তৰণ আমি দেখিবলৈ পাইছো। Freelencer দিশত কাম কৰি থকা বহুতো প্ৰতিভাশালী কলা-কুশলী (গায়ক, অভিনেতা, অনিনেত্ৰী, পৰিচালক, চিত্ৰনাট্যকাৰ, গল্পকাৰ, গীতিকাৰ সকল) য়ে বিভিন্ন দিশত নিজৰ নিজৰ প্ৰতিভাসমূহ দাঙি ধৰিছে। কিন্তু ইয়াৰে ভিতৰত যিয়েই মোক বাৰুকৈয়ে প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছে সেইজন হ'ল পৰিচালক ভাস্কৰ হাজৰিকা।

২০১৪ চনত "কথানদী" প্ৰথমবাৰ চাওঁতে দৰ্শক হিচাপে প্ৰথমবাৰৰ বাবে এক সুকবীয়া অভিজ্ঞতা লাভ কৰিলো। সচৰাচৰ গল্প এটাক ভৌতিক চিনেমাৰ ৰূপত এনেদৰে ও হে দেখুৱাব পৰা যায় সেই কথা পৰিচালক ভাস্কৰ হাজৰিকাৰ কথানদী বোলছবি খন চাওঁতে অনুমান হৈছিল। আচলতে ৰসৰাজৰ লোক কথা মূলক গল্পসমূহ কিতাপৰ পাতত পঢ়ি আমি সৰুতে বৰ ভাল পাইছিলো। সেয়েহে ৰূপালী পৰ্দাত দেখিবলৈ পাই আৰও ভাল লাগিল। কিন্তু শৈশৱৰ মধুৰ স্মৃতিক ভাস্কৰ দাই এখন ডাৰ্ক, থ্ৰীলাৰ ছবিলৈ যিদৰে ৰূপান্তৰ কৰিলে, তাৰ বাবে তেওঁ প্ৰশংসাৰ

যোগ্য। কিন্তু তেখেতৰ শেহতীয়া ছবি ''আমিষ'' এক সম্পূৰ্ণ ব্যতিক্ৰমধৰ্মী ছবি। কিয় ? ? কাৰণ অৱশ্যেবহুকেইটা আছে।

আদিম যুগত যত নেকি সভ্যতাৰ পোহৰে স্পৰ্শ কৰা নাছিল তেনে সময়ত মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য সমূহ জন্তুৰ লগত প্ৰাইখিনিয়েই মিল আছিল। অৱশ্যে ''আমিষ''ত এইবিষয়ে কোৱাৰ আগতেই প্ৰায় ৫০ বছৰ পূৰ্বে ষ্টেণলি কুব্ৰিকৰ 2001: A Space Odesey ত এটা দৃশ্যাংশ দেখুওৱা হৈছিল। অৱশ্যে দৃশ্যাংশটোত থকা আদিম বন মানুহ এজনৰ মনলিঠ এটাক লৈ মনত যি কৌতুহলৰ উদয় হৈছিল তাকহে দেখুওৱা হৈছিল। কিন্তু তাৰ কিছুসময় পূৰ্বে সেই আদিম মানুহজন, যাৰ উদ্ভৱৰ সময়ত কোনোধৰণৰ সভ্যতাই ঢুকি পোৱা নাছিল, তেতিয়া তাৰ মনত বাস কৰি আছিল সেই জন্তু এটাই। সভ্যতাৰ অভাৱত সেই জন্তুটো পৰিস্ফুত হৈ ওলাই পৰিছিল। গতিকে সেই সম্পৰ্কে বিষদভাৱে ভাবিলে আমি ক'ব পাৰো, প্ৰত্যেক মানুহৰে মনত এটা পশু সুপ্ত হৈ থাকে আৰু সময়ে সময়ে ই জাগ্ৰত হয়। কিন্তু বৰ্তমান সময়ত মানৱ সভ্যতাৰ চূড়ান্ত উৎকৰ্য সাধন হোৱাৰ বাবে হয়তো সেই পৰিপ্ৰেক্ষিতত আমাৰ মাজত শুই থকা সেই জন্তুটো এতিয়াও শুইয়ে আছে। আমি যিমান সভ্য অথবা আধুনিকতাৰ ৰং সানিলেও সময়ে সময়ে সেই সুপ্ত পশু এবাৰকৈ হলেও জাগ্ৰত হয়। এই সভ্যতাৰ যি বসণ আমি ধাৰণ কৰিছেশ, সেইয়াই অন্য একো নিৰ্দেশ নকৰে, বৰং আমাক কৈ যায় যে আমি এক দ্বৈত ব্যক্তিত্বৰে জীয়াই আছো। পৰিচালক ভাস্কৰ হাজৰিকাই ''আমিষ''ত এটা নতুন পৰীক্ষা চলাইছে। ড° নিৰ্মালী শইকীয়াৰ দৰে এগৰাকী সভ্য আৰু আধুনিক নাৰী আৰু সুমন বৰুৱাৰ দৰে এগৰাকী তেজোদ্দীপ্ত গৱেষণা কৰি থকা যুৱকৰ মাজৰ যি সম্পৰ্ক দেখউওৱা হৈছে সেইয়া সম্পূৰ্ণ পৃথক।

প্ৰেমৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই বা নাথাকে বুলি ভাবোঁ। সেইদৰে চাবলৈ গলে প্ৰেম বিভিন্ন ধৰণৰ হ'ব পাৰে। গিয়াৰ্মো ডেল ট'ৰ'ই The Shape of Water ত ইয়াক অতি সুন্দৰকৈ দেখুওৱাইছে। আকৌ ইমাটিয়াজ আলিয়ে Highway বোলছবি খনত প্ৰেম বা ভালপোৱাক অন্য এক ধৰণেৰে উপস্থাপন কৰিছে। কিন্তু ভাস্কৰ হাজৰিকাৰ ''আমিষ''ত যেন ভালপোৱাৰ এক অন্য ৰূপ পৃথক কৈ দেখুওৱা হৈছে। ছবিখনৰ এটা দৃশ্যত সুমন আৰু নিৰ্মালীয়ে বাদুলি মাংস ভক্ষণ কৰা আমি দেখিবলৈ পাও, আৰু পিছ মূহুৰ্ততেই নিৰ্মালী শাৰীৰিকভাৱে অসহজ হৈ পৰে। লগে লগে পৰিচালক ভাস্কৰ হাজৰিকাই দৃশ্যটো কাট কৰে। তাৰ পিছতেই সুমন আৰু নিৰ্মালী দুয়োকে এখন গাড়ীৰ ভিতৰত সুমনে গাড়ী চলাই থকা আৰু কাষত নিৰ্মালী বহি থকা দৃশ্যাংশটো চকুত এক অস্থিৰ দৃষ্টি, দুয়ো আছিল সংলাপবিহীন। কেৱল দুয়োৰে মুখত হাহি নাই আৰু দুয়োজনৰে চকুত এক অস্থিৰ দৃষ্টি, দুয়ো সমুখৰ ফালে কেৱল আছে। তাৰ পিছৰ দৃশ্যটোত নিৰ্মালীৰ ঘৰৰ কলিং বেল বাজে। স্বামী দিলীপে দৰ্জাখন খোলাৰ লগে লগেই নিৰ্মালীয়ে কামোত্তেজনাত দিলীপক চুম্বন কৰে। কিন্তু আচৰ্যজনক ভাৱে সেই মূহুৰ্ততটোত নিৰ্মালী বৈ দিয়ে আৰু দিলীপৰ ওচৰৰ পৰা আঁতৰি যায়। গতিকে এইক্ষেত্ৰত আমি নিৰ্মালীৰ মনৰ অস্থিৰ অৱস্থাটোক প্ৰত্যক্ষ কৰো। নিৰ্মালী এগৰাকী বিবাহিতা নাৰী আৰু সেইবাবে হয়তো নিজৰ কাম উত্তেজক স্বভাৱটোক সুমনৰ আগত দেখুৱাবলৈ তেওঁ অপাৰগ। অথচ সেই সময়ত নিৰ্মালীৰ কাষত একমাত্ৰ পুৰুষ আছিল। এইক্ষেত্ৰত মানুহ আৰু জন্তুৰ প্ৰভেদ আমি লক্ষ্য কৰোঁ। মানুহ এজনৰ সংযমশীল গুণ বাবেই কোনো মানুহেই আকস্মিকভাৱে কেতিয়াও নিজৰ ভিতৰত শুই থকা পশুটোক বাহিৰলৈ সহজে আহিব লৈ দিব নোৱাজ্ঞে

আকৌ সুমনৰ বেলিকা আৰু এক বিষয়বস্তু লক্ষ্য কৰিব পাৰি। সুমনে নিৰ্মালীক ভাল পাই। ইমানেই ভাল পাই যে দুয়ো হাজাৰ বাৰ নিচেই কাষত লগ পোৱাৰ সুবিধা থকা সত্বেও সি নিৰ্মালীক এবাৰকৈ হলেও স্পৰ্শ নকৰে। আচলতে সুমনৰ মনত নিৰ্মালীৰ প্ৰতি আছে এক গভীৰ শ্ৰদ্ধা। অথচ নিৰিবিলি পৰিৱেশত সুমনো এগৰাকী পশুৰ দৰে হৈ পৰে, সেইবাবেই হয়তো নিজৰ গাৰ মাংস কাটি সি নিৰ্মালীক খুৱাই। একেদৰে নিৰ্মালীৰ বান্ধৱী, জুমিয়ে এগৰাকী যুৱকৰ সৈতেএক বিবাহ বিহৰ্ভূত সম্পৰ্ক স্থাপন কৰা দেখুওৱা হৈছে। সেই সময়ত জুমিৰ কাম উত্তেজনাও প্ৰকাশ পাই নিৰ্মালী সৈতে বাৰ্তালাপ কৰি থকা অৱস্থাত, য'ত নেকি এডি (জুমিৰ বয়ফ্ৰেণ্ড)ৰ সন্দৰ্ভত জুমিয়ে তাৰ শাৰীৰিক অৱয়ৱৰ কথা কৈ থাকে। আকৌ সুমনে যেতিয়া ইলিয়াছৰ সৈতে তাৰ হোষ্টেল লৈ যায় তেতিয়া এগৰাকী অন্য ছোৱালীয়ে সুমনৰ ওচৰলৈ আহি সেই একেধৰণৰ কিছুমান ইংগিত দিয়ে। এই আটাইবোৰক আচলতে আমি এক অন্য ধৰণেৰে চাব পাৰো। সেইয়া হ'ল Obsession অথবা নিচা। সুমন আৰু নিৰ্মালীৰ মাজৰ সম্পৰ্কটোক প্ৰথমতে এক অন্য ধৰণেৰে উপস্থাপন কৰা হৈছে যদিও লাহে লাহে ছবিখন আগবঢ়াত আৰু যেতিয়া সুমনে নিজৰ দেহৰ মাংস কাটি নিৰ্মালীক খুৱাই তেতিয়াৰে পৰা নিৰ্মালীৰ ব্যক্তিত্ব সম্পূৰ্ণৰূপে সলনি হৈ গৈ থাকে। এইয়াও এক নিচা, নে অন্য কিবা সেইয়া দৰ্শক হিচাপে আপুনি উপলব্ধি কৰিব নোৱাৰে বা মানি ল'ব নোৱাৰে, কিন্তু পৰিচালক ভাস্কৰ হাজৰিকাই যিধৰণে ছবিখনৰ চিত্ৰনাট্য গঢ় দিছে আৰু সামন্তৰাল ভাৱে ছবিখন চলাই গৈছে, সেইক্ষেত্ৰত আমি ছবিখনৰ মূল বিষয়বস্তুক নুই কৰিব নোৱাৰি। আমি ভাবিবলৈ বাধ্য হওঁ, যে কোনোবাকৈ আমাৰ মাজতো এনেকুৱা এটা Obsession আছে নেকি ! আৰু সেইবাবেই ''আমিষ''ৰ বাবে ভাস্কৰ হাজৰিকা প্ৰশংসা পাত্ৰ। যিবোৰ ছবি পৰিচালকে নিজৰ ছবি আৰু ইয়াৰ চৰিত্ৰৰ উপস্থাপনেৰে দৰ্শকৰে মনত চিন্তাৰ খোৰাক আনি দিব পাৰে, সেই ছবিসমূহকেই একোখন সফল ছবি বুলি ক'ব পৰ যায়।

''আমিষ''ৰ কাৰিকৰী দিশত চালে নিৰ্মালীৰ চৰিত্ৰত লিমা দাস আৰু সুমনৰ চৰিত্ৰত অৰ্ঘ্যদীপ বৰুৱাৰ অভিনয় ভাল। যদিও মাজে মাজে কিছুমান দৃশ্যত বাস্তৱবাদী অভিনয় অভাৱ আছে তথাপিও বেছি পৰীক্ষা নিৰীক্ষা নকৰি চিত্ৰনাট্যৰ সৈতে সামঞ্জস্য ৰাখি দুয়োগৰাকী শিল্পীয়েই

যথেষ্ট উন্নত অভিনয় কৰিছে। তদুপৰি ছবিখনৰ চিত্ৰগ্ৰহণ শলাগিব লগীয়া, কিছুমান দৃশ্যত Shaky কেমেৰা এংগলেৰে পৰিৱেশটোৰ অস্থিৰতাক দাঙি ধৰিছে চিত্ৰগ্ৰহণকাৰী ৰিজু দাসে। কুৱান বে'ৰ সংগীত খুবেই শ্ৰুতিমধুৰ। পিয়ানোৰ সুন্দৰ শব্দসজ্জাই "আমিষ" যে এখন ব্যতিক্ৰমী ৰোমান্টিক ছবি সেইয়া সুন্দৰকৈ ফুটাই তুলিছে।

অৱশেষত আমি ক'ব পাৰো যে "আমিষ" এখন Romantic Thriller cum Experimental Drama। কাৰণ "আমিষ" হৈছে আবেগ, প্ৰেম, ভালপোৱাৰ পৰা খাদ্যাভ্যাস আৰু লাহে লাহে মানৱ সভ্যতাৰ পশুত্ব আৰু হত্যাকাৰী স্বভাৱৰ উপস্থাপন। কাহিনী চিত্ৰনাট্যৰ গভীৰতা আৰু ভাস্কৰ হাজৰিকাৰ সুক্ষ্ম পৰিচালনাই "আমিষ"ক এক ব্যতিক্ৰমধৰ্মী ছবিৰ শাৰীত অধিস্থিত কৰাইছে। কিদৰে মানুহে নিজৰ মাজত একোটা পশু কঢ়িয়াই লৈ ফুৰে তাৰ বলিষ্ঠ প্ৰকাশ হৈছে "আমিষ"ত। কিন্তু পশুত্ব জীয়াই থকাৰ পিছতো মানুহ যে বিবেকহীন নহয় সেইয়াও ফুটি উঠিছে "আমিষ"ত। সেইবাবেই হয়তো নিজৰ বাস্তৱক ধ্বংস কৰি অৱশেষত পূৰ্ণতা লাভ কৰে সুমন আৰু নিৰ্মালীৰ ভালপোৱাই। কোনোদিন নিৰ্মালীক স্পৰ্শ নকৰা সুমনে ছবিখনৰ শেষৰতো দৃশ্যত আৰক্ষী চকীত তাইৰ হাত খনত স্পৰ্শ কৰে। যেন নিজৰ বাস্তৱ পৃথিৱীৰ পৰা বিদায় লৈ ভালপোৱাত পৃথিৱীত অৱতৰণ কৰে দুয়ো। অৰ্থাৎ "আমিষ"ৰ শেষভাগৰ এই দৃশ্যটোৱে আমাক কৈ যায় আচলতে, প্ৰেম বা ভালপোৱাও এক নিচা বা Obsession.

## G.K. on Corona Virus

ৰবিয়া খাতুন, স্নাতক, দ্বিতীয় যান্মাসিক

১। বৰ্তমান হৈ থকা ভাইৰাছখনৰ নাম 'কৰুণা' কিয় ৰখা হয়?
উঃ- "Crown" ৰ দৰে দেখিবলৈ কাৰণে ইয়াক কৰুণা নাম দিয়া হৈছে।
২। কোভিডৰ বাবে ভাৰতত কেতিয়া প্ৰথম জনতা কাৰ্ফিউ দিছিল ?
উঃ- ২২ মাৰ্চ, ২০২০.
৩। কোন দেশে কৰুণা মুক্ত কৰিবলৈ নিজৰ দেশৰ এঘাৰ জন ব্যক্তিক গুলিয়াই হত্যা কৰে ?
উঃ- উত্তৰ কোৰিয়া।
৪। কৰুণা ভাইৰাছ চিনাক্ত পোন প্ৰথমে কেতিয়া কৰা হৈছিল ?
উঃ- 1960 চনত।
৫। কৰুণা ভাইৰাছত কেনেকুৰা মানুহ কমকৈ সংক্ৰমণ হৈছে ?
উঃ- O গ্ৰুপ তেজৰ লোক হে ।
৬। কোনখন দেশত মাস্ক পৰিধান কৰাটো নিষিদ্ধ কৰিছে?
উঃ- তুৰ্কমেনিস্তান।
৭। "বিশ্ব স্বাস্থ্য সংস্থাই" - (WHO) ই আনুষ্ঠানিক ভাৱে কৰুণা ভাইৰাছক কি নাম দিছে?
উঃ- COVID-19.
৮। কৰুণা মহামাৰীৰ পৰা যুক্ত হোৱা দেশৰ প্ৰথমখন ৰাজ্য খনৰ নাম কি ?
উঃ- গোৱা ।
৯। COVID-19 মানে কি ?
উঃ- Co= Corona, VI = Virus, D= Disease, 19= 2019
১০। 18 জুন 2020 চনত কত মাস্ক দিৱস পালন কৰা হৈছিল ?
উঃ- কৰ্ণাটক ।
১১। 1 কোটি কৰুণা টেষ্ট কৰাবলৈ সক্ষম হোৱা দেশৰ প্ৰথম ৰাজ্য খনৰ নাম কি ?
উঃ- উত্তৰ প্ৰদেশ।
১২। কভিড-19 ৰ লগত মোকাবিলা কৰিবলৈ কোন ৰাজ্যই ব্ৰেক দা চেইন মিছন আৰম্ভ কৰিছিল।
উঃ- কেৰেলা।
১৩। 2019 চনত বিশ্বৰ প্ৰথমটো কৰুণা ৰোগী ক'ত পোৱা গৈছিল।
উঃ- ৱোহান ।
১৪। কৰুণাই দেহত কোন অংশত বেছি প্ৰভাৱ পেলায়?
উঃ- হাঁওফাঁও।
১৫। Home Quarantine থকা সকলৰ ওপৰত চকু ৰাখিবলৈ Coronative এপ কোনে মুকলী কৰিছিল ?
উঃ- IIT, (Mumbai)
১৬। Covid-19 ৰ লগত মোকাবিলা কৰিবলৈ কোন ৰাজ্যই 'COVA' এপ মুকলি কৰিছিল ?
উঃ- পঞ্জাব।
১৭। কভিড টেষ্ট কৰা প্ৰক্ৰিয়াটোক কি বুলি কয়?
উঃ- RI=PCR= Reverse Transcription polymerase chin reaction.
১৮। ভাৰতত কোন ৰাজ্য প্ৰথমলৈ কভিড টেষ্ট কৰা হৈছিল ?
উঃ- কেৰেলা।
১৯। কৰুণা ভাইৰাছক কোনে আৰু কেতিয়া মহামাৰি হিচাপে ঘোষণা কৰিছিল।
উঃ- বিশ্ব স্বাস্থ্য সংস্থাই 11মাৰ্চ, 2019 চনত।
২০। ভাৰতত কোন ৰাজ্যত পোন প্ৰথমে কাৰ্ফিও দিয়া হৈছিল ?
উঃ- পাঞ্জাৱ ।
২১। কভিডৰ বাবে জৰুৰী অৱস্থা ঘোষণা কৰা প্ৰথম দেশ খনৰ নাম কি ?
উঃ- জাপান ।
২২। "Behind The masks Covid-19" নামৰ গ্ৰন্থখন কোনে লিখিছে ?
উঃ- মুহাম্মদ আব্দুল মান্নান।
২৩। কোনখন ৰাজ্যত 'Kill Corona Mission' আৰম্ভ কৰা হৈছিল ?
উঃ- মধ্যপ্ৰদেশ ।
২৪। বিদেশত আৱদ্ধ ভাৰতীয় সকলক নিজ দেশলৈ ঘূৰাই অনাৰ বাবে 'ভাৰতৰ নৌ সেনাই' কি অভিযান আৰম্ভ কৰিছিল?
উঃ- সমুদ্ৰ সেতু।
২৫। প্ৰবাসী শ্ৰমিক সকলৰ বাবে কোন ৰাজ্যৰ চৰকাৰে চৰণ পদুকা নামৰ অভিযান আৰম্ভ কৰিছিল?
উঃ- মধ্য প্ৰদেশ।
২৬। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হল — 'কভিড- 19' এই বুলি কোনে কৈছিল ?
উঃ- তেদ্ৰো এধানম।

# পৰিৱৰ্ত্তনৰ পথ বিচাৰি

শ্ৰীভৱেশ কলিতা

লৰাজন শিক্ষিত। সৰুৰে পৰাই সি নিজৰ পৰিয়াল আৰু দেশখনৰ প্ৰতি কিবা এটা ভাল কাম কৰিব খোজে। সেই তাড়নাই তাক বাৰুকৈয়ে আমনি দিয়ে। পৰিয়াল আৰু সমাজৰ নামত নিজকে উজাৰি দি সি ভালপায়। হাইস্কুলীয়া জীৱনত সি এটা জাতীয়তাবাদী সংগঠনৰ প্ৰভাৱত পৰিল। সি ভাবিলে দেশক শান্তি, প্ৰগতি, উন্নয়ন দিব পৰা নিৰ্ভৰযোগ্য সাঁকোতাল সেই সংগঠনটো। সেই সংগঠনটোৰ বাবে দেশ সুৰক্ষিত। সেই সংগঠনৰ ত্যাগ আৰু শ্ৰমেই হৈছে দেশৰ শান্তিৰ আধাৰ। সি দেশক ভালপায়। সি দেশৰ নামত নিজকে বিলীন কৰাৰ বাবে সেই সংগঠনত সোমাল। বন্ধ, হৰতাল, প্ৰতিবাদ, ৰচিদ বহী তাৰ জীৱনৰ অংগ হৈ পৰিল। এদিন সি অনুভৱ কৰিলে তাৰ কষ্ট আৰু সময় নষ্ট হৈ আছে। তাৰ সংগঠনটোৰ প্ৰতি মোহ ভংগ হল। সংগঠনটোৱে যেন দেশক ভালপোৱাৰ নাটক কৰি নিজৰ পকেট গৰম কৰি আছে। সিহঁতে ৰাইজক দেখুৱাই কিবা এটা কৰে অইন এটা। সেইবাবে দেশৰ জলন্ত সমস্যাবোৰৰ সমাধান হোৱা নাই। একাংশ এনেকুৱা সংগঠনে দেশৰ সমস্যা জীয়াই থকাটোহে বিচাৰে। কাৰণ সমস্যা থাকিলেহে সংগঠন থাকিব। সি সেই পথ বাদ দিলে। কিয়নো ছাত্ৰ সমাজক দেশৰ শান্তি, প্ৰগতিৰ দোহাই দি পাঠদান বাতিল কৰাই ৰাজপথলৈ লৈ আহে। কিন্তু সেই ছাত্ৰ সমাজৰ ভৱিষ্যতৰ প্ৰতি কোনো দায়বদ্ধতা নাই। সিহঁতক স্বাৱলম্বী হোৱাৰ পথ দিব নোৱাৰে। এচাম সহজ সৰল ছাত্ৰ-ছাত্ৰীক সংগঠনে কামত খটুৱাই আৰু সিহঁতৰ নেতাবোৰ এদিন গৈ মন্ত্ৰী এ মেলে, হয়গৈ। ছাত্ৰ জীৱনত ৰচিদ বহী হাতত লৈ ফুৰাবোৰে যেতিয়া শাসন বাঘজৰী পায়, তেতিয়া সমাজৰ উন্নয়ণ কিদৰে হব সেয়া সহজে অনুমান কৰিব পাৰি। এনেকুৱা একাংশ পাৰত গঁজা নেতাৰ নিৰ্দেশত যেতিয়া ডাক্তৰ, অভিযন্তা উচ্চস্তৰীয় প্ৰশাসনিক বিষয়া আদি চলিবলগীয়া হয়, তেতিয়া দেশৰ প্ৰগতিৰ পথত নানা আহুকালে দেখা দিয়ে। ইফালে তাৰ ঘৰৰ হেঁচা। বোৱাৰী এজনী লাগে। তাৰো মন যায় সংসাৰ কৰিবলৈ। দেশৰ নামত ৰাজপথ ৰখি থাকোতে একো কৰা নহল তাৰ। দেউতাকে দিছে এক সহজ উপায়। বাবীৰ মাটিখিনি বেচি দিলেই হল। সি ওৰে জীৱন বহি বহি খাব পাৰিব। চুবুৰীয়াৰ সকলোৱে তাকেই কৰিছে। সি চৌদিশে চকু ফুৰালে সিহঁতৰ পথাৰবোৰ অনা-অসমীয়া হল। ডাঙৰ ডাঙৰ অট্টালিকা সাজিলে। আজিকালি এচাম অভিভাৱকে নিজৰ মাটিখিনি অনা-অসমীয়াৰ হাতত তুলি দি বৰ সন্তোষ পোৱা হল। সি তাৰ দেউতাকৰ কথাত মান্তি নহ'ল। মাটিখিনি সি নেবেচিলে। দেউতাকে তাক ৰসাতলে যোৱা বুলিয়েই ধৰিলে। তথাপি সি অকোঁৰগোজ। সি পৰিয়াল আৰু দেশৰ হৈ কাম কৰিব। কোনো জাতীয়বাদী দলৰ ঘোৰাত নুঠাকৈ। সৰু কাম কৰিও দেশৰ সেৱা কৰিব পাৰি। লগতে তাৰ উপাৰ্জন হব সংসাৰো হব। সি অধ্যায়ন কৰি গম পালে অসংখ্য সৰু সুৰা কামবোৰ বহিৰাগতৰ হাতত। সিহঁতে অজস্ৰ ধন দেশৰ পৰা বাহিৰলৈ নি আছে। আমাৰ লৰা নিৰনুৱা। উপায়হীন হৈ নিজৰ ভেটি বেচি দিছে অনা-অসমীয়াক। সি হাতত কেচি তুলি ললে। চেলুন খুলিব। তাৰহাতলৈ ধন আহিব। তাৰ হাতলৈ ধন আহিলে আন আন অসমীয়া ডেকাই এনেবোৰ কাম হাতত তুলি লব। এনেদৰে সৰু সৰু চিন্তাৰে দেশ এদিন প্ৰগতিৰ মুখলৈ যাবগৈ। মুঠতে সৰু বৰ কৰ্মৰ যোগেৰে পৰিয়াল আৰু দেশক আগুৱাই লৈ যাব পাৰে। হঠাৎ সি থকা গাওঁখনত হাহাকাৰ লাগি গল। তীব্ৰ প্ৰতিবাদ হল। গাওঁবাসীৰ সি নাক-কাণ কাটিলে। ধৰ্ম ভ্ৰষ্ট হল। সিহঁতক এঘৰীয়া কৰাৰ পৰিকল্পনা কৰা হল। সি আচৰিত হল। সি ধৰিব নোৱাৰিলে কত সি কি ভুল কৰিলে। গাওঁবাসীয়ে সকলো অন্যায়, ভ্ৰষ্টাচাৰ, দুৰ্নীতি দেখিও ধৃতৰাষ্ট্ৰ হৈ থাকে সেইখন গাওঁবাসী তাৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিছে। বহিৰাগতক মাটি বেচাসময়ত সিহঁত সদায় মৌন হৈ থাকে। বিহু, পূজা, বিয়া-সবাহৰ নামত উচ্চ স্বৰত সংগীত বজালেও তাহাতৰ আপত্তি নাথাকে। ধৰ্মীয় উৎসৱৰ সময়ত মাতাল যুৱক-যুৱতীক দেখিলে গাওঁবাসীৰ ধৰ্ম নষ্ট নহয়। আমাৰ লৰাই চাধা, গুটখা, চিগাৰেট মদ বেচিলে তাহাতৰ গাত নালাগে। প্ৰতিবাদ কৰি নোৱাৰে। এমুঠি ভাতৰ বাবে এক দৃষ্টান্তমূলক পথ লৈ বহিৰাগতৰ হাতৰ পৰা কাম কাঢ়ি আনিব খোজাটোৱে এচামৰ বাবে অপৰাধ হল। কিন্তু এনে এচাম মানুহেই দেশ তথা সমাজৰ নেতৃত্ব লয়। সিহঁত অদূৰদৰ্শী। সিহঁত ধৰ্মভীৰু। সিহঁত অন্ধবিশ্বাসী। সিহঁত কাপুৰুষ। এই চয়তান লোকসকল নিজকে কিছুমান দল, সংগঠন, সমাজৰ চিন মোহৰ লগাই হৈ পৰে সমাজৰ হৰ্তাকৰ্তা। এনেদৰে একাংশ কাণ্ডজ্ঞানহীন মানুহৰ হাতত ক্ষমতা থকাৰ বাবেই আজি সমাজৰ ভিন্ন দিশত স্খলন আৰম্ভ হৈছে।

ল'ৰাজনে এই প্ৰকৃতিৰ লোকসকলক ভালদৰে জানে। সি নতশিৰ নহ'ল। সিহঁতৰ ভয়, ভাবুকিত। আজি সি প্ৰতিষ্ঠিত। তাক দেখি দুই এজনকৈ আমাৰ ল'ৰাই আগবাঢ়ি আহিছে — এয়া জাতি, ভেটি, মাটিৰ বাবে শুভ লক্ষণ। কাম নকৰি জাতি, মাটি-ভেটি বুলি চিঞৰি থাকিলে, জাতি, মাটি-ভেটি ৰক্ষা কৰিব নোৱাৰি।

# শিশুৰ মানসিক বিকাশত সমাজৰ দায়বদ্ধতা

জ্যোতিষ্মান ভূঞা
ষষ্ঠ ষাম্মাসিক, বাণিজ্য শাখ



এটি নৱজাত শিশুক এপাহী সুগন্ধি ফুলৰ সৈতে ৰিজাব পাৰি। ফুলপাহৰ সুগন্ধি বিলাবলৈ যিদৰে গছজোপাক পৰ্যাপ্ত সাৰ পানীৰ প্ৰয়োজন হয়, ঠিক সেইদৰে এটা শিশুৰ পৰা এখন দেশৰ এটা জাতিৰ কল্যাণ আশা কৰিবলৈ হ'লে তাক উপযুক্তভাৱে গঢ় দিয়াৰ প্ৰয়োজন। এটি শিশুক প্ৰকৃত সামৰ্থ্য অনুসৰি প্ৰতিভা বিকশিত কৰিবলৈ হ'লে এখন ঘৰ আৰু এখন সমাজৰ কিছু কৰণীয় কাম বেছি। আজিৰ যুৱ প্ৰজন্ম উচ্ছৃংখল হোৱাৰ বাবে আমি জানো দায়ী নহয়? শিক্ষিতই হওঁক, পিতৃ-মাতৃ সকলে জীৱনৰ প্ৰতিটো ঘাত-প্ৰতিঘাত সংসাৰ কৰি বহুতো তিতা-মিঠা জ্ঞান অৰ্জন কৰে, লগতে লাভ কৰিব লগা হয় নিজৰ সন্তানৰ জীৱন গঢ়াৰ গুৰুত্বপূৰ্ণ দায়িত্ব আৰু কৰ্তব্য। সেয়ে প্ৰতিজন পিতৃ-মাতৃয়ে নিজৰ সন্তানক কি পথেৰে আগবঢ়ালে তেওঁলোকে প্ৰকৃত মানৱৰূপে সমাজত প্ৰতিষ্ঠিত হ'ব, সেই সম্পৰ্কে শিক্ষা দিয়াটো অতিকৈ প্ৰয়োজন।

জন্মতেই কোনো এটা শিশু উচ্ছৃংখল হৈ জন্ম গ্ৰহণ নকৰে। পৰিবৰ্তিত সমাজৰ কুটিল পাক চক্ৰত পৰিহে, তেওঁলোকে কু-কৰ্ম পথ বাছি লয়। সেয়েহে, এটা শিশুৱে কু-কৰ্ম পথত খোজ দিলে ঘৰখনকে প্ৰথমে দায়ী কৰিব লাগিব। একোখন ঘৰত পিতৃ-মাতৃয়ে যদি সকলো সময়তে হাই-কাজিয়া কৰা দৃশ্য তথা আনৰ সমালোচনা কৰা আদি কোমল মনৰ শিশুসকলে সদায় দেখিবলৈ পায়। তেন্তে তাৰ বিৰূপ প্ৰভাৱ তেওঁলোকৰ ওপৰত পৰে আৰু পিছত সেই সকল শিশুৱেও পিতৃ-মাতৃক অনুকৰন কৰি উচ্ছৃংখল জীৱন অতিবাহিত কৰিব লগীয়া হয়। যদিহে আমি শিশু বা কিশোৰ যি অৱস্থাতেই নহওঁক কিয়, তেওঁলোকৰ ভিতৰখন ভালদৰে জুমি চাওঁ। তেতিয়া দেখোঁ যে, তেওঁলোক বৰ নিষ্পাপ, মৰম আকলুৱা, এখিলা বগা কাগজৰ দৰে। মৰমেৰে দেওঁলোকৰ পৰা বহুখিনি আদায় কৰিব পাৰি। কিন্তু অজিকালি সততে দেখিবলৈ পোৱা যায়, এটা বা দুটা সন্তানৰ পিতৃ-মাতৃয়ে সন্তানৰ মৰমৰ তথা তেওঁলোকৰ মনৰ সন্তুষ্টিৰ বাবে যি বিচাৰে তাকেই দিবলৈ চেষ্টা কৰে। কিন্তু ইয়াৰ ফল যে কিমান বিষম আৰু ভয়াবহ সেই কথা এটা সময়ত উপলব্ধি কৰিলেও, তেতিয়া হয়তো সময় পাৰ হৈ যাব। তেতিয়া তেনে সন্তানৰ কৃতকৰ্মৰ বাবে সমাজে বহুখিনি কষ্ট ভোগ কৰিবলগীয়া হয়।

ইয়াৰ উপৰিও আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, অৰ্থ উপাৰ্জন কৰাটো কিমান কষ্টকৰ, সেই বিষয়ে সন্তানক সৰুৰে পৰা জ্ঞান দিয়াটো প্ৰতিজন পিতৃ-মাতৃৰ কৰ্তব্য। এই বিষয়ে যদি শিশু অৱস্থাতেই তেওঁলোকৰ মনত চিন্তাৰ সাঁচ বহুৱাব পৰা যায়, কেন্তে তেওঁলোক মিতব্যয়ী তথা আত্মনিৰ্ভৰশীল হবলৈ সক্ষম হ'ব।

আজিৰ শিশুসকলক ধ্বংসৰ কবলত পেলোৱাৰ প্ৰধান উপাদান সমূহ হৈছে মোৱাইল ফোন, কম্পিউটাৰৰ লগত সংযোগিত ইন্টাৰনেট, দূৰদৰ্শনত সততে দেখিবলৈ পোৱা কিছু বেয়া চিনেমা, চিৰিয়েল। এনেই সকলোবোৰ উপাদানৰ কিছু সংখ্যক উপকাৰিতা থাকক বা নাথাকক কিন্তু শিশুৰ বাবে অপকাৰিতা তাতকৈ দুগুণ বেছি।

আনহাতে কম্পিউটাৰৰ লগত সংযোজিত ইন্টাৰনেট অবিহনে এই পৃথিৱীখন স্থবিৰ। কিন্তু এই শব্দটোৰ আঁৰত শিশু এটিৰ বাবে কিমান ভয়াবহতা লুকাই আছে সেইবিষয়ে আমি অজ্ঞাত।

প্ৰতিজন পিতৃ-মাতৃ, বয়স্ক লোক আৰু সমাজৰ প্ৰতিজন দায়িত্ববান সদস্যই এতিয়াৰ এনেকুৱা নৱপ্ৰজন্মক অপকৰ্মৰ পৰা বিৰত ৰাখিবলৈ কি পন্থা হাতত লব লাগিব, সেই বিষয়ে চিন্তা কৰাৰ সময় সমাগত। সময় থাকোঁতেই যদি আমি এই বিষয়ে চিন্তা নকৰো তেন্তেহয়তো সমাজৰ প্ৰতিজন লোকে ইয়াৰ ফল ভোগ কৰিবলৈ সাজু থাকিব লাগিব।

# ৰাভাসকলৰ বায়খো উৎসৱ

বৰ্ণালী ৰাভা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বাণিজ্য শাখা

বিভিন্ন জনগোষ্ঠীৰে ভৰপূৰ বাৰেবৰণীয়া অসমখনত মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত ৰাভা সকলো অন্যতম। ভাৰতীয় সংবিধানৰ অনুসূচীত জনজাতি হিচাপে তালিকাভুক্ত হোৱা তিব্বত-বৰ্মীয়মূলৰ ভাষা-ভাষী ৰাভাসকল মধ্য আৰু নামনি জিলাকেইখনত আৰু মেঘালয়ৰ পূৱ আৰু পশ্চিম গাৰোপাহাৰ জিলাত কেন্দ্ৰীভূত হৈ আছে। তাৰোপৰি অসমৰ পাৰ্বত্য জিলা দুখনত, শিৱসাগৰ, লক্ষীমপুৰ, দৰং আৰু পশ্চিমবঙ্গৰ কোচবিহাৰ, জলপাইগুৰি অঞ্চলটো ৰাভাসকলে ছেগা-ছোৰোগাকৈ বসবাস কৰি আছে।

ৰাভাসকল ঘাইকৈ কৃষিজীৱি। অতীজৰে পৰা ৰাভাসকলে বিভিন্ন উৎসৱ, পূজা পালন কৰি আহিছে। ৰাভা জনজাতিৰ প্ৰধান উৎসৱ হৈছে 'বায়খো' বা 'খোকছি'। ৰাভাসকলে ব'হাগ বিহুৰ তাৎপৰ্যসম জেঠ মাহত 'বায়খো' উৎসৱ পালন কৰে। ৰাভাসকলৰ নতুন বছৰৰ প্ৰথম মাহটো জেঠ মাহ। আন বেলেগ জনজাতিৰ দৰে ৰাভা জনজাতিৰ ৰাভা বিহু নাই। অৱশ্যে বহাগ মাহৰ লগত সংগতি ৰাখি 'বিছুবা'ৰ কিছুমান পৰ্ব পালন কৰে। 'বায়খো' উৎসৱ হ'ল কৃষিৰ উৎসৱ, প্ৰেমৰ উৎসৱ আৰু জীৱনৰ উৎসৱ হিচাপে পালন কৰি আহিছে। জেঠ মাহৰ সকলো দিনতে উদ্‌যাপনৰ সময় যদিও জেঠৰ পূৰ্ণিমা দিনটোহে প্ৰধান বায়খো উৎসৱৰ দিন হিচাপে গণ্য কৰা হয়।

'বায়খো' হৈছে কৃষিৰ অধিষ্ঠাতী দেৱী। তেতিয়াৰ দিনত সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মানুহৰ মাজত কামৰ ভাগ কৰি দিয়া হৈছিল। তেতিয়াৰে পৰাই কৰ্ম অনুসৰি ৰাভাসকলৰ মাজত 'খেল' বা 'ফৈদ'ৰ সৃষ্টি হয়। ৰাভাসকলৰ মুঠ খেল বা ফৈদ ৮ টা —

১। মায়তৰীয়া ঃ মায় মানে ভাত, তৰি মানে ভগাই বা বিলাই দিয়া। পূজাত যিসকলক ভাত ৰন্ধা-বঢ়া, বিলোৱাৰ দায়িত্ব দিয়া হৈছিল তেওঁলোককেই মায়তৰীয়া বুলি কোৱা হৈছিল।

২। ৰংদানীয়া (ৰংদানি) ঃ ৰং মানে শিল দান মানে কঢ়িয়াই অনা। পূজাত থাপনা পাতিবলৈ আৰু বহিবলৈ শিলৰ প্ৰয়োজন হৈছিল। যি সকলে শিল কঢ়িয়াই আনিছিল তেওঁলোকেই ৰংদানীয়া নাম পাইছিল।

৩। দাহৰি ঃ দাহৰি হৈছে দীঘল বাঁহ। বায়খো পূজাৰ। উৎসৱ নিৰ্জন ঠাইত অনুষ্ঠিত কৰা হৈছিল। সেইকাৰণে পূজাখনিলৈ চৰাই-চিৰিকটি আহিছিল। এদল মানুহে দীঘল বাঁহ লৈ চৰাইবোৰ খেদিছিল। এই চৰাই খেদা দলটোৱেই নাম পাইছিল দাহৰি।

৪। চুঙা ঃ মদ আৰু পানী খাবলৈ বাঁহৰ চুঙাৰ প্ৰয়োজন হৈছিল। যি সকলক চুঙাৰ দায়িত্বত ৰখা হৈছিল তেওঁলোককেই চুঙা নামে অভিভূক্ত কৰা হৈছিল।

৫। পাতি ঃ পূজাত পূজাৰ ভোজ-ভাত খাবলৈ কলপাতৰ প্ৰয়োজন হৈছিল। যি সকলে পাতৰ ব্যৱস্থা কৰিছিল তেওঁলোককেই পাতি নাম প্ৰদান কৰা হৈছিল।

৬। কোচা (ছাংগা) ঃ বায়খো পূজা উদ্‌যাপন কৰোতে বিভিন্ন সামাজিক বা ভৌগোলিক কাৰণত এচামে পূজাত অংশ লোৱা নাছিলা তেওঁলোককেই কোচা বা ছাংগা বুলি আখ্যা দিয়া হৈছিল।

৭। টোটলা ঃ টোটলা মানে হ'ল গ'ল বা ডিঙি। পূজাত গাহৰি বলি দিবলৈ এটা দলক দায়িত্ব দিয়া হৈছিল। তেওঁলোকে ডিঙি বা টোটল কাটিছিল। সেয়েহে তেওঁলোকে টোটলা নাম পাইছিল।

৮। হানা ঃ এচামে আকৌ পূজা-শ্ৰাদ্ধাদিত গাহৰি হানি মাৰিছিল। হানি মৰা বাবে তেওঁলোকক হানা নামেৰে অভিভূক্ত কৰা হৈছিল।

লোক পৰম্পৰা বা কিম্বদন্তিৰ মতে এসময়ত এখন গাঁৱৰ গাঁওবাসীয়ে দেৱকংনাং নামে বিলত পুৰুষ মহিলা উভয়ে মাৰি আছিল। আজিও এই বিলখনত অস্তিত্ব আছে ৰাভা বসতি প্ৰধান গাঁও ফেডাদোবাৰ ওচৰত। মাছ ধৰা সমূহীয়া প্ৰথা; আজিও কিছু সংখ্যক গাঁৱত আছে। এদিনাখনৰ কথা দেৱকংনাং বিলত গাঁৱৰ ডেকা-বুঢ়া, গাভৰু-তিৰোতা সকলোৱে মাছ মাৰি আছিল। গাঁওবাসী মাছমৰীয়া সকলোৰে জাল-জাকৈত মাছ উঠিছে। কিন্তু দুগৰাকী ভাই-ভনী থ'পে আৰু নেছেৰ জালত এটা ধুনীয়া সোণবৰণীয়া শিল ধৰা দিছিল। জালৰ পৰা শিলছটা পানীত পেলাই দিয়া সত্ত্বেও বাৰে বাৰে শিলছটাহে সিহঁতৰ জালত উঠি আহে। দুয়ো খঙৰ ভমকত শিলছটা খালৈত ভৰাই উভতি আহিছিল। দুয়ো মনৰ বেজাৰত আমন-জিমনকৈ থকা দেখি ককাক আৰু আইতাকে সুধিছিল তোমালোকৰনো হৈছে কি ? তেতিয়া দুয়ো ভাই-ভনীয়ে বিলত মাছ মাৰিবলৈ গৈ মাছ নাপাই সেই শিলছটাকে খালৈত লৈ অহাৰ কথা বিৱৰি কৈছিল। বৃদ্ধ ককাকে শিলছটা দেখি কৈছিল — তোমালোকৰ

জালত উঠা শিলছটা দোখোন বৰ উজ্জ্বল। এই শিলছটাৰ পৰা দেখোন ইমান উজ্জ্বল ৰশ্মি ওলাইছে। ঠিক আছে শিলছটা ধানৰ ভৰাঁলত ভালকৈ থৈ দিয়া চোন। কথামতে শিলছটা ভৰাঁলত থৈ দিয়া হৈছিল। অৱশেষত ৰাতি থুপে আৰু নেছে দুয়ো সপোনত দেখিছিল যে এগৰাকী দেৱীয়ে সকীয়নি দিছিল... মই শিল নহয় লক্ষী দেৱীহে। তোমালোকে ভালদৰে পূজা কৰি ধানৰ ভঁৰালত থৈ দিবা। মোক ভালদৰে পূজা-অৰ্চনা কৰিলে তোমালোকৰ লগতে গাঁওবাসীৰো মংগল হব।

পিছদিনা থপে আৰু নেছে দুয়ো বই-ভনী ভৰাঁলত উঠি দেখিবলৈ পালে যে শিলছটা নাই। কেৱল তেজেৰে ভৰাঁল ভৰি আছে। তেতিয়া বৃদ্ধ ককাই অলৌকিক ৰহস্যৰ উমান পাই কৈছিল যে — আচলতে সেইটো শিল নাছিল। সেয়া আছিল লক্ষ্মীদেৱী। বৃদ্ধ ককাই শিলছটা বিছাৰি পাই বাহেঁৰে নিৰ্মিত খোবা নামৰ পাত্ৰত ভৰাই শিলছটা ভৰাঁলত ৰাখিবলৈ পৰামৰ্শ দিছিল। তেতিয়াৰ পৰা ধানৰ ভৰাঁলত ৰাভাসকলে এছটা শিল লক্ষ্মী জ্ঞান কৰি থৈ দিয়ে ৰাভা ভাষাত বায় মানে দৈৱ বা দেৱী। খোক মানে বাঁহ, বেতেৰে নিৰ্মিত এবিধ পাত্ৰ, চি মানে তেজ। বায়খোকচিৰ বা লক্ষ্মী দেৱী। অৱশেষত বায়খোকচিৰ পৰা বায়াখো হ'ল। তেতিয়া বৃদ্ধ ককাৰ পৰামৰ্শমতে বিভিন্ন আচাৰ-নীতিৰে বায়খোকাচি পূজা কৰাৰ পিছত থ'পে আৰু নেছেৰ পৰিয়াল তথা গাঁওবাসীৰ মংগল সাধন হৈছিল। সেয়ে আজিও ৰাভাসকলৰ মাজত কৃষি কৰ্মৰ প্ৰাক-মুহুৰ্ত্তত বায়খো দেৱীক পূজা কৰা পৰম্পৰা অব্যাহত আছে।

অসমৰ লোক-সংস্কৃতিৰ পথাৰত ৰাভাসকলৰ লোক-কৃষ্টিৰ পৰম্পৰা অতি চহকী। বায়খো উৎসৱত নৃত্য কৰা হয় জ্বলন্ত জুই শিখাৰ ওপৰত। এই নৃত্যক ৰাভাসকলে বাৰ নাককায় বোলে। কোনো কাৰণতে কোনো শিল্পীক জুইৰ শিখাই পুৰিব নোৱাৰে। যদিহে কোনোবা ডেকা ৰাভা পুৰোহিত বা শিল্পীয়ে বায়খো পূজাত নৃত্য কৰিব খোজে তেনেহলে যথাযথ নিয়ম নীতিবোৰ মানি চলিব লাগিব। এই বায়খো পূজা বা উৎসৱত গাবুৰটাং দৰায়টাঙে (ডেকা-গাভৰুৱে) প্ৰাণ-চঞ্চল মনৰ আৱেগেৰে 'ছাথা'ৰ নৃত্য-গীত পৰিৱেশন কৰে। যি ছাথাৰ নৃত্যগীতৰ মাজেদি প্ৰকাশ পায় পুৰুষ আৰু প্ৰকৃতিৰ আকুল আহ্বানত ধৰণী শস্য-শ্যমলা হৈ উঠাৰ কথা, বুকুৰ মাজত আকোৱাঁলি লব খোজা প্ৰেমিক -প্ৰেমিকাৰ আকলুৱা মনৰ কথা। 'ছামা'ৰ গীতত ল'ৰাই ছোৱালীক আৰু ছোৱালীয়ে ল'ৰাক উদ্দেশ্যি স্বতঃস্ফূৰ্তভাৱে গোৰা প্ৰনয়সূচক অতি মন পৰশা।

ডেকা-গাভৰুউভয়ে গায় ঃ বছৰ পিদান ৰিবিদং
বায়খো মনি কিয়া
নাঙি কাথা মনি কিদং ছালে,
আমে টেঙা জাংহাৰে আমে টেঙা
জাংহা-হুৰছয়-হুৰছয়।।

(অসমীয়া অনুবাদ ঃ নতুন বছৰ পৰিলে তোমালৈ মোৰ মনত পৰে, এতিয়া আৰু এখন্তেকো স্থিৰে থাকিব নোৱাৰে)

গাভৰুৱে গায় ঃ অ চেংৰা গাবুকায় আতো ইনা নামা
আং নাঙো নুকবাৰা ছালে
কানি দংকায় কাথাৰে - কানি দংকায় কথা

(অসমীয়া অনুবাদ ঃ এৰা ডেকা ল'ৰা তুমি কি কবা খুজিছা.... কোৱাচোন মই তোমাক পছন্দ কৰো, সঁচা কথা তুমি কোৱা, মোৰ প্ৰতি তোমাৰ মনৰ ভাব কি?)

ডেকাই গায় ঃ গ্ৰিমিনি ট্যো ময়না নাথোৰাঙে ক্ৰিঙা
অ গান্দা নাঙি থুৰাং ছালে
দেহা গুলাই ৰেঙা ৰে-দেহা গুলাই ৰেঙা।।

(অসমীয়া অনুবাদঃ আৰু নকবা বনৰ মইনা চৰাইৰ মাতৰ দৰে তোমাৰ মাত শুনিলে মোৰ দেহ মন পমি যায়।)



# ঐতিহ্যমণ্ডিত দীপৰ বিল ঃ এক চমু পৰ্যালোচনা

**জিলমিল ৰূপালী জোনাক**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

**দীপৰ বিলৰ অৱস্থিতি :** ভৌগোলিক দৃষ্টিকোনেৰে বিচাৰ কৰি আমি ক'ব পাৰো যে দীপৰ বিলৰ পূবে ভৰলু নৈ, পশ্চিমে কালমণি নৈ, উত্তৰে ব্ৰহ্মপুত্ৰ নদ আৰু দক্ষিনে ৰাণীৰ গড়ভাংগা সংৰক্ষিত বনাঞ্চলে আবৰি আছে।

**ইতিহাস :** ১৮৩১ চনত ঐতিহাসিক ৰাণী ৰাজ্যৰ পাহাৰৰ সমীপত বসবাস কৰা ডেভিদ স্ক'ট নামৰ ইংৰাজ বিষয়া এগৰাকীৰ ৰাজভৱনৰ দক্ষিণ দিশত অৱস্থিত তাহানিৰ 'দৈব্যঝিল' নামৰ বিলখনেই বৰ্তমান গুৱাহাটী মহানগৰীৰ দক্ষিন-পশ্চিম প্ৰান্তত অৱস্থিত ইতিহাস প্ৰসিদ্ধ দীপৰ বিল। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাত অতুলনীয় অৱদান আগবঢ়াই অহা দীপৰ বিলখনৰ সৰ্বমুঠ মাটিকালি ৪০ বৰ্গ কিল'মিটাৰ। বিলখনৰ ১০.১ বৰ্গ কিল'মিটাৰ এলেকা সম্প্ৰতি জলাশয়ৰ পৰিবেষ্ঠিত। জৈৱ বৈচিত্ৰ্য আৰু পাৰিপাৰ্শ্বিকতাৰ ওপৰত ভিত্তি কৰি কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত তথা পলাশবাৰী ৰাজহ চক্ৰ আৰু ৰামছাৰাণী মৌজাৰ অধীনস্থ দীপৰ বিলখনৰ চৰকাৰী অধিসূচনা এফ আৰ ডব্লিউ ১/৮৯/২৬ দিনাংক ১২/০১/১৯৮৯, ভাৰতীয় বন্যপ্ৰানী (প্ৰতিৰোধ) আইন, ১৯৭২ ৰ ১৯ নং শাখাৰ উপবিধি ২৬ ৰ অধীনত ৪.১৪ বৰ্গ কিল'মিটাৰ জুৰি এটা অংশক পক্ষী অভয়াৰন্য হিচাপে ঘোষনা কৰা হয়। পুৰণি কামৰূপৰ মানচিত্ৰ 'ব্ৰহ্মবিল' নামেৰে নামকৰণ কৰা দীপৰ বিলখনক ২০০৪ চনত 'বাৰ্ড লাইফ ইন্টাৰনেচেনেল' (Bird Life International) গুৰুত্বপূৰ্ণ পক্ষী আৱাস বুলি ইতিমধ্যে স্বীকৃতি প্ৰদান কৰিছে। তদুপৰি ইৰাণৰ ৰামচাৰ চহৰত অনুষ্ঠিত ৰামচাৰ সন্মিলনেও ১৯৭৯ চনত ঐতিহাসিক দীপৰ বিলখনক এখন আন্তঃৰাষ্ট্ৰীয় জলাশয় হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

**পৰিৱেশ সন্তুলন আৰু দীঘল বিল :** ইতিহাস প্ৰসিদ্ধ দীপৰবিলখন প্ৰকৃতিৰ অতুলনীয় অৱদান বুলি ক'লেও নিশ্চয় অত্যুক্তি কৰা নহ'ব। কিয়নো সমগ্ৰ গুৱাহাটীৰ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাত দীপৰ বিলখনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। মেঘালয়ৰ খাছী-জয়ন্তীয়া পাহাৰৰ পৰা নামি অহা বৰষুণৰ পানীভাগ আজাৰাৰ মাজেৰে বৈ যোৱা 'কালমণি' নৈৰে বৈ আহি দীপৰ বিলত পৰে। ইয়াৰ পিছত দীপৰ বিলৰ অতিৰিক্ত পানী ভাগ ঐতিহাসিক খানা নৈৰে বৈ গৈ ব্ৰহ্মপুত্ৰত পৰে।

দীপৰ বিলৰ মাছ বুলি ক'লে সোৱাদৰ তুলনা নাই। বিশ্বৰ বজাৰত ফেৰ মাৰিব পৰা যথেষ্ট সংখ্যক 'আলংকাৰিক মাছ' (Ornamental Fish) কে ধৰি কলমৌ, হেলেচী, মাখন্দা (মখনা), শিঙৰি তথা নিকৰিকে ধৰি আন যথেষ্ট সংখ্যক জলজ উদ্ভিদৰ সমাহাৰেৰে দীপৰ বিলখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। উল্লেখনীয় যে পানী কাউৰী, কনামুচৰী, দলপুঙা, ডাউক, তেলটুপী, চেনেকা চৰাই, লৰিয়লি, খন্তিয়া হাঁহ, গোধাকলী হাঁহ, গো -বগ, পানী বগ, চাকৈচকোৱা, কিকি হাঁহ, ঘিলা হাঁহ, কৈলাঙী, পাতাৰী হাঁহ আদিৰ লগতে প্ৰায় ৭০ বিধ 'পৰিভ্ৰমী চৰাই' (Migratory Birds) চিনাক্ত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা বিশিষ্ট জৈৱবিজ্ঞানী ড° পৰিমল ভট্টাচাৰ্যই এখন গুৰুত্বপূৰ্ণ তালিকা প্ৰস্তুত কৰিছিল। প্ৰতিবছৰে অক্টোবৰ মাহৰ শেষ ভাগৰ পৰা ফেব্ৰুৱাৰী মাহ পৰ্যন্ত ছাইবেৰিয়া, অষ্ট্ৰেলিয়া, কানাডা তথা নিউজিলেণ্ডৰ পৰা অহা এজাক পৰিভ্ৰমী চৰাইৰ মধুৰ কাকলিত সমগ্ৰ দীপৰ বিলখনে প্ৰাণ পাই উঠে।

**দীপৰ বিলৰ নান্দনিক শোভা ঃ** প্ৰকৃতিৰ অতুলনীয় অৱদান ঐতিহাসিক দীপৰ বিলৰ নান্দনিক সৌন্দৰ্যই সততে দৃষ্টি আকৰ্ষন কৰি আহিছে। প্ৰতি বছৰে জুলাই- আগষ্টৰ পৰা অক্টোবৰ-নৱেম্বৰ মাহ পৰ্যন্ত দীপৰৰ বুকু ওফন্দি থাকে। পানী মেটেকাৰ শ্যামলিমা শোভাত বিমুগ্ধ হৈ পৰে প্ৰতিজন। পৰিভ্ৰমী চৰাইৰ জলকেলিয়ে দীপৰ বিলখনক এক অপূৰ্ব মাত্ৰা প্ৰদান কৰি আহিছে। ৰাণীৰ গড়ভাংগা সংৰক্ষিত বনাঞ্চল আৰু মেঘালয় খাছী-জয়ন্তীয়া পাহাৰৰ পৰা খাদ্যৰ সন্ধানত দীপৰ বিললৈ নামি অহা বন্যহস্তীৰ জাকে বিলখনত কৰা জলকেলিৰ দৃশ্যই আকৰ্ষিত কৰি আহিছে দেশী-বিদেশী পৰ্যটক তথা প্ৰকৃতিপ্ৰেমী সকলক। ইপিনে শীতকাল আৰম্ভ হোৱাৰ লগে লগে দেশী-বিদেশী পৰিভ্ৰমী চৰাইৰ কলৰৱেৰে মুখৰিত হৈ পৰা দীপৰ বিলখনৰ নান্দনিক সৌন্দৰ্য উপভোগ কৰিবলৈ প্ৰতিবছৰে দীপৰ বিলৰ পাৰলৈ পুৱাৰ পৰা সন্ধিয়া পৰ্যন্ত অগনন দেশী-বিদেশী পৰ্যটক তথা প্ৰকৃতিপ্ৰেমীৰ সমাগম ঘটে। উল্লেখনীয় যে দীপৰ বিলৰ অফুৰন্ত সৌন্দৰ্য্য তথা বন্যহস্তীৰ জলকেলি আৰু পৰিভ্ৰমী চৰাইৰ মুক্ত বিচৰণৰ দৃশ্য উপভোগ কৰাৰ সহায়ত হোৱাকৈ ৰাজ্যৰ বন বিভাগে দীপৰ বিলৰ পাৰত এটি 'পৰ্যবেক্ষণ স্তম্ভ' (View Tower) নিৰ্মাণ কৰিছে।

**আৰ্থ সামাজিক দিশত দীপৰ বিলৰ প্ৰভাৱ :** ঐতিহ্যমণ্ডিত দীপৰ বিলখনৰ চৌদিশে আছে কেবাখনো ৰাজহ গাওঁ। উল্লেখনীয় যে দীপৰ বিলৰ দাঁতি কাষৰীয়া বৃহত্তৰ আজাৰৰ কেওটপাৰা, হীৰাপাৰা, হাটুৰাপাৰা, হাটখোৱাপাৰা, নোৱাপাৰা, মাটিয়া, চকৰ্দো আদি অঞ্চলৰ প্ৰায় ৮২৬ টা অনুসূচীত জাতিৰ পৰিয়াল পুৰাতন কালৰে পৰাই বিলখনত মাছমাৰি জীৱিকা নিৰ্বাহ কৰি পৰিয়াল ভৰণ-পোষণ দি অহাৰ লগতে তেওঁলোকৰ সন্তানক শিক্ষাগ্ৰহণৰ সুবিধা কৰি দিছে। ইপিনে আন একাংশ স্থানীয় লোকে মাছৰ পৰিৱৰ্তে বিলখনৰ পৰা কলমৌ, হেলেচী, মাখন্দা, শিঙৰি, নিকৰি কাটি আৰু কেঁকোৰা তুলি স্থানীয় হাট-বজাৰত বিক্ৰী কৰিও জীৱিকা নিৰ্বাহ কৰি আহিছে। আনহাতে খৰালিৰ সময়ছোৱাত বিলখনৰ পানীভাগ পৰ্যাপ্ত পৰিমানে শুকাই যোৱাৰ লগে লগে বিলখনৰ স্থলভাগ খেতি-বাতিৰ বাবে উপযোগী হৈ উঠে। দীপৰ বিলৰ সাৰুৱা স্থলভাগত ধাৰাপুৰ আজাৰা-খানামুখ-চকৰ্দো আদি অঞ্চলৰ খেতিয়কে ৰবি শস্যৰ উপৰি ধানখেতি কৰিও জীৱন নিৰ্বাহ কৰি আহিছে। প্ৰকৃতিৰ অতুলনীয় অৱদান দীপৰ বিলৰ নান্দনিক সৌন্দৰ্য উপভোগ কৰিবলৈ প্ৰতিনিয়ত অগনন লোকৰ সমাগম ঘটে। তেনেস্থলত গড়চুক-ৰাণীৰাস্তা সংযোগী ভি ভি আই পি পথছোৱাৰ দাঁতিত তথা দীপৰ বিলৰ পৰ্যবেক্ষন স্তম্ভৰ সন্মুখভাগত যথেষ্ট সংখ্যক স্থানীয় লোকৰ দোকান-পোহাৰ গঢ় লৈ উঠিছে। তদুপৰি উক্ত অঞ্চল বিশেষত প্ৰতিদিনে পুৱা এখন মাছৰ বজাৰো বহে। য'ত দীপৰ বিলৰ সুস্বাদু মাছ অতি সহজতে উপলব্ধ হয়।

**মাছমৰা উৎসৱ ঃ** ঐতিহ্যমণ্ডিত দীপৰ বিলখনক কেন্দ্ৰ কৰি প্ৰতিবছৰে ভোগালী বিহুৰ আগৰ দেওবাৰটোত অতীজৰে পৰা বিলখনৰ দাঁতি কাষৰীয়া মাছমৰীয়া পৰিয়াল সমূহে 'সমূহীয়া মাছমৰা উৎসৱ' পালন কৰি আহিছে। দীপৰ বিলৰ মাছ খাবলৈ প্ৰত্যেকৰে এটা হেঁপাহ থাকে। তেনেক্ষেত্ৰত পছন্দৰ মাছ বিচাৰি উক্ত দিনা বিলখনৰ পাৰত অগনন মানুহৰ সমাগম হয়। ৰৌ, বৰালি, ভকুঁৱা, মিৰিকা, বাহু আদি বিবিধ তৰহৰ সুস্বাদু আৰু সতেজ মাছেৰে উভৈনদী হৈ পৰে দীপৰ বিলৰ পাৰ।

**দীপৰ বিলৰ পৰিস্থিতিতন্ত্ৰৰ প্ৰতি ভাবুকি** : ঐতিহাসিক দীপৰ বিলখনৰ পৰিস্থিতিতন্ত্ৰৰ প্ৰতি সম্প্ৰতি এক অশনি সংকেত গঢ় লৈ উঠিছে। ইয়াৰ প্ৰধানতম কাৰণ হৈছে দীপৰ বিলৰ মাজেৰে যোৱা ৰেল পথটো। বিগত ১৯৯১-৯২ চনত উত্তৰ-পূৰ সীমান্ত ৰেলৱেই দীপৰ বিলৰ মাজেৰে কামাখ্যা যোগীঘোপা সংযোগী ৰেলপথটো নিৰ্মান কৰি বিলখনৰ পৰিসৰ সংকুচিত কৰি পেলায়। এই ৰেলপথটোৱে দীপৰ বিলখনক ৰাণী সংৰক্ষিত বনাঞ্চলৰ সেউজ ভূমিৰ পৰা বিচ্ছিন্ন কৰি দিয়ে। ২৪ ঘন্টা তীব্ৰ বেগত চলাচল কৰা ৰেলৰ উকিত পৰিভ্ৰমী চৰাইৰ জলকেলিত প্ৰত্যাহ্বানৰ সৃষ্টি কৰি অহাৰ সমান্তৰালকৈ খাছী-জয়ন্তীয়া পাহাৰৰ পৰা খাদ্যৰ সন্ধানত নামি অহা বন্যহস্তীৰ জাকে দীপৰ বিললৈ জলকেলি কৰিবলৈ যোৱাত এক প্ৰত্যাহ্বান হিচাপে থিয় দি আহিছে। তীব্ৰ বেগী ৰেলৰ খুন্দাত প্ৰতিদিনে কেতবোৰ জীৱজন্তুৰ মৃত্যু হৈ থকাৰ সমান্তৰালকৈ নিশাৰ ভাগত ইতিমধ্যে কেবাটাও বন্যহস্তী ৰেলৰ খুন্দাত পতিত হৈ মৃত্যুক আকোৱালি লৈছে।

ইপিনে দীপৰ বিলৰ পাৰেৰে বৃহৎ-বৃহৎ খুঁটা বহুৱাই উচ্চক্ষমতা সম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰৰ ব্যৱস্থা কৰাত দেশী-বিদেশী পৰিভ্ৰমী চৰাইৰ ক্ষেত্ৰত এক বিপজ্জনক দিশ হিচাপে চিহ্নিত হৈছে।

একাংশ দুষ্কৃতিকাৰীয়ে পৰিভ্ৰমী চৰাই অতি গোপন চিকাৰ কৰা কাৰ্যই বিলৰ পৰিস্থিতিতন্ত্ৰৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে।

**ভয়াবহ প্ৰদূষণৰ কলবত দীপৰ বিল :** ভয়াবহ প্ৰদূষণে দীপৰ বিলৰ পৰিস্থিতিতন্ত্ৰত এক মোক্ষম আঘাত হানিছে। দীপৰ বিলৰ ভয়াবহ পানী প্ৰদূষণৰ বাবে বিলখনৰ মাছ-কাছকে ধৰি জলজ উদ্ভিদৰ পৰিমাণো কমি আহিছে। বিলখনৰ পানীভাগ প্ৰদূষিত হোৱাৰ কাৰণ এনেধৰণৰ-

গুৱাহাটী মহানগৰীৰ বৰ্জিত পানীভাগ মৰা ভৰলু আৰু বশিষ্ঠ নদীয়েদি দীপৰ বিললৈ বোৱাই নিয়াৰ ফলত দীপৰ বিলৰ পানীৰ প্ৰদূষণৰ মাত্ৰা চৰিছে। যাৰ ফলত পৰিভ্ৰমী চৰাইৰ আগমন পূৰ্বৰ তুলনাত হ্ৰাস পোৱাৰ উপৰি জলজ উদ্ভিদ আৰু বিভিন্ন প্ৰজাতিৰ মাছ-কাছৰ পৰিমান কমি গৈছে।

গুৱাহাটী পৌৰ নিগমে দীপৰ বিলৰ পাৰৰ গড়চুকত ২০০৯ চনৰ পৰা 'ডাম্পিং গ্ৰাউণ্ড' (Dumping Ground)হিচাপে ব্যৱহাৰ কৰি আহিছে। গুৱাহাটী মহানগৰীৰ পৰা প্ৰতিদিনে নিষ্কাশন হোৱা লেতেৰা আৱৰ্জনাবোৰ ডাম্পিং গ্ৰাউণ্ডত পেলাই থকাৰ ফলত বিলখনৰ পৰিসৰ সংকুচিত হৈ পৰাৰ লগতে পানীভাগ প্ৰদূষিত হৈ পৰিছে।

দীপৰ বিলৰ চৌপাশে গঢ়ি উঠা বিভিন্ন কল-কাৰখানা আৰু উদ্যোগ প্ৰতিষ্ঠানৰ পৰা নিৰ্গত ক'লা ধোঁৱা বিলখনৰ বাবে অন্য এক ত্ৰাসৰ কাৰণ হৈ পৰিছে। ক'লা ধোঁৱাৰ ডাঠ চামনি পৰিও বিলখনৰ পানী ভাগ প্ৰদূষিত হৈ পৰিছে।

**উপসংহাৰ :** আন্তৰ্জাতিক জলাশয়ৰ মানচিত্ৰ স্থান পোৱা পক্ষী অভয়াৰণ্য দীপৰ বিলখন অসমীয়া জাতিৰ অন্য এক স্বভিমান। প্ৰাকৃতিক ভাৱে সৃষ্ট দীপৰ বিলখনকলৈ আমি গৌৰৱ কৰা উচিত। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাত অতুলনীয় অৱদান আগবঢ়াই অহা দীপৰ বিলখন সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষৰ যিদৰে দায়িত্ব আছে ঠিক তেনেদৰে আমিও দীপৰ বিলখনৰ উন্নয়নৰ হ'কে ইতিবাচক চিন্তা কৰিব লাগে।

# বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত সমাজ পৰিৱৰ্তনৰ ধাৰা

**ৰঞ্জিত দাস**
কলা শাখা, পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান



মধ্যযুগৰ অসমত এক স্বৰ্ণযুগ সৃষ্টিকাৰী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱকে আদি কৰি বহুকেইজন বৰেণ্য ব্যক্তিৰ পিছৰ কালছোৱাত যি সকল ব্যক্তিয়ে অসমৰ সমাজ জীৱনৰ গভীৰ প্ৰভাৱ বিস্তাৰ কৰি জাতিটোক শক্তিশালী কৰি ৰাখিছে, সেইসকলৰ ভিতৰত এজন চিৰ নমস্য ব্যক্তি হ'ল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা। তেওঁ নিজকৰ্মৰাজিৰ জৰিয়তে নিজকে ন-অসমৰ নৱজাগৰণৰ এজন সৃষ্টিশীল খনিকৰ ৰূপে প্ৰতিষ্টা কৰি থৈ গৈছে। অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতি, গীত-মাত নৃত্য-অভিনয় সকলো ক্ষেত্ৰতে ৰাভা দেৱৰ অৱদান অনস্বীকাৰ্য্য তাত কোনো সন্দেহ নাই। তেওঁ জাতিভেদ উচ্চ-নীচ ভেদে এখন বৃহত্তৰ অসমীয়া সমাজ গঠনৰ বাবে আজীৱন অক্লান্তভাৱে পৰিশ্ৰম কৰিছিল। তেওঁ বিশ্বাস কৰিছিল সাহিত্য-সংস্কৃতি হ'ল এটা জাতিৰ মেৰুদণ্ড স্বৰূপ, যাৰ অবিহনে এটা জাতিৰ অস্তিত্ব বিপদাপন্ন। সেয়েহে তেওঁ অসমীয়া কৃষ্টি-সংস্কৃতিৰ উন্নয়নৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। এগৰাকী প্ৰকৃত শিল্পী, সুন্দৰৰ পূজাৰী, জনসেৱক হিচাপে ৰাভাদেৱে সৰ্বসাধাৰণক কলা-সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰি প্ৰতিজন নাগৰিককে তেওঁ সাংস্কৃতিৱান কৰি তুলিব বিচাৰিছিল।

অসমীয়া সংগীত জগতলৈ ৰাভা দেৱৰ অৱদান অসমীয়া ৰাইজে কেতিয়াও পাহৰিব নোৱাৰে। তেওঁ শংকৰদেৱৰ সৌৰ্য-বীৰ্যত মুগ্ধ হৈ অসমীয়া ডেকাক আহ্বান কৰিছিল — 'কীৰ্তন দশম নামঘোষা / হওঁক আমাৰ সৌৰ্য / নাট গীত নাম বৰগীত / হওঁক ৰণৰ তুৰ্য / আহিঁ তেওঁৰ এই অসমৰ / হওঁক অসীম বীৰ্য অসমীয়া সমনীয়া আগবাঢ়ি যাওঁ বল...'

সমাজৰ পৰিৱৰ্তন কামনা কৰা বিষ্ণুৰাভাই অসমৰ ঐতিহ্য তথা অতীতৰ সৌৰ্য-বীৰ্যৰ লুপ্তপ্ৰায় অৱস্থা দেখি অসমীয়া ডেকাক প্ৰশ্ন কৰিছে — 'অ অসমীয়া ডেকা দল / আজি তোৰতেজাল বদন মলিন কিয় হ'ল?' সমাজ তথা দেশৰ পৰিৱৰ্তনৰ বাবে ৰাভাই কামনা কৰিছিল এটা প্ৰচণ্ড বিপ্লৱৰ। গীতৰ দ্বাৰাই তেওঁ আহ্বান জনাইছিল সকলোকে এই বিপ্লৱলৈ। 'মুক্তিৰ দেউলত তেওঁ সেইবাবে প্ৰকাশ কৰিছিল — উঠ জাগি উঠ উপবাসী / অন্ন ভূমিহীন দল /বুকু পেট-জ্বলা চিৰ দুখি / শেষ যুদ্ধলৈ হেৰ' ব'ল।' বিপ্লৱৰ অধিনায়কলৈ তেওঁ আহ্বান জানাইছে— 'হে বিপ্লৱী বীৰ অধিনায়ক হে। দিয়া অগ্নি বাণী বিপ্লৱৰ / ভাঙা বন্দীশাল কৌটিকালৰ / মুক্তি হওঁক নিৰ্যাতিতৰ।'

বিষ্ণু ৰাভাই বিপ্লৱী গীতসমূহ কোনোবা মঞ্চৰ বাবে লিখা নাছিল। লিখিছিল সমাজৰ গাঁৱৰ বাবে। জনগনক বিপ্লৱৰ প্ৰতি সচেতন কৰি তুলিবৰ বাবেহে। সাধাৰণ কৃষক বনুৱা সকলক আগুৱাই যাবৰ তেওঁ আহ্বান জনাইছিল- ব'ল ব'ল ব'ল / কৃষক শক্তি দল / অ'বনুৱা সমনীয়া / আগবাঢ়ি যাওঁ বল।'

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ ব্ৰিটিছৰ শাসনৰ পৰা স্বাধীন হৈছিল যদিও বিষ্ণু ৰাভাই চিঞৰি উঠিছিল — 'ইয়ে আজাদী ঝুঠা হ্যায়' বুলি। শাসক সলনি হ'লেও সমাজত যে শোষণ থাকিয়েই গ'ল সেয়া ৰাভাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। স্বাধীনতাই কেৱল ধনী শ্ৰেণীক

দুখিয়াৰ শোষণৰ বাটটো অধিক প্ৰশস্তহে কৰিলে সেই কথা তেওঁ বুজি পাইছিল। সেইবাবে তেওঁ 'ন পৃথিৱীৰ নতুন যুগ' নামৰ নৃত্য-গীতমূলক নাটকৰ গীত লিখিছে— 'সউ ধনৰে খকুৱা / জননীৰে তেজপিয়া ...

দুখিয়াৰ তেজৰ তেলেৰে যে ধনীসকলে চাকি জ্বলাই সেই কথাও তেওঁ প্ৰকাশ কৰিছে— 'গৰীব হিয়াৰ অলেখ প্ৰদীপ জ্বালি/ কৌটি দুখিয়াৰ তপত ৰুধিৰ ঢালি। পাতে ধনীয়ে দীপালী।'

সেইবাবে ৰাভাই দুখিয়াৰ কলিজাৰ টুপি টুপি তেজ শুহি পিয়া আৰু ৰুকি ৰুকি মঙহ চোৰাই খোৱা ধনী মহাজনক হুঁচিয়াৰ কৰি দিছিল গীতৰ মাজেদি — 'দুখিয়াৰ কলিজা নিঙাৰি লৰ / টুপি টুপি তেজ শুহি পিয় / ৰুকি ৰুকি মঙহ চোবাই খাৰ। .../ হুঁচিয়াৰ হুঁচিয়াৰ / ধনী মহাজন হুঁচিয়াৰ।'

এনে এক মহান বিপ্লৱৰ দ্বাৰা সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ঘূৰাই অনাৰ কল্পনা কৰা ৰাভাই কামনা কৰিছিল এখন সুখৰ পঞ্চায়ত ৰাজ— ৰাইজেই ৰজা মোৰ / প্ৰজায়েই ৰজা মোৰ / সুখেৰে পঞ্চায়ত ৰাজ / সাজ মুক্তি সেনা সাজ/হওঁ সমদল আজি বাজ / সুখেৰে পঞ্চায়ত ৰাজ।'

কেৱল সংগীত জগতখনকেই নহয় এজন অভিনেতা ৰাভাই 'তেজপুৰৰ বান ৰঙ্গমঞ্চ'ত নিয়মীয়াকৈ অভিনয় কৰিছিল। তেওঁ 'যাত্ৰা' পাৰ্টিত অভিনয় কৰাৰ উপৰি অসমীয়া বোলছবি 'এৰা বাটৰ সুৰ; 'প্ৰতিধ্বনি' আদিত অভিনয় কৰিছিল। জ্যোতি প্ৰসাদ আগৰৱালাৰ 'জয়মতী' বোলছবিৰ নৃত্য পৰিচালনা কৰিছিল। 'হিন্দু বিশ্ববিদ্যালয়ত' প্ৰদৰ্শন কৰা 'নাটৰাজ নৃত্যত বিমুগ্ধ হৈ আৰু তেখেতৰ সাংস্কৃতিক বৰঙনিলৈ সন্মান জনাই সেই সময়ৰ 'হিন্দু বিশ্ববিদ্যালয়' উপাচাৰ্য্য 'ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে' তেখেতক ১৯৩৯ চনত 'কলাগুৰু' উপাধি প্ৰদান কৰিছিল আৰু তেতিয়াৰপৰা বিষ্ণু প্ৰসাদ ৰাভাক 'কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা' বুলি জনা যায়।

এহজন বিপ্লৱী শিল্পীয়ে স্বাধীনতাৰ কালছোৱা জেল যাব লগা হৈছিল। ভাৰত স্বাধীনতা আন্দোলনৰ প্ৰভাৱ ৰাভাৰ ওপৰতো পৰিছিল। তেওঁ গল্প, উপন্যাস, প্ৰৱন্ধ পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভৰাঁল চহকী কৰি থৈ গৈছে। তেওঁ 'মিচিং কনেং' নামৰ এখন উপন্যাস ৰচনা কৰাৰ উপৰিও 'সোণপাহী', মামীৰ হাৰ', ''কুৰি বছৰ জেল; 'জাল কেছ; 'হিয়াৰ পুং', 'ফুংকা', (বড়ো ভাষাত ৰচিত) কেইবাটাও গল্প 'গেঙনি ৰেঙনি' নামৰ নাটক 'অসমীয়া কৃষ্টিৰ চমু আভাস; 'অতীত অসম; মুক্তি দেউল আদিৰ দৰে প্ৰৱন্ধ লিখি অসমীয়া সাহিত্যৰ জগতখন জিলিকাই থৈ গৈছে।

জীৱনৰ শেষৰফালে ৰাভাদেৱে তেওঁৰ মৃত্যুৰ কথা অনুভৱ কৰিয়েই হয়তো লিখিছিল 'এয়ে মোৰ শেষ গান, মোৰ জীৱন নাটৰ শেষ ৰাগিনী, কল্যান খৰমান...',

সেয়াই যেন শেষ গান আছিল তেওঁৰ বাবে। পাকস্থলীত হোৱা কৰ্কট ৰোগত ভুগি এইজনা অসমীয়া সংস্কৃতিৰ সাধক অসমীয়া সংস্কৃতিৰ পূজাৰী ৰাভাদেৱৰ ১৯৬৯ চনৰ ২০ জুন তাৰিখে ৰাতি ২.২৫ বজাত তেজপুৰত মৃত্যুক সাৱতি লব লগা হয়।

বিষ্ণু ৰাভা আমাৰ মাজৰ পৰা আঁতৰি যোৱা বহু দিন হৈ গ'ল, কিন্তু ৰাভা আঁতৰি গ'লেও আমাৰ মাজত থাকি গ'ল তেওঁৰ আদৰ্শৰাজি। ৰাভাৰ আদৰ্শত এখন শ্ৰেণীহীন আৰু শোষণমুক্ত সমাজ গঢ়ি তোলাটো সাম্প্ৰতিক কালত যদিও এক অলীক কল্পনাহে মাথোন ।

# মহৎ লোকৰ বাণী

(১) ৰাতি যিমানেই গভীৰ হব, প্ৰভাত সিমান উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা আন্ধাৰে আবৰি ধৰিলেও ভয় নকৰিবা, প্ৰভাত হ'বই।
— জ্যেতিপ্ৰসাদ আগৰৱালা।

(২) মানস জগতত ভাল কিতাপৰ অক্ষয় আয়ু। একেখন কিতাপকে বেলেগ বেলেগ সময়ত বেলেগে বেলেগ কাৰণত ভাল লাগে। অৰ্থও বেলেগ হয়। সেয়ে সজতনে কিতাপ সংৰক্ষণ কৰাও সভ্যতাৰ লক্ষণ। — হীৰেন গোঁহাই।

(৩) অহংকাৰী লোক কুকুৰাৰ দৰে, যিটো কুকুৰায় ভাৱে যে সি ডাক দিয়াৰ কাৰণেই ৰাতিপুৱাল। — জৰ্জ ইলিয়ট

(৪) প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেবল জ্ঞান আৰু সত্য। সত্য আৱিস্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু। — চাৰ জগদীশ চন্দ্ৰ বসু।

# শ্ৰমজীৱী জনগণৰ মহান নেতা
# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

**জ্যোতির্ময় দাস**
বাণিজ্য শাখা, ষষ্ঠ ষান্মাসিক

দয়া মায়া নকৰিবি ক্ষমাৰ দিন যে গ'ল
হাল কোৰ দা হাতুৰী লৈ ৰণলৈ যাওঁ ব'ল
তই খুৱাৰ বিশ্ববাসীক মাটি ফালি ধান
তই যোগাৰ ধনীক শ্ৰেণীক অস্ত্ৰ শক্তিমান
কাৰখানা কল তোৰেই সৃজন পথাৰ সুবহল
নাঙল কাঁচি হাতুৰী দাৰ যাদুকৰী বল
জগত জোৰা শকতি যাৰ সেই শকতিৰ দল
ৰঙা তেজৰ নিচানটি লৈ আগবাঢ়ি যাওঁ ব'ল

বিষ্ণু প্ৰসাদ ৰাভা আছিল জনতাৰ প্ৰেমিক। জনতাৰ শিল্পী। ৰাইজৰ কলিজাৰ এডুখুৰি আৰু হিয়াৰ আমঠু। ধনীৰ দুলাল হৈও দৰিদ্ৰ নাৰায়ণৰ এজন হৈ সাংস্কৃতিক মন এটি লৈ আজীৱন গাঁৱে গাঁৱে, পাহাৰে-ভৈয়ামে ট'লৌ ট'লৌ কৰি ৰ'দ- বৰষুণে লাঘোনে-ভোকে ঘূৰি ফুৰিছিল। তেওঁ দ্বৈত জীৱন যাপন কৰিছিল, শিল্পী আৰু বিপ্লৱী। যোল্লটা ভাষাৰ মাধ্যমেৰে বিভিন্ন ভাষা - ভাষীৰ লোকৰ মাজত সমন্বয় গঢ়ি তুলি অসমীয়া কৃষ্টিৰ নামৰ প্ৰসাদ বিতৰণ কৰি ফুৰিছিল। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা অসমৰ সমাজ জীৱনৰ এক অনন্য প্ৰতিভা। অসমৰ সংস্কৃতিৰ ভঁৰাল চহকী কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অন্যতম। অসমৰ কৃষ্টি-সংস্কৃতিক প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰা ব্যক্তি গৰাকীয়ে আছিল বিষ্ণুপ্ৰসাদ ৰাভা। ৰাজনীতিবিদ, বিপ্লৱী সত্তাৰে ভৰপূৰ বিষ্ণু প্ৰসাদ ৰাভা আছিল মনোৰঞ্জনৰ দিশৰ পৰাও অনন্য। তেওঁৰ ৰচিত সংগীতৰ দ্বাৰাই জাতিৰ সত্তা ঘূৰাই অনাৰ চেষ্টা কৰিছিল। উল্লেখ্য যে, বিষ্ণুপ্ৰসাদ ৰাভাই নিজে বাণীবদ্ধ কৰা মুঠ ৩০ টা গীতৰ সন্ভেদ পোৱা গৈছে। তাৰে ২০ টা গীত পোনপ্ৰথমে গীতিকাৰৰ কণ্ঠৰ ৰেকৰ্ডৰ পৰা সংগ্ৰহ কৰা হৈছে। বিষ্ণু প্ৰসাদ ৰাভাৰ গীত, বাদ্য, নৃত্যৰ বাবে শিক্ষক হিচাপে নিয়োগ কৰা হৈছিল ক্ৰমে বংগৰ বিখ্যাত সংগীতজ্ঞ ওস্তাদ মোতী মিঞা, কালচাঁদ আৰু গহৰজানবিবিক। গতিকে শেষলৈ বিষ্ণুপ্ৰসাদ এজন "এন্টাৰটেইনাৰ" ৰূপেও গঢ় লৈ উঠিছিল। অসমীয়া সাহিত্য সংস্কৃতিৰ উন্নতিৰ হকে যি কেইজন বৰেণ্য ব্যক্তিয়ে তেওঁলোকৰ অহোপুৰুষাৰ্থৰে অৱদান ৰাখি থৈ গ'ল, সেইসকলৰ ভিতৰত বিষ্ণু প্ৰসাদ ৰাভাৰ নাম সোণালী আখৰেৰে চিৰদিনৰ বাবে প্ৰতিজন অসমীয়াৰ হৃদয়ত চিৰস্মৰনীয় হৈ ৰ'ব। কিয়নো তেওঁ আছিল অসমীয়া জাতীয় সংস্কৃতি ত্ৰানকৰ্তা স্বৰূপ আৰু অসমীয়া সংস্কৃতিৰ পূজাৰী। অসমীয়া সংগীত জগতলৈ বিষ্ণু ৰাভাৰ অৱদান অসমবাসী ৰাইজে কেতিয়াও পাহৰিব নোৱাৰিব কিয়নো তেওঁৰ প্ৰতিটো গীতে শ্ৰোতাৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ দ্বাৰা ৰচিত প্ৰতিটো গীততে প্ৰাণ পাই উঠিছিল অসমীয়া সমাজৰ সামাজিক ভাৱধাৰা, জাতীয় চেতনাবোধ, তেওঁৰ কিছুমান গীতত অসমৰ প্ৰাকৃতিক পৰিবেশ ফুটি উঠা দেখা গৈছে "বিলতে হালিছে ধূনীয়া পদুমী ফুলনিত ফুলিছে ফুল ...", "টিলাই টিলাই ঘুৰি ফুৰে উলাহৰে...", আদি। ইয়াৰ উপৰিও "মোৰ কবিতাৰ ছন্দ লাগি স্পদন তোৰ জাগেনে...", "আজি মন্দিৰৰ দুৱাৰ খোলা...", "বিশ্বৰ ছন্দে ছন্দে মহানন্দে...", "পৰজনমৰ শুভলগনত" আদিৰ দৰে কালজয়ী গীত ৰচনা কৰি অসমীয়া সংগীতৰ জগতখনক এঢাপ আগুৱাই নিছিল। তেওঁৰ গীত আৰু কবিতা সমূহত সেই সময়ৰ স্বাধীনতা আন্দোলনৰ বিপ্লৱী ভাৱধাৰা জিলিকি উঠিছিল। স্বাধীনতা আন্দোলনৰ সময়ত ৰচিত গীত সমুহে অসমীয়া জনসাধাৰণৰ মনত দেশপ্ৰেমৰ ভাৱ জাগি উঠিছিল। এই গীত সমুহৰ ভিতৰত "অসমীয়া ডেকাদল...", "আই মোৰ ভাৰতী জননী...", আদি উল্লেখযোগ্য। ইয়াৰ উপৰিও স্বাধীনতা আন্দোলনৰ সময়ত ৰচিত "আমি বিপ্লৱী পথৰে যাত্ৰী" কবিতাটিত বিপ্লৱৰ ভাৱধাৰা প্ৰকটমান। স্বাধীনতা আন্দেলনৰ বতাহ ছাটিয়ে বিষ্ণু ৰাভাকো কোবাইছিল সেয়ে তেওঁৰ কলমৰ কাপৰ পৰা নিগৰি ওলাইছিল বিপ্লৱী গান আৰু বিপ্লৱী কবিতা। অসমীয়া সংগীত জগতলৈ আগবঢ়োৱা অমূল্য অৱদানৰ বাবে তেওঁৰ সংগীত সমূহক "ৰাভা সংগীত" হিচাপে ঘোষণা কৰা হৈছে। অসমীয়া সংগীতৰ জগতত "ৰাভা সংগীত" সমূহ যুগে যুগে কালজয়ী হৈ থাকিব অসমবাসীৰ হাতত।

অসমীয়া জাতীয় জীৱন আৰু কলা-শিল্প-সংস্কৃতিৰ চিৰপ্ৰোজ্বল এটি বিৰল ব্যক্তিসত্তা হ'ল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। বিষ্ণু ৰাভা অসমৰ সকলো জাতি, সকলো জনগোষ্ঠী, সকলো ভাষা-ভাষী লোকৰ বাবেই অতি আদৰৰ নাম - নিজ চকুৰে নেদেখিলেও যেন প্ৰত্যেকৰে এজন অতি পৰিচিত আপোন মানুহ। সব্যসাচী ৰাভাৰ পৰিচয় মিহলি হৈ আছে

বৰ্ণিল অসমৰ কলা-কৃষ্টি-সংস্কৃতিৰ চহকী পথাৰখনত, অসমৰ ৰসাল মাটিত, নিপীড়িত জনগণৰ মুক্তিৰ স্বপ্নত। অসমৰ বিভিন্ন জনগোষ্ঠী আৰু জাতিসত্তাৰ মাজত ঐক্য-সম্প্ৰীতি প্ৰতিষ্ঠা কৰি আকাশৰ দৰে সুবিশাল উদাৰতা আৰু হিমালয়ৰ দৰে সুউচ্চ মানসিকতা লৈ আগবাঢ়ি আহিছিল মহান সংস্কৃতিৱান, আজন্ম বিপ্লৱী, ৰাজনীতি, সমাজনীতি, সংস্কৃতি সকলোতে স্বকীয় ব্যক্তিত্ব আৰু প্ৰতিভাৰে প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰা বিষ্ণুপ্ৰসাদ ৰাভা।

গণশিল্পী বিষ্ণু ৰাভাই সংগ্ৰাম কৰিছিল সমাজৰ দুৰ্গত জনৰ বাবে। তেওঁৰ অন্তৰাত্মাত প্ৰবাহিত হৈ আছিল এখন সাম্যবাদী সমাজ প্ৰতিষ্ঠাৰ সপোন। তেওঁৰ সপোন আছিল হালোৱা-হজুৱা, কৃষক-শ্ৰমিক, বনুৱা-মজদুৰ শ্ৰেণীক লৈ এখন নতুন সমাজ প্ৰতিষ্ঠা কৰা, য'ত মানুহৰ মাজত ধনী-দুখীয়া, উচ্চ-নীচ আদিৰ ভেদাভেদ নাথাকিব আৰু সকলোৱে সম-অধিকাৰৰ মাজেদি জীয়াই থাকিব পাৰিব। এই মহান গণ-শিল্পীগৰাকীয়ে ৰাইজকেই ৰজা পাতি, ৰাইজৰেই অধিকাৰ সাব্যস্ত কৰিবলৈ যি চিন্তা কৰিছিল, যি কৰ্ম কৰিছিল, সেয়াই মানৱপ্ৰেম আৰু দেশপ্ৰেমৰ উজ্জ্বল আদৰ্শ। দলিত জনৰ, নিঃকিন জনৰ সন্মান ঘূৰাই আনিবলৈ গীত-কবিতাৰ মাজেদি গণতান্ত্ৰিক আদৰ্শ ব্যক্ত কৰি — "ৰাইজেই ৰজা মোৰ / প্ৰজায়েই ৰজা মোৰ / সুখেৰে পঞ্চায়তীৰাজ" বুলি সত্য আৰু ন্যায়ৰ পক্ষত থিয় হৈ বিষ্ণু ৰাভাই সংগ্ৰাম অব্যাহত ৰাখিছিল। ৰাভাই দেখিছিল সৰ্বসাধাৰণ মানুহৰ পূৰ্ণ স্বাধীনতাৰ সপোন। কিন্তু তেওঁ যি স্বাধীনতাৰ সপোন দেখিছিল, তাক বাস্তৱ ক্ষেত্ৰত বিচাৰি পোৱা নাছিল। সেয়ে ব্ৰিটিছ এৰি থৈ যোৱা দেশৰ স্বাধীনতা আৰু গণতন্ত্ৰক সমৰ্থন নকৰি ১৫ আগষ্টৰ দিনাই টিঙৰ দীঘলীত ক'লা পতাকা উৰুৱাই ৰাভাই চিঞৰি উঠিছিল — "য়ে আজাদী ঝুথা হ্যায়— এই স্বাধীনতা ভুৱা"। বিষ্ণু ৰাভাৰ এই শ্ল'গান আছিল ৰাইজৰ মুক্তিৰ, ৰাইজৰ প্ৰকৃত স্বাধীনতাৰ অৰ্থে এক দুৰন্ত আহ্বান। প্ৰকৃততে বিষ্ণু ৰাভাই নিজৰ দূৰদৰ্শিতা আৰু অনুভূতিৰ বলত বৃহত্তৰ অসমীয়া জাতিৰ পুনৰ নিৰ্মানৰ দিশত এক গণ জাগৰণৰ সপোন ৰচনা কৰিছিল। সেইটোৱেই আছিল বৃহত্তৰ অসমীয়া জাতি গঠনৰ সপোন, বৃহত্তৰ অসমীয়া জাতি গঠনৰ বাবে কৰা অতুলনীয় অৱদান। এক কথাত ক'ব পাৰি, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পদাংক অনুসৰণ কৰি কলাগুৰুৱে গুৰুজনাৰ আধৰুৱা কামখিনিহে যেন সম্পূৰ্ণ কৰিবলৈ যত্নপৰ হৈ পৰিছিল। বিভিন্ন জাতি-উপজাতিৰ কৃষ্টি-সংস্কৃতিৰ সংমিশ্ৰণেৰে তেখেতে বিশাল অসমীয়া জাতি গঠনৰ চেষ্টাত আজীৱন প্ৰচেষ্টা চলাইছিল।

জনতাৰ শিল্পী বিষ্ণু ৰাভাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে জনগণক জাগ্ৰত কৰিবলৈ হ'লে গণসংস্কৃতিৰ মাধ্যমেৰে জনতাৰ প্ৰাণৰ চেতনাক জাগ্ৰত কৰিব লাগিব। এগৰাকী প্ৰকৃত শিল্পী, সুন্দৰৰ পূজাৰী, জনসেৱক হিচাপে বিষ্ণু ৰাভাই সৰ্বসাধাৰণ লোকক কলা-সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰি প্ৰতিজন নাগৰিককে সাংস্কৃতিৱান কৰি তুলিব বিচাৰিছিল। ৰাভাৰ গোটেই জীৱনটোলৈ লক্ষ্য কৰিলে আমি দেখা পাম— গীত আৰু সুৰেৰে সজোৱা এখন হৃদয় আৰু মানৱীয় এটা বহল মনলৈ প্ৰান্তে প্ৰান্তে খোজকাঢ়ি, সাঁতুৰি-নাদুৰি, পাহাৰ বগাই, ছদ্মবেশ ধৰি তেওঁ সৰ্বসাধাৰণ জনতাৰ একেবাৰে কাষ চাপি গৈছিল, খোৱা-বোৱা কৰিছিল, নৃত্য-গীত-আনন্দ কৰিছিল বা তেজোদ্দীপ্ত ভাষণ দিছিল। গণচেতনাত তেওঁৰ আছিল অগাধ বিশ্বাস।তেওঁ বজ্ৰকণ্ঠে ঘোষণা কৰিছিল— "ৰাইজৰ মৰম-চেনেহেই আমাৰ ৰক্ষাকবচ। ৰাইজৰ আশিসেই আমাৰ পাশুপাট অস্ত্ৰ। এইৰক্ষাকবচ আৰু পাশুপাট অস্ত্ৰৰ বলতেই আমি সুস্থ, বলিষ্ঠ আৰু নিৰ্ভীক সৈনিক।" জননেতা বিষ্ণুপ্ৰসাদ ৰাভাই সোণৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰিও, ডেৰ হাজাৰ বিঘা মাটিৰ মালিকীস্বত্ব লাভ কৰিও এই সকলো মাটি-সম্পত্তি ত্যাগ কৰি সাধাৰণ মানুহৰ দৰেই জীৱন-নিৰ্বাহ কৰিছিল। ব্যক্তিগত কথালৈ তিলমানো কাণসাৰ নিদি জনসাধাৰণৰ কাষলৈ গৈ তেওঁলোকক জগাই তুলি কৰ্তব্য সোঁৱৰাই দিছিল। তেওঁ বিচাৰিছিল জনগণৰ মানৱীয় প্ৰমূল্যৰ উত্তৰণ। এনে মহান লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখিয়েই বিষ্ণু ৰাভাই উছৰ্গা কৰিছিল ওৰেটো জীৱন। তাকে কৰিবলৈ যাওঁতে কাৰোবাৰ দৃষ্টিত ৰাভা হৈ পৰিছিল বিপ্লৱী আৰু কাৰোবাৰ দৃষ্টিত হৈ পৰিছিল বিভীষিকা। বিষ্ণু ৰাভাই ভাৰত তথা উত্তৰ-পূৰ্বাঞ্চলৰ বহু সংখ্যক ভাষা জানিছিল। তেওঁৰ সংঘাটময় বৈপ্লৱিক জীৱনত গাঁৱে গাঁৱে বিভিন্ন সম্প্ৰদায় তথা জাতিৰ মানুহৰ মাজত ঘূৰি ফুৰোতে, কাম কৰোঁতে এই ভাষা জ্ঞানে যথেষ্ট সহায় কৰিছিল। শিল্পী হিচাপে ৰাভাদেৱৰ কৃতিত্ব তুলনাবিহীন।

বিষ্ণু ৰাভা আঁহে-কোঁহে আছিল ৰাইজৰ মানুহ। জনতাৰ লগত তেওঁৰ আছিল আত্মিক সম্পৰ্ক। তেওঁ কাম কৰিছিল কৃষক, শ্ৰমিক, সাধাৰণ মানুহৰ মাজত থাকি। কৃষকৰ মাজত কৃষক পঞ্চায়ত গঠনৰ বাবে যিদৰে তেওঁ প্ৰচুৰ চেষ্টা চলাইছিল, সেইদৰে নিপীড়িতা নাৰীসকলকো প্ৰগতিশীল সংগঠনত ঐক্যবদ্ধ কৰিবৰ বাবে চেষ্টা চলাইছিল। ক'লা চাহাব আৰু বগা চাহাব— দুয়োটা পক্ষকে নিৰ্মূল কৰি ৰাইজে বিচৰা প্ৰকৃত জনতাৰ গণতন্ত্ৰ স্থাপনৰ বাবে তেওঁ এহাতে ষ্টেনগান আৰু আনহাতত কলম-তুলিকা লৈ জমগণৰ মাজত সোমাই পৰি জনতাৰ মুক্তিৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ নিৰলস সংগ্ৰাম চলাই গৈছিল। নিজৰ সকলো স্বাৰ্থ জনগণৰ মুক্তিৰ স্বাৰ্থত বলি দিছিল।

সহায়ক গ্ৰন্থ -

১। বিষ্ণু প্ৰসাদ ৰাভাৰ ৰচনা সম্ভাৰ।

২। ইছমাইল হোছেইন বিষ্ণু প্ৰসাদ ৰাভা।

৩। ড° উপেন ৰাভা হাকাচাম — ৰাভা ভাষা আৰু সাহিত্য।

# মাৰ সমান হ'ব কোন

**ভাস্কৰ জ্যোতি কলিতা**
চতুৰ্থ যন্মাসিক



'মা' শব্দটো পৃথিবীৰ আটাইতকৈ মৰম লগা আৰু শান্তি পোৱা শব্দ। জীৱনৰ সমস্ত আৱেগ, অনুভূতিঃ সৰলতা, সুহৃদয়তাৰ থুপ হৈছে মা। হৃদয়ৰ গভীৰলৈকে কপাই তুলিব পৰা সেই নাৰী গৰাকীয়ে হৈছে মা!

"আইৰ সমান হ'ব কোন / নৈৰ সমান ব'ব কোন —।" যিজনৰ ওপৰত খং কৰিলে কোনো কাম সফল নহয়। যিজনৰ মৰমে পৃথিৱীৰ কঠিন কামও সহজ কৰি তুলিব পাৰে। কিহেৰে তুলনা কৰিব মাক? যিজনে দহমাহ দহদিন গৰ্ভত ৰাখি অলেখ 'যন্ত্ৰনাকো জীৱনৰ প্ৰাপ্তি, সুখ বুলি মানি লৈ সন্তানক পৃথিৱীলৈ স্বাগতম জনোৱাৰ পৰা তুলি-তালি ডাঙৰ-দীঘল কৰে সেইজনক তুলনা কৰিব পৰা নাযায়। যাৰ পৰিধিৰ কোনো সীমা নাই, সেইজনেই হৈছে মা।

মাতৃত্বৰ গৌৰৱত উথলি উঠাৰ পিছতেই আৰম্ভ হয় নাৰীৰ মৰমসনা মুহুৰ্তবোৰ-সন্তানৰ সৈতে। গৰ্ভধাৰন কৰাৰ দিনত তেওঁৰ কি যে যন্ত্ৰনা। তথাপিও, সেই যন্ত্ৰনাবোৰ মাতৃ-সন্তানৰ সম্পৰ্কটোৰে নোহোৱা কৰি দিয়ে। মাৰ বাবে সমস্ত ব্যস্ততাৰ কাৰন হ'ব খোজে সন্তান। সমস্ত আৱেগ মৰমৰ জিৰনিৰ ঘাট হ'ব খোজে মাতৃ-সন্তানৰ সম্পৰ্কটো। কি সম্পৰ্কত থাকিব পাৰে ইমান বেছি মৰম ইমান বেছি ভালপোৱা। কি সম্পৰ্কত থাকে ইমান বেছি সাহস শক্তি?

মাৰ আশীৰ্বাদ জীৱনটোৰ বাবে এক প্ৰাপ্তি স্বৰূপ। যিজনে নিজৰ জীৱনৰ সকলো ভাল লগা সন্তানৰ বাবে ত্যাগ কৰিব পাৰে সেইজনেই হৈছে মা। যাৰ বাবে পৰিয়াল টোৱেই একমাত্ৰ ডাঙৰ বস্তু। সপোন তেওঁৰ। কেৱল সন্তানৰ নামতেই উচৰ্গা কৰে তেওঁৰ জীৱনৰ সময়বোৰ। সন্তানৰ প্ৰতি থকা অপাৰ স্নেহত ভৰ দি গঢ় লৈ উঠে প্ৰতিগৰাকী মাতৃৰ সপোনবোৰ। কোলাত লৈ উমলোৱাৰ পৰা সন্তানক জীৱনমুখী কৰাই হৈছে প্ৰতিগৰাকী মাতৃৰ জীৱনৰ ব্যস্ততা। সন্ধিয়া হোৱাৰ লগে লগে আইলৈ মনত পৰে। সন্ধিয়া বেলিটো অস্ত যোৱাৰ লগে লগে সকলো ঘৰমুৱা হয়। চৰাই-চিৰিকতি বাহলৈ, মানুহবোৰ কৰ্মস্থলীৰ পৰা ঘৰলৈ। দিনটোৰ সমাগমটোৰ মাজৰ পৰা ওলাই প্ৰত্যেকেই কিঞ্চিত সময়ৰ বাবে হ'লেও অকলশৰীয়া সময়ৰ আলহী হৈ পৰে। তেনেতে মনত পৰে মাথো 'মা'লৈ। জীৱনৰ যিকোনো পৰিস্থিতিতে মনলৈ আহে 'মা'ৰ কথা।

মাৰ কোলাত যি নিৰাপদ মূৰটো থৈ টোপনি যোৱা সেই স্বাধীনতা, মূৰত আলকুলে হাত ফুৰাই 'মা'ৰ কত যে সপোনৰ অখৰা। সাধাৰণ চৰ্দী-জ্বৰ হৈ বিছনাত থাকিলেও কাষত বহি লৈ সন্তানৰ মুখৰ পিনে চাই থকা চিন্তাক্লিষ্ট মাকৰ সেই মুখখন। অথচ সেই সময়তে প্ৰতি মুহুৰ্ততো সাহস দিয়া 'মা' জনীয়েই লগত থাকে। পাৰে তেওঁ সকলো সহিব, সকলো কৰিব কাৰণ তেওঁ 'মা'।

যেতিয়া সন্তানে নিশা দুপৰলৈকে পৰীক্ষাৰ প্ৰস্তুতি চলাই থাকে তেতিয়া সন্তানৰ লগত টোপনি ক্ষতি কৰি উজাগৰী নিশা কটোৱা মানুহজনীয়েই হৈছে 'মা'। 'মা' সেইজনী যিয়ে দেউতাৰ খঙাল ৰূপৰ পৰা সন্তানক লুকাই ৰাখে। সন্তান যিমানেই বেয়া নহওঁক কিয় 'মা' সদাই সন্তানৰ বেয়া গুণ ঢাকি ৰাখে। মাৰ আশীৰ্বাদে নতুন কামত শুভ আৰম্ভনি জনায়। পুৱাৰ পৰা ৰাতিলৈ কষ্ট কৰি পৰিয়ালৰ বাবে সমস্ত ত্যাগ কৰিব পৰা জনীয়েই হৈছে 'মা'। ক'ৰবাৰ পৰা আহিয়েই মাক বিচাৰি চলাত কৰা--সময়বোৰ, স্কুল-কলেজ, অফিছ-কাছাৰীৰ পৰা উভতি আহিয়েই পোৱা মাৰ হাতৰ গৰম ভাতৰ কাঁহী। পাৰিনে কৈ শেষ কৰিব?

সঁচাই মাৰ কোনো পৰিধি নাই কোনো সীমা নাই। 'মা' সঁচাই এজনী ভগৱান স্বৰূপ। সঁচাই পৃথিৱীত ভগৱান নিজে আহিব নোৱাৰাৰ বাবে ভগৱানে 'মা' ক পঠাই দিছে। 'মা' যেনেকৈ সন্তানৰ বাবে ভাল হোৱা বিচাৰে থিক একেদৰে সন্তানে 'মা' ৰ ভাল হোৱা বিচাৰে। সঁচাই মাক কোনো টকা পইচাৰে জুখিব নোৱাৰি। সঁচাই মাৰ সমান কোনো হ'ব নোৱাৰে।

# ধৰ্ষণ ঃ এক সামাজিক ব্যাধি

**ৰিতু শৰ্মা**
আলোচনী সম্পাদক

বৰ্তমান সময়ত অপৰাধ দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে। সমাজখনত যেনেকৈ শিক্ষিত লোকৰ হাৰ বৃদ্ধি হৈছে আৰু আধুনিকতা তথা প্ৰযুক্তিৰ দিশত আগ বাঢ়িছে সিমানে হত্যা, ধৰ্ষণ বৃদ্ধি পাবলৈ ধৰিছে। আমাৰ আধুনিক সমাজখনত নাৰী আজিও সুৰক্ষিত নহয়। বৰ্তমান সময়ত আমাৰ সমাজত ধৰ্ষণ যেন নিয়মিত ঘটনা হৈ পৰিছে। আজিৰ এই আধুনিক সমাজত কণমানী ছোৱালী এজনীও সম্পূৰ্ণৰূপে সুৰক্ষিত নহয়। বৰ্তমান সময়ত ল'ৰা-ছোৱালীক সাংবিধানিক ভাৱে সমান অধিকাৰ দিয়া হৈছে যদিও নাৰীক শোষণ কৰা মনোবৃত্তি আমাৰ সমাজৰ পৰা এতিয়াও আঁতৰ হোৱা নাই, নাৰী সকল সমাজৰ পৰা এতিয়াও আতৰ হোৱা নাই, নাৰী সকল এতিয়া শিক্ষা-দিক্ষাৰ উপৰিও বিভিন্ন ক্ষেত্ৰত যথেষ্টখিনি আগবাঢ়িছে যদিও নাৰীক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত আমাৰ পুৰুষ তান্ত্ৰিক সমাজ এতিয়াও বহুত পিছপৰা, এচাম পুৰুষৰ অধিপত্য শীল মনোবৃত্তিয়ে এতিয়াও নাৰীক ভোগৰ সামগ্ৰী কৰি ৰাখিব বিচাৰে। যিখন দেশত নাৰীক দেৱী দুৰ্গা, দেৱী কালি আদিৰ ৰূপত পূজা কৰে সেই দেশতে নাৰী অত্যাচাৰ দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে। যোৱা শতিকাৰ ৮০ ৰ দশকত মুম্বাইৰ মথুৰা ধৰ্ষণ গোচৰক কেন্দ্ৰ কৰি যি আন্দোলন সৃষ্টি হৈছিল সেই আন্দোলন ক্ৰমশঃ অন্য ৰাজ্যলৈকো সম্প্ৰসাৰিত হৈছিল "মথুৰা ধৰ্ষণ" গোচৰত অপৰাধী দুই কনিষ্টবলক আদালতত নিৰ্দোষ বুলি কোৱাৰ পিছত এই ৰায়ৰ বিৰুদ্ধে দেশব্যাপী প্ৰবল আন্দোলনৰ ফলশ্ৰুতিত ১৯৮৩ চনত ধৰ্ষণ আইন সংশোধিত হৈছিল। নাৰীৰ বিৰুদ্ধে সংঘটিত অপৰাধ নিয়ন্ত্ৰণত চৰকাৰ বিফল হৈছিল। ইয়াৰ পিছত ২০১৩ চনত ভাৰতীয় দণ্ডবিধি আইন সংঘটিত কৰা হয়।



ভাৰতৰ সংবিধানে সকলো ভাৰতৰ নাৰীৰ বাবে সমতা (ধাৰা ১৪), ৰাষ্ট্ৰৰ দ্বাৰা বৈষম্যহীনতা (ধাৰা ১৫(১)), সম সুযোগ (ধাৰা ১৮), সমান কামৰ বাবে সমান মজুৰি (ধাৰা ৩৯(ঘ)) নিশ্চিত কৰিছে। তদুপৰি মহিলা আৰু শিশুৰ বাবে বিশেষ ব্যৱস্থা লবলৈ ৰাষ্ট্ৰৰ অনুমতি প্ৰদান কৰিছে(ধাৰা ১৫(৩)) মহিলা মৰ্যাদা হানিকাৰী কাম-কাজত নাকচ কৰিছে (ধাৰা ১৮ (ক) (ঙ)) লগতে ৰাষ্ট্ৰই ন্যায় সংগত আৰু মানবীয় কৰ্ম ব্যৱস্থা নিশ্চিত আৰু প্ৰসূতি সাহায্য (ধাৰা ৪২) প্ৰদানৰ ব্যৱস্থা কৰাৰ সুযোগ দিছে।

ভাৰতীয় সংবিধানত মৰ্যাদা আৰু সন্মানৰ সৈতে মানুহৰ জীয়াই থকাৰ অধিকাৰৰ কথা উল্লেখ আছে কিন্তু নাৰীৰ ক্ষেত্ৰত বাৰে বাৰে উলংঘন হৈছে। সেয়ে নাৰী নিৰ্যাতন কেৱল সংবিধান বা আইনী ব্যৱস্থা নহয় এই এক মানৱীয় মূল্যবোধৰ প্ৰশ্নও। ক্ৰমবৰ্ধিত অপৰাধৰ উৎসবোৰৰ বস্তুনিষ্ঠ বিচাৰ বিশ্লেষণৰ প্ৰয়োজন। কাৰণ অপৰাধবোৰৰ মূল উৎস হিচাপে প্ৰধানকৈ নাৰীৰ প্ৰতি সমাজত বৰ্তি থকা সামন্তীয় দৃষ্টিভংগী যাৰ মূল শিপাডাল গভীৰলৈ প্ৰোথিত। প্ৰাচীন কালৰ পৰাই নাৰী পুৰুষৰ মাজত অসমতা আৰু বৈষম্য মূলক ব্যৱস্থাৰ বলি হৈ আহিছে নাৰী, সুকুমাৰী ভট্টাচাৰ্যৰ প্ৰাচীন ভাৰত সমাজ আৰু সাহিত্যত উল্লেখ আছে যে প্ৰাচীন হিন্দু ধৰ্মগ্ৰন্থ বিলাকতো নাৰীক ভোগবস্তু হিচাপে গণ্য কৰা হৈছে। আজিৰ ভোগবাদী দৰ্শন আৰু পণ্য সংস্কৃতিৰ বাতাবৰণে নাৰীৰ বিৰুদ্ধে অপৰাধক্ষেত্ৰ দুগুণ বৃদ্ধি কৰিছে।

নাৰীক সুৰক্ষা দিবলৈ হ'লে আমাৰ সমাজৰ এচাম পুৰুষৰ নাৰীৰ প্ৰতি থকা মনোবৃত্তি সলনি কৰাটো প্ৰয়োজন । নাৰীক ভোগৰ সামগ্ৰী বুলি নাভাবি নাৰীক সন্মান কৰিলেহে আমাৰ সমাজৰ প্ৰতিজনী নাৰীয়ে নিজকে সুৰক্ষিত অনুভৱ কৰিব।

# সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আঁতৰিবনে?

**দীপাঞ্জলি ঠাকুৰীয়া**
প্ৰথম ষান্মাসিক, বাণিজ্য শাখা

সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আঁতৰ হ'বনে ? — এই প্ৰশ্নটি মোৰ মনত বাৰুকৈয়ে ভূমুকিয়াই থাকে। বৰ্তমান যুগত যদিও আজি চৰম শিখৰত উপনীত হৈছে, বিজ্ঞানে দুৰ্গমকো সুগম কৰি তুলিছে, অসম্ভৱকো সম্ভৱ কৰি তুলিছে তথাপিও সমাজৰ এচুকত যেন এতিয়াও বিজ্ঞানৰ পোহৰ পৰা নাই, এন্ধাৰে ভেটি ধৰিছে আৰু অন্ধবিশ্বাসৰ প্ৰাদুৰ্ভাৱ কমা নাই।

আচলতে ক'বলৈ গ'লে শিক্ষাৰ পোহৰ য'তে স্তব্ধ হয় তাত অন্ধবিশ্বাসসমূহ সৃষ্টি হয়। আজিৰ সময়তো ভালকৈ সভ্যতাৰ পোহৰ নপৰা অঞ্চলৰ কথা বাদেই অত্যাধুনিক সা-সুবিধাৰে পুষ্টি চৰাঞ্চলত বাস কৰা বহুতো শিক্ষিত লোকৰ মনতো অন্ধবিশ্বাসৰ শিপাডাল এতিয়াও বৰ্তি থকা পৰিলক্ষিত হয়।

অন্ধবিশ্বাস মানে কি ? সাধাৰণ অৰ্থত যুক্তিহীন বা ভিত্তিহীন বিশ্বাসেই হ'ল অন্ধবিশ্বাস। অন্ধবিশ্বাসীলোকে যুক্তিহীন কাম বা নিয়মবোৰ ত্যাগ নকৰাৰ বাবে নতুন নিয়ম বা নতুন কোনো কথা তেওঁলোকে চিন্তা কৰিবলৈ ইচ্ছা নকৰে। অতীতত ভাৰতীয় সমাজ-ব্যৱস্থাত পৰম্পৰা আছিল যেতিয়া কোনো বিবাহিত পুৰুষৰ মৃত্যু হৈছিল, তেতিয়া সেই পুৰুষজনৰ পত্নীক জীয়াই জীয়াই চিতা অগ্নিত দি একেলগে পুৰিছিল। এই প্ৰথাটোৱেই হ'ল সতীদাহ প্ৰথা। সতীদাহ প্ৰথা সেইসময়ৰ বাবে এটা ডাঙৰ অন্ধবিশ্বাস আছিল। তাৰোপৰিও বৰ্তমান সময়ত আমাৰ সমাজত দেখা দিয়া এটা ভয়াবহ সমস্যা হ'ল " ডাইনী হত্যা"। নিৰাশ্ৰয়ী, নিৰাপৰাধী, শোষিত, বঞ্চিত এগৰাকী অবলা নাৰীক "ডাইনী" সজাই মাৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে। ডাইনী আমাৰ সমাজত এক শংকা তথা ঘৃণাভৰা শব্দ যাৰ অৰ্থ যাদুকৰী বা মায়াবী শক্তিৰ অধিকাৰী কোনো এক ব্যক্তি। ডাইনী হত্যা অজস্ৰ প্ৰচলিত অন্ধবিশ্বাসৰ মাজত এক ভয়ংকৰ অন্ধবিশ্বাস যি ব্যক্তি এজনৰ জীয়াই থকাৰ অধিকাৰ, কোনো কাৰণ নোহোৱাকৈ খৰ্ব কৰে। পশ্চিমীয়া দেশত ১৭ শতিকাত ডাইনী হত্যাৰ প্ৰচলন প্ৰায় বন্ধ হোৱাৰ বিপৰীতে আমাৰ দেশত ই এতিয়াও এক সামাজিক ব্যাধি হৈ আছে।

মানুহৰ মাজত থকা অন্ধবিশ্বাস,

কু-সংস্কাৰ এইবোৰে মানুহক কিছুমান ভুল ধাৰণাৰ তলতীয়া কৰে। উদাহৰণস্বৰূপে যোৱা বছৰত ডকমকাত সংঘটিত ঘটনাই সকলো ৰাজ্যকে জোকাৰি গৈছিল। নীলোৎপল আৰু অভিজিতৰ সেই কৰুণ মৃত্যুই সকলোকে জোকাৰি গৈছিল। ধ্বংস কৰি পেলাইছিল কিছুমান নৰপিশাচে দুই যুৱকৰ জীৱন। ছচিয়েল মিডিয়াত হোৱা অপপ্ৰচাৰত ভোল গৈ নিজে আইন হাতত তুলি লৈ দুই প্ৰকৃতিপ্ৰেমী যুৱকক সোপাধৰা সজাই হত্যা কৰিলে। সিহঁতে পৃথিৱীৰ বিভিন্ন ঠাই ঘূৰি আহিল কিন্তু নিজৰ ঠাইৰেই প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ গৈ ভুল কৰিলে। এয়া কু-সংস্কাৰৰ একো-একোটা উদাহৰণ।

অন্ধবিশ্বাসৰ ভয়াৱহতাসমূহ— "হঠাতে কিবা অসুখত ভুগিছে নেকি ? জৰুৰ কাৰোবাৰ বেয়া নজৰ লাগিছে। এটা কাম কৰিবা। ক'লা সূতা এডাল হাতত মেৰিয়াই লওঁক। পীতবস্ত্ৰ পৰিধান কৰক। বিশ্বাস কৰিবলৈ টান হ'লেও এই একবিংশ শতিকাৰ সময়তো আজিৰ সমাজৰ বহুসংখ্যক লোকৰ বাবে এনেবাৰ নিদানেই সবাতোকৈ বিশ্বাসযোগ্য।

প্ৰায়েই দেখা যায় বৈজ্ঞানিক ধ্যান-ধাৰণাৰে পুষ্ট হোৱাৰ পাছতো শিক্ষিত লোকেই ওজা-বেজালি, অন্ত্ৰিক আদিৰ তথাকথিত অতি শক্তিৰ ওচৰত মূৰ দোৱায়। ইয়াৰ প্ৰমাণস্বৰূপে বাতৰি কাকতৰ দুটামান পৃষ্ঠা লুটিয়ালেই দেখা পোৱা বিভিন্ন ধৰণৰ বেজ-বেজালিৰ সন্দেহজনক বিজ্ঞাপনৰ কথাকেই ক'ব পাৰি। কৃত্ৰিম উপগ্ৰহৰ সংকেত ব্যৱহাৰ কৰি বিভিন্ন ঠাইৰ পৰা একে সময়তে কেইবাটাও সংস্কৰণ প্ৰকাশ কৰা বাতৰি কাকতসমূহত প্ৰকাশিত বেজ-বেজালিৰ বিজ্ঞাপনবোৰে বিজ্ঞানৰ জয়যাত্ৰাক ভেঙুচালি কৰা নাইনে বাৰু ?

এই ক্ষেত্ৰত অন্য এটা কথাও মোৰ মনলৈ আহে। সমাজৰ তথাকথিত শিক্ষিত লোক বুলি জহাই থকা আমিবোৰো জানো কম? আজিৰ দিনটোত সমাজৰ প্ৰতিটো বিষয়েতে বিধৱা বা সন্তানহীনা নাৰীসকলক উদ্দেশ্যি কৰা ব্যৱহাৰৰ কথাই মন কৰিব পাৰি। এইসকল নাৰীৰ প্ৰতি প্ৰায়েই কুলক্ষণীয়া, বাঁজী এইবোৰ শব্দ আমিয়েই ব্যৱহাৰ নকৰো জানো? যাত্ৰা পথত দেখিলেই যাত্ৰা নষ্ট হোৱা বা বিভিন্ন সামাজিক তথা মাংগলিক কাৰ্য্যৰ পৰা এওঁলোকক আমিয়েই বিৰত নকৰো জানো ? যিখন সমাজত নাৰীক দেৱীৰূপে পূজা-অৰ্চনা কৰা হয়, সেইখন সমাজতে নাৰীক কলংকিতা, কুলক্ষণী, ডাইনী সজাই হত্যা কৰা হয়।

এই অন্ধবিশ্বাসবোৰ দূৰ কৰিবলৈ হ'লে আমি বৈজ্ঞানিক মানসিকতাৰে কাম কৰি যাব লাগিব। যিকোনো ঘটনাৰ মাজত এক বৈজ্ঞানিক কাৰণ

থাকিব পাৰে। তাৰ উপযুক্ত ঘটনাৰ বিৱৰণ আৰু বিশ্লেষণৰ মাজেদি জনসাধাৰণক বুজাব লাগিব।

আমাৰ সমাজত প্ৰচলিত "নাপায়" (অন্ধবিশ্বাস) সমূহ হ'ল দুৱাৰমুখত বহিব নাপায়, পাকঘৰত চেণ্ডেল সোমাব নাপায়, ৰাতি চুলি ফণিয়াব নাপায় ইত্যাদি ইত্যাদি। এই কথাবিলাক নাপাই বুলি কৈ থৈছে। আচলতে এই কথাবিলাকৰ মাজত এটা বৈজ্ঞানিক কাৰণ সোমাই আছে। ঘৰৰ দুৱাৰমুখত বহিলে সাধাৰণতে আহ-যাহ কৰোতে মানুহৰ অসুবিধা হয়। পাকঘৰত চেণ্ডেলৰ লগত কিছুমান বীজাণু আহিব পাৰে। ঠিক সেইদৰে আগৰ দিনতআজিৰ দৰে বিদ্যুতৰ সু-ব্যৱস্থা নাছিল। ৰাতি চুলি ফণিয়ালে বতাহৰ লগত গৈ আমাৰ খোৱা খাদ্যত মিহলি হৈ আমাৰ শৰীৰত অপকাৰ কৰিব পাৰে।



চৰকাৰী বা বেচৰকাৰীভাৱে কাগজে পত্ৰই ডাইনী হত্যা বা অন্ধবিশ্বাস ৰোধৰ ক্ষেত্ৰত এনেবোৰ উদ্যম চলি থকাৰ পিছতো এনেধৰণৰ ভয়ংকৰ কাণ্ড ঘটাৰ পৰা প্ৰতিহত কৰিবলৈ এতিয়ালৈ সক্ষম হোৱা নাই। সমাজৰ প্ৰতিটো স্তৰতে শিপাই থকা এনে অন্ধবিশ্বাসে কোঙা কৰা এখন পৃথিৱীক মুক্ত কৰিবলৈ হয়তো আৰু কিছু সময়ৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবে জনসাধাৰণ সজাগ-সচেতন হৈ থকা উচিত। আমি আটায়ে সাৱধান হৈ থাকিলেহে আমাৰ অঞ্চলবোৰত এনেবোৰ অসৎকৰ্মৰ প্ৰভাৱ নপৰিব। যদি অন্ধ-বিশ্বাস, কু-সংস্কাৰ সমাজৰ পৰা আঁতৰ কৰিব লাগে, তেতিয়াহ'লে বিজ্ঞানৰ ওপৰত বিশ্বাস ৰাখিব লাগিব।

এতিয়া আপোনালোক আটাইলৈ মোৰ এটা প্ৰশ্ন —

আপোনালোকে বিজ্ঞানৰ ওপৰত সমূলি বিশ্বাস কৰেনে ?

যদি কৰে তেন্তে আমাৰ মাজত থকা কুচক্ৰৰ ভয়ংকৰ চক্ৰান্তৰ বিৰুদ্ধে মাত মাতিবলৈ আজিৰ পৰা নিজকে প্ৰস্তুত কৰি লওঁ আহক। তেতিয়া সমাজৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ আদি আঁতৰ হ'ব।

# প্ৰেম, এক স্বৰ্গীয় অনুভূতি, মোৰ কিছুঅনুভৱ

**ৰঞ্জন কলিতা**
প্ৰাক্তন ছাত্ৰ



জীৱনত সকলো স্তৰতে প্ৰভাৱ বিস্তাৰ কৰা এক অনুভূতিৰ নাম প্ৰেম। পৃথিৱীত থকা জীৱকুলৰ মাজত ইজনে আনজনৰ ওপৰত নিৰ্ভৰশীল। এই নিৰ্ভৰশীলতাৰ অন্তৰালত থাকে প্ৰেম। প্ৰকৃতিয়ে আমাক বায়ু, পানী আহাৰ যোগান ধৰে। এই প্ৰকৃতিৰ প্ৰতি আমাৰ সকলোৰে আন্তৰিকতা থকা খুবেই দৰকাৰ। এই আন্তৰিকতাও এক প্ৰকাৰৰ প্ৰেম। সমাজত বিভিন্ন ধৰণৰ প্ৰেমিক আছে। এক কথাত কবলৈ গ'লে যিজনব্যক্তি যি বস্তুৰ প্ৰতি দুৰ্বলতা বেছি তেওঁ তাৰেই প্ৰেমিক। প্ৰকৃতি প্ৰেমিক, চৰাই প্ৰেমিক, সাগৰ নদীৰ প্ৰেমিক আদি বিভিন্ন ধৰৰৰ প্ৰেমিক দেখিবলৈ পোৱা যায়।

এই লিখনিৰ জৰিয়তে মই মানুহৰ মনত জাগ্ৰত হোৱা সকলোতকৈ সুন্দৰ অনুভূতি যাক প্ৰেম বুলি কোৱা হয় তাৰ বিষয়ে মোৰ কিছু ব্যক্তিগত চিন্তা অৱগত কৰিবলৈ বিছাৰিছোঁ।

প্ৰেম এক স্বৰ্গীয় নিভাজ অনুভূতি। বিপৰীত লিংগৰ প্ৰতি সকলোৰে এক দুৰ্বলতা থাকে। এইটো কেৱল দুৰ্বলতা বুলিলে ভুল ই হ'ল এক দায়িত্ববোধ। ইজনে আনজনৰ সুখ দুখ সকলোতে চিৰদিনলৈ সঁহাৰি দিয়াৰ নামেই প্ৰেম। ভালখিনিৰ প্ৰেমত সকলো মানুহ পাৰিব পাৰে কিন্তু কাৰোবাৰ বেয়াখিনিকো আকোঁৱালি লৈ শুধৰাবলৈ প্ৰেৰণা যোগোৱাটোহে আচল কথা। সঁচা প্ৰেমৰ কোনো চৰ্ত্ত নাই, সঁচা প্ৰেমে এন্ধাৰৰ মাজতো পোহৰৰ বাট মোকলাব জানে। প্ৰেম কেতিয়াও ধ্বংসৰ প্ৰতীক নহয়, প্ৰেম হৈছে মাঁথো নতুন সৃষ্টিৰ স্পৃহা। কাৰোবাক অন্তৰত গোটেই জীৱন ধৰি কঢ়িয়াই থকাই হৈছে প্ৰেম, কাৰোবাৰ কথা ভাৱিলে যদি মনলৈ উৎসাহ আহে, সাহস আহে তেন্তে সেয়াই প্ৰেম। কাৰোবাৰ কথা মনলৈ আহিলে যদি এটা মিচিকিয়া হাঁহি ওঁঠ দুটিলৈ আহে তেন্তে সেয়াই প্ৰেম।

প্ৰেম সদায় সৃষ্টিৰ কাৰণে হ'ব লাগে। আচলতে ৰাতি উজাগৰে থাকি ৰোমান্টিক কথা পতা, ঠেহ- অভিমানেই প্ৰেম নহয়। নিজৰ জীৱন লগৰী জনক নতুনকৈ গঢ়ি তোলক, তেখেতৰ বেয়া অভ্যাসবোৰ দুৰ কৰিবলৈ চেষ্টা কৰক। যদিহে আপুনি ল'ৰা তেন্তে প্ৰেয়সীক ড্ৰাইভিং শিকাওঁক, স্বাধীন নাৰী হবলৈ শিকাওঁক, সাহসী হবলৈ শিকাওঁক, নিজৰ সুৰক্ষা যাতে নিজে লব পাৰে সেয়াও শিকাওঁক। যদি আপুনি ছোৱালী তেন্তে লৰাজনক নতুন নতুন ব্যঞ্জন ৰান্ধিব শিকাওঁক, ঘৰৰ সৰু ডাঙৰ কামবোৰ কৰিবলৈ শিকোৱাৰ লগতে দায়িত্বশীল হবলৈ অনুপ্ৰেৰণা দিয়ক।

এজনে আনজনৰ সপোনবোৰ পুৰণ কৰিবলৈ অনুপ্ৰেৰণা দিয়ক, সাহস হৈ থিয় দিয়ক যদি পাৰে পঢ়াই দিয়ক, বুজি নোপোৱাটো বুজাই দিয়ক। ভৱিষ্যতত পঢ়ি শুনি ডাঙৰ মানুহ হৈ কেৱল বিয়া হোৱা, ঘৰ, গাড়ী লোৱাৰ সপোন নেদেখিব, সমাজৰ কাৰণেও দুয়োমিলি কিবা কৰাৰ কথা ভাৱক। বৃদ্ধআশ্ৰমৰ ককা আইতাসকলৰ বাবে কিবা কৰিব পাৰি নেকি, অনাথ আশ্ৰমৰ কণমানি কেইটিৰ কথা ভাৱক, ৰাস্তাত খাদ্য, বাসস্থান বিচাৰি ঘূৰি ফুৰা জীৱ-জন্তু কেইটাৰ কথাওঁ ভাৱক।

অকল ৰোমান্টিক কথাই নহয়, বৰ্ত্তমানৰ সমাজ ব্যৱস্থা, ৰাজনীতিৰ কথা পাতক, প্ৰিয় অভিনেতা-অভিনেত্ৰী গৰাকী বা চিনেমাখনৰ কথা পাতক, খেলৰ কথা পাতক, জাতিটোৰ কথা পাতক, সংস্কৃতিৰ বিভিন্ন দিশ বোৰৰ কথা আলোচনা কৰক লগতে নিজৰ ঘৰখনৰ পৰিয়াল, মা-দেউতাৰ কথা আৰু তেওঁলোকে আমাকলৈ দেখা সপোনবোৰৰ কথা পাতক। তেতিয়াহে প্ৰকৃত প্ৰেমৰ লগতে প্ৰেমিক যুগলে এনেকৈ সামাজিক দায়িত্ব দাঙি ধৰিলে সমাজখন সুন্দৰ হৈ উঠিব।



# বৰ্তমানৰ সময়ৰ যুৱক-যুৱতীৰ মানসিকতা

**নিৰ্মালী দাস**
তৃতীয় ষান্মাসিক

আজি-কালি নৱপ্ৰজন্মৰ কিছুসংখ্যক যুৱক-যুৱতী দিশাহাৰা হৈ পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি বেছিকৈ আকৃষ্ট হৈছে— ফলত নিজৰ লক্ষ্যৰ পৰা বহুদুৰ আঁতৰি আহি নিজৰ বিবেক পাহৰি পেলাইছে বৰ্তমান যুগত ইণ্টাৰনেট, ফেচবুক, টি.ভি. আদিৰ পৰা বহুত ভাল কথা শিকিব পাৰি যদিও বহু সংখ্যক যুৱক-যুৱতীয়ে ইয়াৰ অপব্যৱহাৰ-হে কৰা দেখা যায়। ফলস্বৰূপে তেওঁলোকে এটা লক্ষ্যহীন জীৱন-যাপন কৰাৰ লগতে সমাজতো বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰিছে। তেওঁলোকৰ এনেকুৱা মানসিকতাৰ পৰিবৰ্তন আনিব নোৱাৰিলে দেশৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিব নোৱাৰি। পৃথিৱীৰ আন উন্নত দেশবোৰৰ লগত তুলনা কৰিবলৈ অকল সেই দেশৰ পোছাক পিন্ধিবলৈ হ'লে সময়ৰ অপব্যৱহাৰ নকৰি ভাল কথা শিকি, নিজৰ লক্ষ্যত উপনীত হ'ব লাগিব।

এই ক্ষেত্ৰত নৱ প্ৰজন্মৰ নিজৰ লগতে তেওঁলোকৰ অভিভাৱকৰো বহুত দায়িত্ব আছে। শিশু অৱস্থাৰে পৰা নিজৰ ঘৰ খনত এটা সুস্থ পৰিবেশ পাব লাগে। সুস্থ পৰিবেশ ভাল মানসিকতা গঢ়াত সহায় কৰে। অভিভাৱক সকলে শৃংখলাৱদ্ধ ভাৱে ল'ৰা- ছোৱালীক নৈতিক শিক্ষাৰ লগতে আধ্যাত্মিক শিক্ষাৰ দ্বাৰাও ভাল মানসিকতা গঢ়াত সহায় কৰিব পাৰে তেওঁলোকক এনেকুৱা শিক্ষা দিয়া উচিত যে ষ্টাইলিছ কাপোৰ পিন্ধা, ধনীহোৱা আৰু ফেচবুকত হাজাৰ হাজাৰ বন্ধুগঢ়া মানেই আধুনিক নহয়। বৰঞ্চ উচ্চ-চিন্তা-চৰ্চা, উচ্চ শিক্ষা আৰু সৎ আচৰনেহে মানুহক আধুনিক কৰে লগতে সমাজৰো উন্নতি সাধন কৰে।

# মৰমৰ বান্ধৱী

**বৰ্ণালী বৰুৱা**
কলা শাখা (তৃতীয় সান্মাষিক)

লিখো বুলি সদায় হাতত কলম তুলি লওঁ কিন্তু সাহস হেৰায় পেলাও। পাহৰিব নোৱাৰো আমাৰ কিছু স্মৃতি আজিও মনত পৰিলে চকুলো বাগৰি আহে। তোৰ লগত কটোৱা কিছু সময় যেন আজি অতীত হৈ গল। মুখৰ সেই হাঁহি আজি হঠাতে হেৰাই গ'ল। শেষ বাৰৰ বাবে তোক হেপাঁহ পলাই চাইছো সেইদিনা যিদিনা তোৰ চিতাৰ জুই দপ দপকৈ জ্বলিছিল আৰু তই শুই আছিলি।

কলেজত লগ পোৱাৰ প্ৰথম দিনাই তোক নাম সোধাত তই কোৱাৰ লগে লগে একে বুলি জানি মই তোক Tikli (টিকলি) বুলি কৈছিলো। যত আজি কলেজৰ আৰু আন আন মানুহে তোক Tikli(টিকলি) বুলিয়ে জানি গ'ল। দুদিন পিছত হয়তো চবে তোক পাহৰি যাব। কিন্তু আমাৰ চাৰি জনাৰ মাজত সদায় তই টিকলি হৈয়েই থাকিবি। তোৰ বহু কথাই সদায় মোক আমনি কৰে। তই যে সদায় সোধা মনো (mono) মই কোনদিনা intelligent হম। কোন দিনা মই সাহসী হম? কোনদিনা মই তোৰ দৰে হম? তোক যে মই সদায় কওঁ এনেকৈ থাকিলে কি হ'ব সাহসী হৱ লাগিব। কিন্তু তই ভয় ভয় কৰিয়ে গুচি গলি। লিখিবলৈ ললে হাত কপি যায় কিন্তু তোৰ কথা লিখি শেষ কৰিব নোৱাৰো টিকলি (Tikli)। তোৰ সপোন যেন আজি সপোন হৈয়ে থাকিল। বহু ভাগ্যৰ ফলত আমি তোক লগ হিচাপে পাইছিলো মাত্ৰ দুদিনৰ বাবে। তোৰ সেই খং ঠেহ, বোৰতো কিৱা এটা ভাল লাগিছিল। তোৰ সেই কষ্ট চকু পানী দেখি সদায় কৈছিলো ভগৱানক যেন তোক সোনকালে সুস্থ কৰি দিয়ে। তোৰ যে কিমান সপোন, কিমান আশা আজি সপোনেও ঘূৰি নাচায় দুদিন আৰু ৰাখিবলৈ চেষ্টা নকৰিলে তোক। প্ৰতিটো মূহুৰ্তই তোৰ অনুপস্থিতি যে কন্দুৱাই। ভাবিলেও ভাবি নাপাওঁ যে তই আজি আমাৰ মাজত নাই। এনেকৈ স্তব্ধ হৈ ৰল আমাৰ বন্ধুত্ব। হেৰাই গল আমাৰ পাঁচ জনীৰ পৰা এজনী। কল্পনায়ে কৰিব পৰা নাছিলো যে এদিন তোৰ বাবে এনেকৈ লিখিব লাগিব। শেষত এটায়ে বিছাৰো তোৰ ভাল কাম আৰু চিন্তাবোৰৰ বাবে ভগবানে যেন এটা ভাল স্থানত স্থায়ীৰূপে ঠাই দিয়ে। (মৰমৰ বান্ধবী) তই যত আছ ভালদৰে থাক। আশা কৰো অহা জনমত যেন আমি তোক আমাৰ বান্ধবী হিচাপে পাওঁ। তই যেন সদায় আমাৰ মাজত 'অমৰ' হৈয়ে থাক। Miss you. Best friend Forever.

তোৰ বান্ধৱী....

# শিক্ষা আৰু কৰ্ম

**মানস প্ৰতীম মালী**
দ্বিতীয় যান্মাসিক, বাণিজ্য শাখা

মানুহে নিজে কৰা কৰ্মত শিক্ষাৰ প্ৰকাশ পায়। ভাল মানুহে সদায় ভাল কামেই কৰে। সকলো কাম কৰাৰ আগতেই ভালদৰে ভাবি লব লাগে, কামটো কৰাৰ পাছত ভাবিবলে আৰু একো নাথাকে। মানুহ এজনৰ শিক্ষাৰ লগত মানুহজন ভালনে বেয়া তাৰ বিচাৰ কৰা উচিত নহয় কাৰণ অশিক্ষিত মানুহ এজনো বহুত ভাল হব পাৰে, আনহাতে শিক্ষিত মানুহ এজনো বেয়া হব পাৰে। ভাল বেয়া বিচাৰ কৰে মানুহৰ কৰ্মৰ দ্বাৰা।

কোনো মানুহ জন্ম পাওঁতে ভাল বা বেয়া হৈ জন্ম নাপায়। তেওঁ নিজে বিচাৰ কৰি ভাল বা বেয়াৰ পথ লয়। যেনেকৈ জীৱনত ভাল বা বেয়া পথ বাচি লব পাৰি তেনেকৈয়ে বেয়া পথৰপৰা উভতি আহিবও পাৰি।

ইচ্ছা কৰিলে মানুহে কৰিব নোৱাৰা কাম একোৱেই নাই। আমি এশতা ভাল কাম কৰিলেও যদি ভুলতে এটা বেয়া কাম কৰোঁ, তেতিয়া সকলোৱে সমালোচনা কৰে। আগতে কৰি থোৱা এশতা ভাল কামৰ কথা পাহৰি যায়, মাথোঁ সেই বেয়া কামটোৰ কথা মনত থাকে। সমালোচনা কৰাতকৈ মানুহজনে কৰা ভুলটো শুদ্ধ কৰি দিয়াটোহে দৰকাৰ। কাৰণ মানুহ মাত্ৰেই ভুল হয়।

বেয়াজনৰ পৰা আঁতৰি থকাতকৈ বেয়াজনক ভাল কৰিবলৈহে চেষ্টা কৰিব লাগে। বহুত মানুহ আছে যিয়ে মাত্ৰ এটা ভুলৰ বাবে আপোন মানুহজনৰ পৰাও আঁতৰি থাকে। আঁতৰি থাকি মনত কষ্ট পাই থকাতকৈ ভুলটো শুধৰাই দি আনন্দ মনেৰে একেলগে থাকক। আপোন ভালেই জগত ভাল। নিজে ভাল হলে আনকো ভাল কৰিব পাৰি। জীৱনটোত একোৱেই নাই, যেনেকৈ পৃথিৱীলৈ আহিছোঁ তেনেকৈয়েই এদিন যাবও লাগিব, ৰৈ গলে যাব মাথোঁ আমাৰ কৰ্মৰ ফল, আমাৰ আদৰ্শ। মৃত্যুৰ পাছতো হয়তো এদিন অনেক ব্যস্ততাৰ মাজতো কোনোবাই আমাৰ নাম লব, আমি কৰা কৰ্মৰ কথা মনত পেলাব। এয়াই আমাৰ বাবে বহুত।

আজিকালি প্ৰায় মানুহ স্বাৰ্থপৰ, মাথোঁ নিজৰ কথা চিন্তা কৰে। তেনেস্থলত নিজৰ জীৱনটোৰ কথা এবাৰো চিন্তা নকৰি বেয়া পথে যাত্ৰা কেনেকৈ কৰিব পাৰে। আনে বেয়া বুলি কলেও যদি নিজৰ ওপৰত বিশ্বাস থাকে সৎ পথত থকা বুলি তেতিয়াহলে যাত্ৰাপথত হাজাৰ বাধা আহিলেও গন্তব্যস্থান পোৱাটো নিশ্চিত।

সমাজত বেয়াতকৈ ভাল মানুহৰ সংখ্যা বহুত বেছি। কিন্তু সেই বেয়া মানুহকেইজনো যদি ভাল হব পাৰে, তেতিয়া সমাজখন আৰু বেছি ভাল হব। আমি সকলোৱে এখন সমাজৰ নাগৰিক, সমাজখন ভালে থাকিবলৈ প্ৰথমে আমি ভাল হব লাগিব। আমি ভাল হলে সমাজখন এনেও ভাল হব।

কামৰ সৰু বৰ নাই। কামেই আমাৰ সকলোৰে পৰিচয় হোৱা উচিত। কেতিয়াও কোনো কাম কৰিবলৈ লাজ কৰিব নালাগে। এতিয়াও ছোৱালী বিয়া দিবৰ সময়ত প্ৰায় মানুহেই সোধে লৰাজনে কি কৰে। যদি উত্তৰত লৰাজনে খেতি কৰে বুলি কয় ছোৱালীজনী বিয়া দিবৰ বাবে অকনমান সংকোচ কৰে। কিন্তু কিয় ?

খেতি কৰিলে বুলিয়েই লৰাজন বেয়া হব নেকি ?

খেতি কৰিলে লৰাজন শিক্ষিত হব নোৱাৰে নেকি ?

শিক্ষিত হৈয়ো লৰাজনে চাকৰিৰ আশা নকৰি খেতি কৰাটো লৰাজনৰ ভুল নেকি ?

খেতিয়ক সকলে খেতিয়ক বুলি নিজকে গৌৰৱ কৰিব পাৰে। কিয়নো নোখোৱাকৈ কোনেও জীয়াই থাকিব নোৱাৰে। খাদ্য উৎপাদন কৰে একমাত্ৰ খেতিয়কে, তেনেস্থলত খেতি কৰি আত্মনিৰ্ভৰশীল হব চেষ্টা কৰা লৰাজনে কি ভুল কৰিছে?

এতিয়া এইবোৰ মনোভাৱ সলনি কৰিবৰ হল ?

শিক্ষিত বুলিয়েই বৈ নাথাকি আত্মনিৰ্ভৰশীলতাৰ পথ বচা উচিত।

চাকৰি কৰা মানুহ এজনক দিয়াৰ দৰেই খেতিয়কসকলকো সন্মান দিয়া উচিত। কাৰণ চাকৰিয়ালৰ দৰেই খেতিয়কেও আনৰ পেট পুৰাবলৈ দিনে নিশাই মুৰৰ ঘাম মাটিত পেলাই কষ্ট কৰে।

# বৰ্তমান সময়ত চলি থকা শিক্ষা ব্যৱস্থা আৰু ভৱিষ্যত

**শিখা দাস**
চতুৰ্থ যন্মাসিক, বাণিজ্য শাখা

বৰ্তমানে আমি সকলোৱে বিশ্বজুৰি হোৱা এটা মহামাৰীৰ দুৰ্যোগপূৰ্ণ সময় পাৰ কৰি আছোঁ। গোটেই বিশ্বজুৰি অৰ্থনৈতিক, স্বাস্থ্য, শিক্ষা এই সকলো দিশত সমস্যাৰ সন্মুখীন হৈছে। নিয়মীয়া শিক্ষা প্ৰদান কৰাৰ দিশতো এই মহামাৰী এটা গুৰুত্বপূৰ্ণ সমস্যা হিচাপে দেখা দিছে। এই সময় চোৱাত নিয়মীয়া পাঠদান সম্ভৱপৰ হোৱা নাই। গতিকে ছাত্ৰ-ছাত্ৰী সকলে কিদৰে শিক্ষা লাভ কৰিছে এই বিষয়টো এটা চিন্তনীয় হৈছে।

আনুষ্ঠানিক শিক্ষা ব্যৱস্থাটো প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয়ৰ পৰ্যায়লৈকে ধৰা হয়। বৰ্তমান সময়ত অনলাইন শিক্ষা ব্যৱস্থাটোৰ যোগেদি সকলো পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰিবলৈ বিচৰা হৈছে আৰু কৰা হব। শিক্ষাৰ বিশ্ববিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰী সকলে এটা গুণগত মানদণ্ড আয়ত্তকৰণ কৰি যায় আৰু তেওঁলোকে প্ৰযুক্তিবিজ্ঞানৰ এই সঁজুলি সমূহৰ লগত পৰিচিত। কিন্তু আমাৰ প্ৰাথমিক ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ বেছি সংখ্যকে এই পদ্ধতিৰ লগত পৰিচিত নহয়। প্ৰত্যেক্ষভাৱে প্ৰদান কৰা শিক্ষা ব্যৱস্থাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত গঢ়ি উঠা সম্বন্ধই ছাত্ৰ-ছাত্ৰীক অনুশাসন শিকাই, উৎসাহ দিয়ে আৰু সহজে বিষয়বস্তু বুজি পোৱাত সহায় কৰে। কিন্তু আমি এতিয়া প্ৰত্যাহ্বান সন্মুখীন হৈছো। প্ৰযুক্তি বিজ্ঞানৰ ন-ন পদ্ধতিসমূহ মানি লব লগীয়া হৈছে।

নিয়মীয়াকৈ পাঠদান সম্ভৱপৰ নোহোৱাৰ বাবে অনলাইন শিক্ষা ব্যৱস্থাৰ নূন্যতম প্ৰয়োজনীয় হৈছে এটা এনৰয়ত মোবাইল বা কম্পিউটাৰ, ইন্টাৰনেট, অপৰ্যাপ্ত বিদ্যুৎ। নগৰ, মহানগৰ সমূহত ইন্টাৰনেট, বিদ্যুৎ, অভিভাৱকৰ আৰ্থিক অৱস্থাৰ সমস্যা তুলনামূলক ভাৱে গ্ৰাম্য অঞ্চলতকৈ কম। গ্ৰাম্য অঞ্চলত বসবাস কৰা বহুত ছাত্ৰ-ছাত্ৰী অনলাইন শিক্ষা ব্যৱস্থাৰ পৰা বঞ্চিত। অনলাইন শিক্ষা ব্যৱস্থা শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু চৰকাৰে প্ৰদান কৰা সুবিধা এই সকলো বিলাকৰ সামূহিক প্ৰচেষ্টাতহে সফলতা নিৰ্ভৰ কৰিছে। যিহেতু হঠাতে হোৱা পৰিবৰ্তন এটা সকলো অঞ্চলতে সমপৰ্যায়ৰ সুফল আশা কৰিব নোৱাৰি। চৰকাৰে পৰ্যায়ক্ৰমে সহায় কৰক আৰু সা-সুবিধা প্ৰদান কৰক। অভিভাৱক সকলে আধুনিক প্ৰযুক্তি বিদ্যাৰ পদ্ধতি সমূহৰ লগত পৰিচিত হওক, নিজৰ সন্তানক যিমানভাৱে সুবিধা দিয়ক, ঘৰুৱা পৰিৱেশত নিজৰ সন্তানক চকু ৰাখক যাতে অনলাইন শিক্ষা ব্যৱস্থাটো এন্টাৰটেইনমেন্ট হিচাপে নলয়। এনৰয়ড মোবাইল এটা লৰা-ছোৱালীয়ে কেনেকৈ ব্যৱহাৰ কৰিছে এই দিশত সতৰ্ক হ'ব লাগিব। অনলাইনৰ যোগেদি দিয়া গৃহকাৰ্য্য নিয়মিত ভাৱে কৰাত উৎসাহ দিব লাগে।

শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ দক্ষতা বৃদ্ধিৰ ওপৰত চেষ্টা চলাব লাগিব। পাঠদানৰ নতুন পদ্ধতিসমূহ, কৌশলসমূহৰ যোগেদি বিষয়বস্তু ছাত্ৰ-ছাত্ৰীয়ে বোধগম্য হোৱাকৈ পাঠদান কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব। নিয়মিত গৃহকাৰ্য্য মূল্যায়ন কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহ দিব লাগিব। সু-স্বাস্থ্যকৰ শিক্ষানুষ্ঠানৰ পৰিৱেশৰ ওপৰত গুৰুত্ব দিয়া উচিত।

স্বাস্থ্যসন্মত পৰিৱেশত যাতে ছাত্ৰ-ছাত্ৰী সকলে পাঠগ্ৰহনৰ সুবিধা পায় আৰু তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমি পৰিৱৰ্তনৰ প্ৰত্যাহ্বানক স্বীকাৰ কৰিবই লাগিব পৰিবৰ্তিত পৰিস্থিতিয়ে বহুত শিকাই যায়। এই সময়ত আমি সকলোৱে নজনা কথা শিকিবলৈ বাধ্য হৈছো। ভৱিষ্যত শিক্ষা ব্যৱস্থাত এটা ভাল পৰিৱৰ্ত্তন আহক; পৰীক্ষা পদ্ধতি পাঠ্যক্ৰমত প্ৰস্তুত কৰাত, পাঠদান ব্যৱস্থাত সকলোতে যাতে এজন সু-নাগৰিক গঢ়াত সহায়ক হয় তাৰ আশা ৰাখিছোঁ।



# ৰাজনীতিত গণমাধ্যমৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱ

**নমী বুঢ়াগোঁহাই**
কলা শাখা, প্ৰথম যন্মাসিক

যোগাযোগৰ এক প্ৰাণদায়িনী আহিলা হিচাপে ছ'চিয়েল মিডিয়াই ভূমিকা পালন কৰি আহিছে। ই জনমত প্ৰকাশৰ নতুন পথ সৃষ্টি কৰিছে আৰু বিশেষকৈ যুৱ-প্ৰজন্মক ৰাজনৈতিক আৰু সামাজিক কাৰ্য-কলাপত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰিছে। এক ৰাজনৈতিক উপকৰণৰ ৰূপত ছ'চিয়েল নেটৱৰ্কিং সংযুক্ত হৈছে। টেলিফোন উপভোক্তাৰ ঘনত্ব বৃদ্ধিয়ে, বিশেষকৈ নগৰ অঞ্চলত অনলাইনত সক্ৰিয় লোকসকলৰ সংখ্যা বৃদ্ধিত অৰিহনা যোগাইছে। মধ্যবিত্তীয় শ্ৰেণী বৃদ্ধি পোৱা লগে লগে অধিক সংখ্যক ভাৰতীয় অনলাইনপ্ৰাপ্ত হব, সেইয়া নিশ্চিত। ভাৰতৰ ৮০ মিলিয়ন ফেচবুক ব্যৱহাৰকাৰী ৰাজনীতিৰ প্ৰতি অসচেতন মুঠেও নহয়। সাধাৰণ অনুভৱ এয়াই যে ক্ৰমাগতভাৱে ছ'চিয়েল মিডিয়াত সক্ৰিয় লোকসকলৰ সংখ্যা বৃদ্ধিৰ লগে লগে ৰাজনীতিক নতুন অভ্যাস আৰু জীৱনশৈলীলৈ অভিযোজন কৰিব লাগিব। আজিৰ যুগটো ইন্টাৰনেটৰ যুগ। ভাৰতবৰ্ষত ইন্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা যথেষ্ট। ২০১২ চনত ভাৰতত ইন্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা আছিল ২১.৩ কোটি। ই ৪২ শতাংশ বাঢ়ি গৈ ২০১৩ চনত ১৫ কোটি হ'লগৈ। ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে ভাৰতৰ মুঠ ৫৪৩ টা সমষ্টিৰ ফলাফল সংশ্লিষ্ট সমষ্টিবোৰৰ ফেচবুক ব্যৱহাৰকাৰী সকলৰ দ্বাৰা প্ৰভাৱিত হব বুলি পূৰ্বধাৰণা কৰা হৈছিল। নিৰ্বাচনৰ ফলাফলে এই পূৰ্বধাৰণা সঠিক বুলি প্ৰমাণ কৰিলে। আকৌ ২০২০ চনৰ ইন্টাৰনেট ব্যৱহাৰকাৰী ৬৮৭.৬ মিলিয়নৰ লৈকে বৃদ্ধি পাইছে। নিৰ্বাচনী প্ৰচাৰৰ পৰম্পৰাগত পদ্ধতিক অতিক্ৰমী ছ'চিয়েল মিডিয়া তিনিবিধ শীৰ্ষ যোগাযোগ সাধনকাৰী অহিলাৰ ভিতৰৰ এবিধ হৈ পৰিছিল।

নিক'লাচ ক্ৰাইচটাকিচ (Nicholas Chistakis) আৰু জেমচ ফউলাৰ (Jamesh Fowler) - "Connected : The Surprising Power at our Social networks and how they Shape our Lives. " শীৰ্ষক গ্ৰন্থত যোগাযোগৰ জালগোঠনিৰে সম্পৰ্কিত হৈ থকা আধুনিক পৃথিৱীখনৰ চাৰিটা ঘাই নীতিৰ কথা উল্লেখ কৰিছে। প্ৰথমটো হ'ল সংক্ৰমন নীতি। ই আমাৰ জীৱন ধাৰণত প্ৰভাৱ বিস্তাৰ কৰিছে। ই আমাৰ আশা আকাংক্ষা, আমাৰ আবেগ আৰু আমাৰ স্বাস্থ্যত প্ৰভাৱ পেলাইছে। দ্বিতীয়টো হ'ল অনুসৰণ নীতি। আমি বন্ধুসকলক অনুসৰণ কৰো। বন্ধু-বান্ধৱসকলে আমাক স্বীকৃতি আৰু সুৰক্ষা প্ৰদান কৰে। আমাৰ কোনোৱা এজন বন্ধুৱে যদি কিবা এটা কৰে, কিবা ক্ৰয় কৰে, কৰ'বালৈ যায়। আমি তেনে কৰাৰ প্ৰৱণতা অনুভৱ কৰো, তেওঁ যি ক্ৰয় কৰে সেয়া ক্ৰয় কৰা বাবে, তেওঁবিলাক যি ঠাইলৈ গৈছে, আমিও সেই ঠাইখিনিলৈ যোৱাৰ প্ৰৱণতা অনুভৱ কৰো। তৃতীয়টো হ'ল প্ৰতিধ্বনি নীতি, যিটোৱে দেখুৱাই যে, আমি কেৱল আমাৰ নিজা বন্ধু-বান্ধৱসকলৰ দ্বাৰা প্ৰভাৱিত নহওঁ, তেওঁবিলাকৰ বন্ধু-বান্ধৱসকলৰ দ্বাৰা হওঁ। এনেদৰে আমি তিনিটা পৰ্যায়ৰ বন্ধু-বান্ধৱসকলৰ প্ৰতিধ্বনিত কৰো, ইয়াৰ শক্তি আৰু প্ৰভাৱ বিনষ্ট হোৱাৰ আগেয়ে। চতুৰ্থটো ক্ষণদায়িত্বৰ নীতি। ই ইয়াকে বুজায় যে নেটৱৰ্ক বিলাকৰ নিজা জীৱন আছে। কোনো এজন ব্যক্তিয়ে নেটৱৰ্কৰ নিয়ন্ত্ৰণ নাইবা ইয়াৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। ই জটিল, গতিশীল আৰু অবিৰতভাৱে বিকাশশীল ইয়াত কোনো কেন্দ্ৰীয় নিয়ন্ত্ৰণবিন্দু নাই কিন্তু এটা কিৰণকাৰী বুদ্ধিমত্তা আছে। উদাহৰণস্বৰূপে ৱিকিপিডিয়া হ'ল এনে এটা মুক্ত সূচনা পদ্ধতি য'ত উপলব্ধ সূচনাবাজি যিকোনো ব্যক্তিয়ে সম্পাদিত কৰিব পাৰে। গুৰুত্বপূৰ্ণ কথা হ'ল নিজাকৈ গঠন কৰা গোটৰ দৰে ইয়াৰ কোনো কেন্দ্ৰীয় নিয়ন্ত্ৰণ নাই, অইনৰ চাপত কোনোৱা অইনৰ নিন্দা-ৰটনাও কৰিব নোৱাৰে।

চচিয়েল মিডিয়া ভাৰতীয় ৰাজনীতিৰ পৰিৱৰ্তন সাধক হিচাপে পৰিগণিত হৈ পৰিছে আৰু ভৱিষ্যতে অধিক শক্তিশালী প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব। জনসাধাৰণৰ মাজলৈ ৰাজনৈতিক নেতাসকলৰ বাণী লৈ যোৱাটো ত্বৰান্বিত কৰিবলৈ ৰাজনৈতিক নেতাসকলে অনলাইন মাধ্যম ব্যৱহাৰ কৰিবলৈ লৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে দেশৰ নিৰ্বাচনী প্ৰচাৰত ই ইতিমধ্যে বৃহৎ ভূমিকা পালন কৰিছে। ভাৰতততো ই একেই ভূমিকা পালন কৰা দেখা গৈছে। কিন্তু ই দুয়োফালে ধাৰ থকা তৰোৱালৰ দৰে। কাৰণ, কোনোৱে যদি এটা ভুল বাৰ্তা সমাজলৈ এৰি দিয়ে, তেনেহ'লে তাক বাহিৰলৈ উলিয়াই দিয়া হ'ব, আৰু ইয়াৰ কাৰণে সময়ও নালাগে ।

পৃথিৱীৰ ইতিহাসত পোনপ্ৰথমবাৰৰ কাৰণে, যিকোনো ৰাষ্ট্ৰৰ ভৱিষ্যত ইয়াৰ জনসাধাৰণৰ হাতৰ মুঠিলে আহি পৰিছে। জনসাধাৰণে নিজৰ মতামতৰ চাপ দেশৰ নেতাসকলৰ ওপৰত, লাগিলে তেওঁবিলাক চৰকাৰী আমোলাই হওক অথবা বিধানমণ্ডলৰ প্ৰতিনিধিয়েই হওক - তেওঁলোকৰ ওপৰত প্ৰয়োগ কৰিবলৈ সমৰ্থ হৈছে, যিটো আগতে কোনো কাহানিও হোৱা নাছিল। জনসাধাৰণৰো যে এটা কণ্ঠ আছে, ছ'চিয়েল মিডিয়াই অৱশেষত মানুহৰ উপলব্ধিত এই স্ফুলিংৰ সৃষ্টি কৰে। বিষয় অথবা ধাৰণাৰ গণতান্ত্ৰিকীকৰণৰ জড়িয়তে যে উমৈহতীয়া অনুৰাগেৰে তেওঁলোক পুনৰ একত্ৰিত হৈ গতিশীলতাক অনুপ্ৰানিত কৰিব পাৰে আৰু পৰিৱৰ্তন প্ৰজ্বলিত কৰিব পাৰে— ছ'চিয়েল মিডিয়াই এই উপলব্ধি কৰাটো সহায় কৰে।

গল্প

# হানাবাঘ

**মৃদুল শৰ্মা**
তৃতীয় সান্মাষিক (অসমীয়া বিভাগ)

“মাই, কিবা খাওঁ এ”

“এ ৰহ, ভখ লাগ্বাৰ হলে না তোৰ?”

এৰা, হৈছে তাইৰ ভোক লাগিবৰ সময়, নালাগিবই কিয়? কালি দুপৰীয়াই আলুপিটিকা ভাত এমুঠি খাইছিল আৰু তেতিয়াৰ পৰা এতিয়ালৈ, এতিয়া বেলি দুপৰেই হবহি লাহেকৈ, ৰাতি পুৱাৰ মনত নপৰা হল। অৱশ্যে নিৰ্মালিৰ অভ্যাস হৈ গৈছে এনেদৰে দুই তিনিদিন লঘোনে থকাৰ, পিছে জীয়াই হে নিজক সাজু কৰিব পৰা নাই দৰিদ্ৰতাই কোঙা কৰা জীৱনটোৰ সৈতে যুঁজিবলৈ। আচলতে এয়া তাইৰ ভুল নহয়, জীৱন মানে কি বুজি পোৱাৰ আগতেই জীৱনৰ সৈতে যুঁজিবলৈ আৰম্ভ কৰিছে তাই। ইটো সিটো ঘৰুৱা কাম কৰি থকা মাকৰ চাদৰ খনত ধৰি কিবা খাও কিবা খাও কৈ থেনথেনাই আছে তাই। মাকেও নো কি খাবলৈ দিব? খাবলৈ ঘৰখনত আছেই বা কি? নিৰ্মালিয়ে নিজৰ পেটৰ পোৱালিটোৰ ভোকৰ তাৰনা সহ্য কৰিবলৈ তাই অসমৰ্থ। সেয়ে ডিঙি মেলি মেলি পদুলিলৈ চাই আছে তাই, কি জানি গিৰিয়েক উভতি আহিছেই কিজানি কিবা খোৱাৰ যোগাৰ আনিছেই! নাই গিৰিয়েকৰ দেখা দেখিয়ে নাই। চাগে কৰবাত কিবা কাম পাইছে, নহলে জানো ইমান দেৰি কৰে, বৰ আশাৰে তাই জীয়াৰ মুখলৈ চালে, শেঁতা হাঁহি এটাৰে জীয়াৰ মূৰত হাত বুলাই কলে, দেউতাৰে ঘূৰি আহিলেই কিবা খাম ৰহ। গিৰিয়েক বলেনে কাম বিছাৰি অত-তত ঘূৰিয়েই পাৰ কৰে মাহটোৰ আধাদিন, খেতি কৰিবলৈ ও সিহঁতৰ নিজৰ বুলি মাটি নাই, যি দুই এবিঘা আছিল সেইয়াও মহাজন খুড়াই চল কৰি নিজৰ হাতলৈ নিলে।

কুটনীতিৰ চক্ৰান্তত সিহঁতৰ জীয়াবৰ আশা ভৰসা নোহোৱা হোৱাৰ দৰেই হৈছিল। এইবোৰ দুখ দুৰ্দশাৰ পৰা চম্ভালি কোনোমতে সুতৰি সামৰি লৈছিলহে তেনেতে আহিল আনটো কলিজা কলা কৰা খবৰ। নিৰ্মালি আৰু বলেনক ৰাইজে এঘৰীয়া কৰিলে। কাৰণ, তিনিবছৰীয়া জীয়াই ধৰ্মেশ্বৰ হঁতৰ ঘৰলৈ গৈছিল। একে গাঁৱৰে ধৰ্মেশ্বৰক কিছুবছৰ আগতেই ৰাইজে জুইয়ে পানীয়ে বেলেগ কৰি থৈছে। ধৰ্মেশ্বৰৰ পুতেক নিতুৰ লগৰ একে বয়সৰেই হব জীয়া। কণমানি মনটোৱে খেলাৰ লগ বিছাৰি যাওঁতেই লাগিল কেনা। তাৰ পিছৰ পৰা সিহতে গাওঁৰ এঘৰ মানুহৰ চোতালতো ভৰি দিয়া নাই অথবা ৰাইজৰ কোনো এঘৰেও সিহঁতৰ পদুলি গছকা নাই। আগতে বলেনে গাঁৱতেই হাজিৰা কৰি ভাতমুঠি মোকলাই আছিল যদিও ৰাইজে এঘৰীয়া কৰাৰ পাছত তাৰো মুদা মৰিল। এতিয়া সি আন গাঁৱলৈ গৈ কাম বিচাৰিবলগীয়া হৈছে। পিছে আন গাঁওত কাম বিচাৰি পোৱাটো ইমান সহজ নহয় আজিৰ দিনত; সেয়ে সিহঁতৰ অৱস্থা দিনে দিনে শোচনীয় হৈ আহিছে, সিখন গাওৰ দোকানী জনেও বাকী দিবলৈ নিবিচৰা হৈছে। এতিয়া বলেনে এসাজ খাই দুই তিনিসাজ লঘোণে থাকি দিন কটাবলৈ আৰম্ভ কৰিছে।

বলেন আহিছে, চোতালৰ পৰাই নিৰ্মালিয়ে দেখিছে গিৰিয়েকৰ হাতত থকা মোনাখন। ভাগ্যে কিবাকে আকসাঁজ যোগাৰ হ'ল আজি, পৰভূ, চকু মেলি চাও আৰ আমাক... ভোৰভোৰালে নিৰ্মালিয়ে। ইতিমধ্যে ভোকে ভাগৰে জুৰুলা কৰা গিৰিয়েক আহি চোতাল পাইছিল।

“দেউতা, মাংচ আনছা না?” জীয়াৰ আব্দাৰ। কেইদিন মানৰ পৰা জীয়াই দেউতাকক এনে অনুৰোধ কৰিয়েই আছে। জীয়াৰ শেঁতা পৰা কাতৰ মুখখন দেখি বলেনৰো চকু দুটা সেমেকি উঠে। সঁচাকৈ কিমান দুখীয়া সিহঁত! নিজৰ ছোৱালীজনীক এসাজ ভালকৈ খুৱাব নোৱাৰে, একো এটা অভাৱেই পুৰাই দিব পৰা নাই সি জীয়েকৰ, ইমানেই দুভগীয়া পিতৃ সি!!! এইবোৰ ভাবিয়েই বলেনৰ চাগে কলিজাখন মোচৰ খাই আহে।

“এই, খাবাৰ ভাত নাই, তাই আৰু মাংছ খাই” বেদনাবোৰ একাষৰীয়াকৈ থৈ বলেনে ধমক দি উঠিল।

“খাবাৰ কিবা আন্চি না?” বুলি নিৰ্মালিয়ে গিৰিয়েকৰ হাতত থকা টোপোলাটোলৈ চাই বৰ আপাহেৰে সুধিলে।

“চাউল আছে দে আক্ কেজি মান, আক মুঠা মান বহে ফেলে খা দুৱো। মই বন কৰা তাতেৰে ৰুটি আখান দি চাহ খাই আইছ্চু দে” বুলি কাঁথীতে বহি টোপোলা খুলি থকা নিৰ্মালিলৈ চাই বলেনে কলে।

“ কবাত আকমুঠা দালিও দি খেদলি ভালে আছিল, কেমান দিন দালি খাবা পাৱাই নাই। দুইদিন পিছত বধয় গাৱৰ (দেহৰ) মাংচ চবাবা লাগা হবো, কানা গহই মাৰি নিলিও হয়।” সমস্ত দুখ-দুৰ্দশাৰ বোজা

ঈশ্বৰৰ গালৈ ঠেলি নিৰ্মালি ভিতৰ সোমাল। নিৰ্মালিৰ কথাখিনি শুনি বলেনৰ যেন চকু দুটা তিৰবিৰাই উঠিল। "আজি মাংচ খাম দে গধুলা, ইঠাথ মায়েৰে যি দেই সেয়ে খাগেল।" বুলি জীয়াৰ মুৰত হাত ফুৰাই বলেন ওলাই গ'ল। সন্ধিয়া লাগি ভাগিবৰ পৰত বলেনে হাতত ক'লা টোপোলা এটা লৈ ঘৰলৈ উভতিছে। খোজকেইটা সামান্য থৰক থৰক হৈছে বলেনৰ, বলেনে লেকেচিয়াই আহিছে, ককালৰ গামোচাখনেৰে ফেৰাত (উৰুত) এটা জখম চাকি মৰা আঁট। "এই সু, মাংচ আনচু লৈ যা," টোপোলাটো নিৰ্মালিলৈ আগবঢ়াই দিলে। "ক'ত পালি মাংচ আন্‌বাৰ পইচা, আৰু ভৰিখানত কিহ'ল, খট্টিয়ে আহা হান পাং চুন।" সুধিলে নিৰ্মালিয়ে।" নাই দে, উঝাত খালু বাটত, আকো হবা নাই দে, যা ভাত বানাগেল।" কথাবোৰ সামৰি বলেনে নিৰ্মালিৰ কাষৰ পৰা আতৰি গ'ল।

"বৰ সদকে খালু দে আজি, এনাই সদৰ মাংচ খাইয়ে পাৰা নাছিলু, কিহৰ মাংছ আছিল নু, আৰু খাং খাং লাগ্‌বা ধছি।" ভৰাপেটৰ উগাৰ এটা মাৰি নিৰ্মালিয়ে সুধিলে। "মুৰ্গীৰ মাংহ, সেখান পাৰাত বেছিছিল, যা এতিয়ান ঘুমটি যাগেল, আপীবধয় টুপুনি গেলেই।" বলেনে কথাষাৰ কৈ বাৰাণ্ডাতে ভগা ঢাৰি এখন যতনাই ললে।" অগ্নি আৰু এতে কি কৰে, যো, যো — মাতিলে নিৰ্মালিয়ে, "মই আজি এতেৰে বাগেৰদিম যা, তই যা ভিতাৰক।" শুবলৈ গ'ল নিৰ্মালি। বাটৰ কাষৰ আমতালত কিবা এটাই খচমচাই উৰি গ'ল। পুবে ধলফাত দিওতেই নিৰ্মালিয়ে দুৱাৰ খুলিলে। 'হেৰি' বিকট চিঞৰত চাগে গাওখন কপি গ'ল। বাৰাণ্ডাখনত দোঙা দোঙা তেজ, লেবেজান হৈ পৰি আছে বলেন, ফেৰাৰ (উৰুৰ) এবখলা মংহ নাই। হায়ৈ বিয়ৈ কৈ কান্দিছে নিৰ্মালিয়ে। সমাজে বান্ধি দিয়া নিয়মৰ বাবেই বিমলা বুঢ়ীয়ে বাটৰ পৰাই সকলোবুজ লৈ বেগাবেগিকৈ ঘৰমুৰা হ'ল।

মেখেলাখন আঠুৰ ওপৰলৈ কোচাই দীঘল খোজ দি চিঞৰি চিঞৰি গ'ল— " ঐ গাওঁত হানাবাঘ ওলচি ঐ, চলি পলি গধুলা বাইহ্‌ৰোক ওলবা নেদবি, বলেনৰ ফেৰাৰ আকবাখালা এৰিয়ে নিচি। গামচায়ে পানীয়ে লাগাল পাৰাতে থবিঐ বাপাহাত।"

( হানাবাঘ এক নামনি অসমৰ কিছু অঞ্চলত প্ৰচলিত বিশ্বাস।)

# কুইজ

১। পৃথিৱীৰ বৃহত্তম জনবহুল মহানগৰী কি ?
উঃ- টকিঅ'।

২। মিছা কথা ধৰা পেলোৱা যন্ত্ৰটোৰ নাম কি ?
উঃ- পলিগ্ৰাফ।

৩। বৰ্তমান পৃথিৱীৰ উচ্চতম অট্টালিকাটোৰ নাম কি ?
উঃ- বুৰ্জ খলিফা (দুবাই)

৪। পৃথিৱীৰ আটাইতকৈ ডাঙৰ ফুল কি ?
উঃ- ৰেকলিজিয়া

৫। প্ৰথমে ক'ত চাহৰ প্ৰচলন হয় ?
উঃ- চীন দেশত।

# মহৎ লোকৰ বাণী

(ক) শিক্ষাই মানুহৰ শ্ৰেষ্ঠ সম্পদ। — চক্ৰেটিজ।

(খ) ভুল জনাতকৈ নজনাই ভাল। — শ্বেক্সপীয়েৰ।

(গ) যি নিজস্বক হেৰুৱাই তেওঁ সকলো হেৰুৱাই ।
— মহাত্মা গান্ধী।

(ঘ) শিক্ষাই জীৱন জীৱনেই শিক্ষা। — লজ

(ঙ) শিক্ষক এডাল মমবাতিৰ দৰে যিয়ে নিজে জ্বলি আনক পোহৰ দিয়ে। —চক্ৰেটিজ

—**ৰুবি দাস**
স্নাতক, তৃতীয় ষান্মাসিক

# স্মৃতিয়ে আমণি কৰে

**চয়নিকা দাস**
ষষ্ঠ যান্মাসিক, কলা শাখা

সুজাতাই সাৰ পাই উঠি এঙামুৰি দি দিনটোৰ কাৰ্যসূচীখিনি মনত পেলালে আৰু কিছু যোগাসন কৰি বিছনাৰ পৰা নামি আহি দুৱাৰ খিৰিকিবোৰ খুলিবলৈ ল'লে। প্ৰথমখন খিৰিকি মেলাৰ লগে লগে এচাটি স্নিগ্ধ বতাহে তাইৰ গা-মন শীতল কৰি দিলে বাগিছা খনৰ ফলে তাইৰ চকু পৰিল। এনেহে লাগিল যেন তাইক দেখি ফুলবোৰে মিচিকিয়াই হাঁহিছে। তাই কিছু সময় ফুলবোৰৰ ফালে চাই থাকি কোঠালিটোৰ আনবোৰ দুৱাৰ খিৰিকি খুলি দিলে তাইৰ কানত পৰিল বনকৰা মানুহজনিয়ে চোতাল সাৰা বাঢ়নিৰ শব্দ তাই বুজিলে যে আধা ঘন্টাৰ আগত আৰু চাহ পোৱা নাযাব। কাৰণ মানুহজনীয়ে ঘৰ চোতাল সাৰি মচি গা ধুই চাকি এগছি জ্বলাইহে পাকঘৰত সোমায়। তাই চকী এখন আনি খিৰিকিৰ কাষতে বহিল কাৰণ চাহ কাপ খাইহে তাই গা ধুবলৈ যাব আৰু সেই সময়তে মানুহজনীয়ে ব্ৰেকফাষ্ট বনাব।

খিৰিকিৰ সমুখত বহি তাই কিবা কিবি ভাবি থাকোতেই আগফালৰ বাটত কান্দোনৰ শব্দ শুনি অলপ হাউলী ক'ৰ পৰা কান্দোনৰ শব্দ আহিছে চাবলৈ ধৰোতেই দেখিলে মানুহকেইজন মানে মৰাশ লৈ গৈ আছে আৰু পিছে পিছে ৮/৯ বছৰীয়া ছোৱালী এজনীয়ে ৰাউচি জুৰিছে, "মোৰ মাক লৈ নাযাবা, নমাই দিয়া।" তাইৰ পিছে পিছে ৫/৬ বছৰীয়া ছোৱালী এজনীও কান্দি কান্দি দৌৰিছে। সেই দৃশ্য দেখাৰ লগে লগে তাই উচপ খাই উঠিল। তাইৰ মনত পৰিল প্ৰায় ৪০ বছৰ আগৰ সেই দৃশ্যটো। তাই মাকক মানুহে এনেদৰে সাঙীত উঠাই লৈ গৈছিল আৰু তাই বায়েকৰ পিছে পিছে একো নুবুজাকৈয়ে কান্দি কান্দি দৌৰিছিল। তাই ঘপকৰে চকীখনতে বহি পৰিল।

সুজাতাহঁতৰ চাৰিগৰাকী বাই-ভণী আছিল। ডাঙৰ বায়েক নীজৰা তাইতকৈ তিনিবছৰে ডাঙৰ আছিল। গীতিকা তাইতকৈ দুবছৰৰ সৰু আৰু সৰুজনী ঋতিকা সেইসময়ত মাত্ৰ তিনিমহীয়া আছিল। গীতিকা আৰু ঋতিকাই মাকৰ মৰমৰ সোৱাদকেই নাপালে। তেওঁলোকৰ দেউতাক অসম চৰকাৰৰ ডাঙৰ বিষয়া আছিল সেয়েহে ঠায়ে ঠায়ে বদলী হৈ ফুৰিছিল। মাতৃহীনা ছোৱালী কেইজনীক তেওঁ কেনেকৈ চোৱা চিতা কৰিব। সুজাতাৰ তিনি গৰাকী মাহী আছিল। তাৰে দুগৰাকী ইতিমধ্যে বিয়া হৈ গৈছিল। সৰু মাহীয়েক ঋতিকাৰ ভালদৰে যত্ন লোৱা দেখি দেউতাকে আইতাক আৰু মাহীয়েকৰ লগত তেওঁলোকক থৈ নিজৰ কৰ্মস্থানলৈ উভতি গ'ল। এনেদৰে এটা বছৰ অতিক্ৰম কৰিলে। আত্মীয় স্বজনে বুজাই বঢ়াই দেউতাকৰ সতে মাহীয়েকৰ বিয়া পাতি দিলে। মাহীয়েকে অমান্তি হৈছিল যদিও ছোৱালীকেইজনীক আনৰ হাতত তুলি দিলে কষ্ট হ'ব বুলি ভাবিয়েই বিয়াত মান্তি হৈছিল। মাহীয়েকে ভিনিয়েকক স্বামী হিচাবে কিছুদিন মানি ল'ব পৰা নাছিল কিয়নো, তাইতকৈ ভিনিয়েকৰ বয়স বহু বেছি আছিল। যি কি নহওক সুজাতা হতে দেউতাকৰ লগত পুনৰায় থাকিবলৈ পাইছিল। তেওঁলোকে ঠায়ে ঠায়ে ঘূৰি ফুৰিছিল যদিও আটাইকেইজনীয়েই পঢ়াৰ লগে লগে আন কামতো সিদ্ধহস্ত আছিল। এইদৰে ঘূৰি ফুৰি তেওঁলোক এদিন ধুবুৰী পালেহি আৰু তাত আহি পোৱাৰ কিছুদিন পিছতেই মাহীয়েকে ছোৱালী এজনী জন্ম দিলে আৰু তেওঁলোকৰ দুখৰ দিন আৰম্ভ হ'ল। যি মাহীয়েকে ঋতিকাৰ বাবে ভিনিয়েককে স্বামী বৰণ কৰিছিল আজি সেইগৰাকী মাহীয়েকে ঋতিকাক দেখিব নোৱাৰা হৈ পৰিল। মাহীয়েকে ঋতিকাক তেওঁৰ আৰু কেঁচুৱাটিৰ কাষকে চাপিব নিদিয়া হ'ল।

দেউতাক উচ্চ পদস্থ বিষয়া বাবে তেওঁ ড্ৰাইভাৰ, ৰান্ধনী, মালী, বনকৰা মানুহ সকলো চৰকাৰৰ পৰাই পাইছিল। কিন্তু লাহে লাহে মাহীয়েকে সিহঁতক, নৰখা হ'ল আৰু সুজাতাহঁতৰ ওপৰত ঘৰখনৰ কামবোৰ জাপিবলৈ ধৰিলে। নীজৰা আৰু গীতিকা পঢ়াত বৰ চোকা আছিল কিন্তু মাহীয়েকে তেওঁলোক দুয়োকে ৰান্ধনীশালৰ কাম জপিলে। ঘৰ চাফা কৰা, কাপোৰ ধোৱা আদি সুজাতাক দিলে। ঋতিকাই কেঁচুৱা চোৱাৰ কাম পালে। দেউতাক মফস্বললৈ যাবলগীয়া হোৱা বাবে এইবোৰ কথাৰ ভুকে নাপাইছিল। স্কুললৈ ওলাই অহাৰ আগতে তেওঁলোকে সকলো কাম সামৰি আহিব লাগিছিল। পিছে তেওঁলোকে স্কুললৈ আহিয়েই কিতাপ মেলিলৈছিল আৰু শিক্ষক ক্লাছলৈ অহাৰ আগতে যিমানখিনি পাৰে পঢ়িছিল। ৰাতি ভাত বন্ধাৰ সময়ত বায়েকে তেওঁলোকৰ কিবা নুবুজা থাকিলে বুজাই দিছিল আৰু সেই ছেগতে তেওঁলোকে স্কুলৰ পৰা দিয়া ঘৰৰ কামবোৰো সমাধা কৰিছিল নতুবা খোৱা লোৱাৰ পিছত মাহীয়েকৰ টোপনি আহিলে মনে মনে কৰিছিল।

পিছে ঋতিকা পঢ়াত ইমান ভাল নাছিল। তাই অনবৰতে মাহীয়েক আৰু সৰুজনীৰ আলপৈচান ধৰিব লগা হৈছিল। তাই বুজি নাপাইছিল যে কিয় মাকে গীতুমণিক ইমান মৰম কৰে অথচ তাইক ককৰ্থনা কৰে।

কাৰণ তাই জনাই নাছিল যে মাহীয়েক তাইৰ নিজৰ মাক নহয়।

বৰ কষ্ট কৰি নীজৰাই মেট্ৰিক আৰু হায়াৰ চেকেণ্ডাৰী দেওনা পাৰ হ'ল। তথাপিও মেট্ৰিকত তাই পাঁচটা বিষয়ত আৰু হায়াৰ চেকেণ্ডাৰীত তিনিটা বিষয়ত লেটাৰ সহ উত্তীৰ্ণ হ'ল। লগে লগে মাহীয়েকে হুলস্থুল লগালে যে তিনিজনী ছোৱালী গাভৰু হ'ল আৰু এতিয়া এজনী এজনীকৈ বিয়া পাতিব লাগে। দেউতাকেও সন্মতি প্ৰদান কৰিলে। দেউতাকে লৰা চাই তেওঁৰ দৰে এজন উচ্চ পদস্থ বিষয়াৰ লগতে নীজৰাক বিয়া দিলে। তাৰ পিছত সুজাতাও মেট্ৰিক পাছ কৰাৰ লগে লগে ডাক্তৰ লৰা এজনৰ লগত বিয়া দিলে। গীতিকাও বৰ সুখ্যাতিৰে মেট্ৰিক পাছ কৰিলে যদিও মাহীয়েকৰ জেদ পূৰাবলৈ দেউতাকে তাইকো ভাল ব্যৱসায়ী এজনৰ লগত বিয়া দিলে।

এনেতে হঠাৎ এদিন হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ দেউতাক ঢুকাই থাকিল। তেওঁলোক তিনিগৰাকীয়ে খবৰ পোৱাৰ লগে লগে স্বামী সন্তান সহ দেউতাকৰ ঘৰলৈ গ'ল। পিছে দহা-কাজ যোৱাৰ পিছতেই মাহীয়েকে গোটেই কেইগৰাকীক মাতি নি দেউতাকৰ উইল দেখুৱাই ক'লে, "তেওঁ তেওঁৰ স্থাবৰ অস্থাবৰ সকলো সম্পত্তিৰ মালিকী স্বত্ব মোক দি গৈছে। গতিকে তোমালোক আজিয়েই যোৱা গৈ আৰু ঋতিকাকো লগত লৈ যোৱা। আজিৰ পৰা আমাৰ মাজত কোনো সম্বন্ধ নাই। সেয়েহে তোমালোক আৰু ইয়ালৈ নাহিবা।" মনৰ বেজাৰত নীজৰাই ঋতিকাক লগত লৈ গুচি গ'ল। ঋতিকাৰ সম্পূৰ্ণ ভাৰ ডাঙৰ বায়েক ভিনিয়েক ল'লে।

বাউদেউ, আপোনাৰ চাহ ঠাণ্ডা হ'ল, মই নতুনকৈ একাপ বনাই দিওঁ ৰব। বনকৰা মানুহজনীৰ মাতত তাই যেন সপোনৰ পৰা দিঠক পালে। এনেতে মৰ্ণিংৱাক কৰি তেওঁৰ স্বামী আহি পাই তেনেদৰে বহি থকা দেখি গা বেয়া নেকি সুধিলে। তাই চাহ-কাপ হাতত লৈ ঘড়ীটোৰ ফালে চালে। প্ৰায় ১৫/২০ মিনিটমান সময় তেওঁ স্মৃতি ৰোমান্থন কৰিলে। এইফালে হস্পিতালত তাইৰ ডিউটি আছে। তাই ততাতৈয়াকৈ গা ধুবলৈ সোমাল। গা ধুই ধুই ভাবিলে তাইৰ পঢ়াৰ আগ্ৰহ দেখি স্বামীয়ে তাই পঢ়াৰ সুবিধাকণ দিয়া বাবে আজি তায়ো এগৰাকী প্ৰতিষ্ঠিত চিকিৎসক। ভিনিয়েক হতঁকো তাই মনে মনে ধন্যবাদ দিলে। বায়েক আজি এগৰাকী 'অভিযন্তা', গীতিকা এখন পঞ্চতাৰকা হোটেলৰ মেনেজাৰ। ঋতিকাৰ বিয়া হ'ল। তায়ো এগৰাকী চিকিৎসক।

তাই ভাবিলে ভগবানে তেওঁলোকৰ দুখৰ জীৱনত সুখৰ সঞ্চাৰ কৰিছে গতিকে, তেওঁলৈ শতকোটি প্ৰণাম। তাই এইবোৰ ভাবি থাকোতেই বনকৰা মানুহজনী ব্ৰেকফাষ্ট দিলে তেনেতে তাই গাড়ীৰ হৰ্ণ শুনি বুজিলে ড্ৰাইভাৰ সাজু। তাই মানুহজনীক দুই এটা দিহা দি লৰা-লৰিকৈ স্বামীৰ সৈতে গৈ গাড়ীত উঠিল।

# সত্যৰ উপলব্ধি

**জেছিকা দাস**
বানিজ্য শাখা (তৃতীয় সান্মাষিক)

গৌৰীপুৰ নামৰ এখন গাঁৱত ৰতন নামৰ এজন ল'ৰা আছিল। সি পঢ়া-শুনাত বৰ ভাল আৰু অমায়িক স্বভাৱৰ আছিল বাবে গাঁৱৰ সকলোৱে ভাল পাইছিল। ব্যৱসায়ী হিচাপে ৰতনৰ দেউতাক বৰ কঠোৰ মনৰ মানুহ বুলি গাঁৱৰ সকলোৱে গম পাইছিল। দেউতাকে ৰতনক পঢ়াই-শুনাই ধনী ব্যৱসায়ী কৰাৰ সপোন দেখিছিল। সেয়ে দেউতাকে ৰতনক এখন দামী ব্যক্তিগত স্কুলত নামভৰ্তি কৰাই দিলে। এনেদৰে ৰতনৰ পঢ়া জীৱন আগবাঢ়িল। সংগদোষত পৰি ৰতনে মাক-দেউতাকৰ আগত তথা পঢ়া-শুনাৰ নামত মিছা মাতিব ধৰিলে আৰু অৱশেষত ৰতনে মেট্ৰিকত উত্তীৰ্ণ হ'ব নোৱাৰিলে।

ৰতনে মেট্ৰিকত উত্তীৰ্ণ নোহোৱাৰ বাবে মাক-দেউতাকহঁতে বৰ দুখ পালে আৰু ভাবিলে যে, আমাৰ একমাত্ৰ ল'ৰা হৈও আমি ভবামতে সি একো কৰিব নোৱাৰিলে। সি অনবৰত কাৰ্টুন চাই, খেলা-ধূলা কৰি সময়বোৰ নষ্ট কৰিলে। ৰতনৰ দেউতাক কিন্তু বৰ খঙাল আছিল। খঙতে সকলো পাহৰি তেওঁ ৰতনক ঘৰৰ পৰা উলিয়াই দিলে। ঘৰৰ পৰা বাহিৰ কৰি দিয়াত ৰতনে সিহঁতৰ পোন নঙলাটোৰে উচুপি উচুপি ওলাই গ'ল। এনেতে গৌৰীপুৰৰ পৰা কিছু দূৰৈত থকা চৰকাৰী বিদ্যালয় খনৰ অনুপ মাষ্টৰ সেইফালেদি আহি আছিল। ৰতনক উচুপি থকা তেওঁ শুনিলে আৰু সকলো কথা তাৰ মুখেৰে শুনি মনত বৰ আঘাত পালে। তেওঁ ৰতনক সিহঁতৰ ঘৰলৈ ওভতাই আনিলে আৰু ৰতনৰ মাক দেউতাকৰ ওচৰত কথাটো আলোচনা কৰিব বিচাৰিলে। তেওঁ ৰতনৰ দেউতাকক বুজালে— 'সকলো কাম খঙেৰে সমাধা নহয়, ধৈৰ্য্য আৰু সহ্যৰেহে কথাবোৰ চালি-জাৰি চাব লাগে। দামি ব্যক্তিগত বিদ্যালয়ত পঢ়ালেই কেৱল মানুহ কৰিব নোৱাৰি, সন্তানক মানুহ কৰিব লাগিলে অভিভাৱক তথা শিক্ষকসকলে কৰিব লাগিব একজীৱনজোৰা সাধনা। মানুহ হোৱাৰ প্ৰশিক্ষণ নাপালে সন্তানে শুদ্ধ-অশুদ্ধ ধৰিব নোৱাৰে আৰু অধ্যয়নতো আগ নাবাঢ়ে আৰু আজিকালি দেখিছেই নহয়, টিভি-বাতৰিকাকতত যিবোৰহে বাতৰি ওলাই থাকে, বুঢ়া হ'লেই মাক-বাপেকক ৰাজপথত এৰি থৈ যায়। কি যে বিষাক্ত হ'ব ধৰিছে সমাজখন। আপোনালোকে ৰতনক আমাৰ বিদ্যালয়তে নাম লগাই দিয়ক আৰু আপোনালোকেও তাক বন্ধুৰ দৰে শিকাই বুজাই লওক। তেতিয়া দেখিব সকলো ঠিক হৈ গৈছে।' ৰতনৰ দেউতাকে সকলো কথা বুজি পালে আৰু ৰতনক গৌৰীপুৰ আদৰ্শ চৰকাৰী বিদ্যালয় খনত নামভৰ্তি কৰাই দিলে। ৰতনে বিদ্যালয়লৈ যাবলৈ আৰম্ভ কৰিলে আৰু আগতকৈ বেছি মনোযোগেৰে পঢ়িব ধৰিলে। অনুপ মাষ্টৰৰ আদৰ্শগত পাঠবোৰৰ মাজেৰে ৰতনৰ পঢ়াৰ ধাউতি বাঢ়িল। ৰতনৰ ধাউতি দেখি মাক-দেউতাক সুখি হ'ল আৰু ৰতনক আগুৱাই যাবলৈ প্ৰেৰণা আৰু সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে। এনেদৰে ৰতনে এইবাৰ মেট্ৰিক পৰীক্ষাত তিনিটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। ফলাফল শুনি ৰতনৰ মাক-দেউতাক যথেষ্ট সন্তুষ্ট হ'ল আৰু অনুপ মাষ্টৰক ধন্যবাদ জনালে আৰু তেওঁলোকে কৰা ভুলৰ বাবে ক্ষমা বিচাৰিলে। তেতিয়া অনুপ মাষ্টৰে তেওঁলোকক ক'লে, 'মোক ধন্যবাদ জনোৱাৰ কাৰণ আছে বুলি নাভাবো। কিয়নো মই একো ডাঙৰ কাম কৰা নাই। ৰতনৰ সফলতা হৈছে আমাৰ সমূহীয়া কষ্টৰ ফল। আজিৰ সন্তানক মানুহ কৰিবলৈ পিতৃ-মাতৃ আৰু শিক্ষকে সমানে চেষ্টা কৰিব লাগিব।' ৰতনৰ দেউতাকে তেতিয়াহে উপলব্ধি কৰিলে যে, টকাই নহয় আদৰ্শইহে মানুহ গঢ়ে।

# ওলোটাই নকবি বুলি নক'বি

**মনালিছা ৰাজবংশী**
সাংস্কৃতিক সম্পাদক, পঞ্চম ষান্মাসিক, বাণিজ্য শাখা

মনৰ কথা মনতে ৰাখি পল-অনুপল কান্দিবও নোৱাৰো কবিতা আকাৰত স্মৃতি কৰি হিয়া ভঙা দিনবোৰ মনত পেলাব নোখোজোঁ, যি স্মৃতিয়ে দুখ দিয়ে কন্দুৱায়।

জানোবা কিয় মানুহে ওলোটাই কোৱা কথাটোক বেয়া স্বভাৱ বুলি ভাবে ?

ওলোটাই কোৱা মানে 'Reply' দিয়া। Reply বুলি ক'লে ভাল লাগে, কিন্তু 'ওলোটাই কোৱা' বুলি ক'লে ভাল নালাগে।

মহাভাৰততো অৰ্জুণে মাধৱ-কৃষ্ণক মনত ওপজা সকলো ধৰণৰ মনোভাৱ বা প্ৰশ্ন কিছুমান উদাহৰণ দি সুধিছিল কৃষ্ণই উত্তৰ দি গৈছিল... অৰ্জুণে আকৌ সেই উত্তৰৰ লগত সংগতি ৰাখি ওলট পালটকৈ প্ৰশ্নকৰি নিজৰ মনোভাৱ প্ৰকাশ কৰে, কিন্তু কৃষ্ণই কেতিয়াও ক্ৰধিত নহয়, তেওঁ সকলো কথাকে অৰ্জুণকে বুজাই কৈছিল, কিন্তু কেতিয়াও এইটো কোৱা নাছিল যে "তই কিয় মোক ওলোটাই কবি" বা "তই মোক ওলোটাই ন ক'বি"। কৃষ্ণই কেতিয়াও অৰ্জুণক চুপ থাকিবলৈ কোৱা নাছিল। তেওঁ সদায় ভুল-শুদ্ধ, সত্য-অসত্যৰ জ্ঞান দিছিল।

'ওলোটাই কোৱা' অসত্য-অসভ্য বা ভুল হ'ব নোৱাৰে অসভ্যালি কৰি তৰ্ক কৰা'টোহে ভুল বুলিব পাৰি।

এনে এদিন চৰাইৰ লগত সংগতি থকা পাঠ এটাৰ আধাৰত সুধিছিল যে — 'ছাৰ চৰাইৰ ডেউকা থকা বাবে সিহঁতে উৰিব পাৰে, কিন্তু ডেউকা নথকা চিলাখন কেনেকৈ উৰে?

— এই প্ৰশ্নৰ উত্তৰ বুজাব নোৱাৰি শিক্ষকজনে তেওঁকে জধামূৰ্খ বুলি স্কুলৰ পৰা বহিষ্কাৰ কৰিছিল। এনেকৈ এদিন গৈ টমাছ আলভা এডিছন হল, কিন্তু শিক্ষকজনৰ চিনা-চিন নাই ।

শিক্ষকজনে কি ভাবিছিল নেজানো কিন্তু 'ওলোটাই কোৱা' বা প্ৰশ্ন কৰা দুয়োটাই একো একোটা মনৰ ভাব প্ৰকাশ কৰাৰ পদ্ধতি।

মনত অহা কথাটো বা প্ৰশ্নটো বা doubt টো শিক্ষক জনৰ আগত প্ৰকাশ কৰাটো ছাত্ৰজনৰ ধৰ্ম আৰু ঠিক তেনেদৰে ভালদৰে বুজোৱাটোও শিক্ষকজনৰ ধৰ্ম।

মনৰ কথাবোৰ বেছিদিন মনত ৰাখিলেও কষ্ট হয়। ডায়েৰি আছে লিখি থোৱাৰ বাবে কিন্তু যাৰ আগত প্ৰকাশ কৰিব বিচাৰিছিলো, তেওঁ জানো বুজিবনে, তেওঁ জানোঁ পঢ়িবনে ? আৰু বুজি পোৱালৈ জানোঁ মই লগত থাকিম ? লিখনিয়ে জানো কব বিচৰা কথাখিনি প্ৰকাশ কৰিব পাৰিব ? কথাৰ সুৰ বেলেগ বেলেগ আৰু লিখনিত সুৰ বিচাৰি পোৱা টান।

ক'ব বিচৰাজনে লিখিব নাজানিব পাৰে বা আখৰ নেদেখিব পাৰে বা তাৰ কলমটি গুজি ল'বলৈ দুটি আঙুলি নাথাকিব পাৰে। তেতিয়া ?

— তেতিয়া তেওঁ প্ৰত্যেকক্ষণ কান্দিব; প্ৰত্যেকক্ষণ আনজনৰ ওপৰত খং উঠিব, দুৰ্বল হৈ পৰিব।

আৰু সময়, ...... সময়ত ক'ব খোজা কথাবোৰ কওঁতে যদি পলম হৈ যায়! কোৱাৰ সময়ত সেয়া ক্ৰোধিত হৈ ওলাব, তৰ্ক হৈ ওলাব— পিছত কওঁতাজন সকলোৰে চকুত, চকুৰ কুটা হৈ পৰিব।

পিছত ক'ম বুলি অপেক্ষা কৰি থাকিলে, কোৱাৰ সঠিক সময় জানোঁ পাম, সেই সময়লৈ জানোঁ থাকিম বা যিজনক ক'ব খুজিছিলো, সেইজন জানো সেই, সময়ত থাকিব?

কব বিচৰা কথাটি ক'ব নোপোৱাৰ ফলতো সকলোৰে বাবে দোষী হৈ পৰিবলগীয়া হয়। তাৰ পিছতো যদি 'দোষী নহওঁ' বুলি ক'ব খোজে। তেতিয়া সন্মুখৰ পৰা মাত আহিব যে 'ওলোটাই নক'বি'।

ওলোটাই কৈ সত্যতো প্ৰমাণ কৰাৰ পিছত আকৌ ওলোটাই কোৱাৰ হৈ বিবাদৰ সৃষ্টি হয়। আচলতে ওলোটাই কোৱা কথাটো ভুল হ'বও পাৰে কিন্তু ওলোটাই কোৱাটো নহয়।

নজনা কথাত ওলোটাই কোৱা যাব, জনাৰ পিছত সঠিক উত্তৰ পোৱাৰ পিছতহে ওলোটাই কোৱাজনে বুজি পাব। গতিকে বুজি পাবৰ বাবে আৰু মনৰ সন্দেহ প্ৰকাশ কৰি আনক বুজোৱাৰ বাবেহে মানুহে ওলোটাই কয়। গতিকে ওলোটাই কোৱা কথাটো আপুনি কেনেকুৱা ধৰণে লব, সেয়া নিৰ্ভৰ কৰিব আপোনাৰ ওপৰত।

কওঁতাজনে সকলো ক্ষেত্ৰতে বেয়া মনোভাবেৰে ওলোটাই নকব পাৰে। এয়া নিৰ্ভৰ কৰে আপোনাৰ ওপৰত যে আপুনি কথাটো কেনেকুৱা ধৰণে গ্ৰহণ কৰে। আৰু কওঁতাজনে কেনেকৈ ক'ব এয়া কিন্তু তেওঁৰ ওপৰতেই নিৰ্ভৰ কৰিব। পিছে এয়া সম্ভৱ হ'ব যদি আপুনি কওতাজনক ওলোটাই কোৱা কথাটো ভালদৰে ক'ব দিয়ে।

ওলোটাই কোৱাটো ভুল হৈয়েই ৰব— যদি আপুনি, আনজনে ওঁঠ ল'ৰালেই কৈ দিয়ে —

"ওলোটাই নকবি"।।

# তোমাৰ স্মৃতি

ড° মমতা ঠাকুৰীয়া
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

স্মৃতিৰ বোকোচাত কঢ়িয়াই ফুৰিছো
তোমাৰ ছবি ...।
বতাহে কাণে কাণে এতিয়াও গুণগুনায়
স্তব্ধ হ'ল পি. জি. এমৰ সুৰৰ পৃথিৱী
দিপৰেও শুধিছে আমাক
নিয়তি ইমান নিষ্ঠুৰ নে বুলি ?

তোমাৰ আমাৰ আড্ডাবোৰৰ
হাঁহিৰ শব্দবোৰ
শূণ্যত ঠেকা খায়,
এতিয়াও কাণ পাতিলেই শুনো
তোমাৰ গীতৰ ক'লিবোৰ,
কথাৰ টুকুৰাবোৰ।
মনৰ মাজত দোলা দিয়া স্মৃতিবোৰ
মচিবলে কঠোৰ হ'লো আমিবোৰ
নহ'লে যে ... !!!
নৱাগত সভা, মহাবিদ্যালয় সপ্তাহ
সকলোৰে বিনাইছে আজি, চিঞৰি চিঞৰি
কৈছে "আমিবোৰ যে অকলশৰীয়া হ'লো"
তুমি নাই নহয় সেইবাবে।
ভাবিছো তোমাৰ ব্যক্তিত্ব
পাহাৰ সম, মজবুত; কিন্তু ক'তা ?
কেনেকৈ নো এইবোৰ হৈ গ'ল
ক'লৈ গুচি গ'লা তুমি
আমাক নজনোৱাকৈ ?
অভিমান কৰিছো তোমাক
সুৰৰ পৃথিৱীখন
দিগন্তৰ সীমনাত লৈ গ'লা যে সইবাবে !
আমিবোৰ নিশ্চুপ হৈ বহি ৰ'লো
কেৱল বোকোচাত কঢ়িয়াইছোঁ
তোমাৰ স্মৃতি ।

# স্মৃতিত পাতত

*ডʼ বিজয়লক্ষ্মী বাইদেউৰ স্মৃতিত...*

**পংখী হাজৰিকা**
সহকাৰী অধ্যাপক, অভয়াপুৰী মহাবিদ্যালয়, অসমীয়া বিভাগ



সময়বোৰ ধৰি ৰাখিব পৰা হʼলে
আৰু মৃত্যু !
আস্ তাক ৰুধিব নোৱাৰি
বুলি জানিও
যন্ত্ৰণাত কক্‌বকাও

সুখ-দুখ-হাঁহি-মৰম- কান্দোনৰ
বিপৰীতে
স্মৃতিৰ মনি কোঠাতে যেতিয়া
মৃত্যুৰ স্মৃতিয়ে থিতাপি লয়
সেয়া অনুভৱৰ স্মৃতি
কেনেকুৱা হʼব বাৰু !

আপোনাৰ লগত কটোৱা দিনবোৰো
এতিয়া মৃত্যুৰ স্মৃতিকোঠাত বন্দী হʼল
বহুদিনৰ চিনাকিও নহয়
মাথো তিনিটি বছৰৰ
কিন্তু ইমান আপোন আছিল
সেই সম্পৰ্ক
কলেজৰ চৌপাশত এতিয়া
শূন্যতা বিৰাজমান
দীপৰৰে পাৰতে গীতটিৰ কণ্ঠই
সকলোকে কন্দুৱাই থাকিব আজীৱন।
আৰু বিভাগৰ শূন্যতা....
কোনে পূৰাব পাৰিব বাৰু
হাঁহি ধেমালিৰে পাৰ কৰা
সময়বোৰ যে
আজি দুখৰ কাৰণ হʼব পাৰে
কোনে ভাবিব পাৰে !

মিঠা হাঁহি এটা কঢ়িয়াই ফুৰা
মানুহজনীৰ অনুপস্থিতিত
নিমাওমাও হৈ পৰিব কলেজৰ চৌপাশ
নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস এয়া !
আপোনাৰ নামতো যে এদিন
কবিতা লিখিব লাগিব
সেয়া আছিল সপোনৰ অগোচৰ

নিজকে সু-সজ্জিত কৰি ৰখা
বাইদেউজনী এতিয়া সৰগতো
সৰগৰ পৰীজনী হৈয়েই থাকক
আৰু আজীৱন থাকিব আমাৰ
হৃদয়ৰ মনিকোঠাত
২০২০-২১ ৰ অভিশপ্ত বৰ্ষটোৱে
বহু আপোন মানুহ কাঢ়ি
নিয়াৰ দৰে আপোনাকো লৈ গʼল
দি গʼল কেৱল আমাক শূন্যতা
যি শূন্যতাত এতিয়া সকলোৰে
গাঁথিব বিষাদৰ মালা।



# ধিক এই জীৱন

**তুলসী উপাধ্যায়**
পশ্চিম গুৱাহাটী মহাবিদ্যালয়, হিন্দী বিভাগ

ধিক এই জীৱন ...।
কিয় আহিছিলো
কি লৈ আহিছিলো
কি লৈ যাম
আৰু
লগত কোন-কোন যাব ?
নাজানো।
কি পালো
কি হেৰুৱালো
তাৰ নাই কোনো লেখা জোখ
কিন্তু দিবহে পৰা নাই একোকে
দিক বিদিক হেৰুৱাই
দিশাহাৰা পখীৰ দৰে
মাথো উৰিছো
ডেউকা কোবাই
অজান লক্ষ্যপথৰ সন্ধানত
এনেদৰেই লক্ষ্যপথৰ সন্ধানত
দিশহাৰা এই জীৱন।
শূন্য জীৱন।

# অনুভৱ

**ৰঞ্জন কুমাৰ দাস**
বানিজ্য শাখা (পঞ্চম সান্মাষিক)

যুগে যুগে মানৱৰ সৃষ্টিৰাজিৰে
লালিত পালিত তুমি হে মোৰ জননী,
আজি যেন ক্লান্ত তুমি!
হিংসা, বিবাদেৰে ভৰা
এই সমাজৰ জুইকুৰাই আজি যেন
বেয়াকৈ বিন্ধিছে তোমাৰ ৰুগ্ন শৰীৰ।
তোমাৰ সৃষ্টিৰ সন্ধিক্ষণত আজি যেন
দিশহাৰা হৈ থমকি ৰৈছে মানৱ জীৱন,
স্বজাতি, স্বাভিমানেৰে গঢ়া তোমাৰ সৃষ্টি
আজি যেন ৰৈ গল জটিল সন্ধিক্ষণৰ মাজত।
কৃত্ৰিমতাই দাহ কৰা সমাজতন্ত্ৰত
আজি যেন মানৱতাই হাহাকাৰ কৰি ৰৈছে,
হাহাকাৰ কৰি থমকি ৰৈছে দুৰ্বিসহ জীৱন।

সকলোৰে মাথো ৰৈছে
আজি এক নতুন দিশৰ সূচনা বুকুত লৈ!
সপোন পথৰ সেউজ দলিচাত
আকৌ এবাৰ তোমাৰ মৰমেৰে
লালিত-পালিত হবলৈ।
হে মোৰ জননী আই,
বুকুত হেজাৰ সপোন লৈ
মাথোঁ ৰৈছো আজি তোমালৈ বুলি বাট চাই।

# সঁচা মিলন

**মুনমুন দাস**
স্নাতক, চতুৰ্থ যান্মাষিক



তুমি ৰাতি কিয় সপোনবোৰ নমাই দিয়া।
মোৰ আন্ধাৰ কোঠালিত।

মই জানো তুমি আকৌ আহিবা,
মই জানো তুমি মোৰ কাষতে বহিবা।
মই এইটো নাজানো,
তুমি সপোনত নে দিঠকত আহিবা ।

নিঃস্তব্ধ ৰাতিটোত কথা পাতো এন্ধাৰৰ লগত,
প্ৰশ্নবোৰ দীঘলীয়া উত্তৰবোৰ থৰক-বৰক।
আৰু কেতিয়াবা মৌন ......।।

আবেগৰ জোলোঙাখন দলিয়াই দিছিলো তোমালৈ,
থনথনাই ভাঙিছিলি কলিজাত বাঁহ লোৱা
অতৃপ্ত শব্দৰ টুকুৰাবোৰ।

বুজিও অবুজ আছিলা,
জানিও নজনাৰ ভাঁও ধৰিছিলা তুমি,
মোৰ অব্যক্ত হৃদয়ৰ ভাষাবোৰ।

প্ৰতিশ্ৰুতি পাহৰি আজি মৌনতাৰ উচ্চ শিখৰত তুমি
আৱেগৰ দৰদাম হৈছিল বিশ্বাসৰ বাকৰিত
বিজয়ৰ মুকুট পিন্ধি অহংকাৰত ওফন্দি
আছিলা তুমি ........................ আৰু মই

ভগা সাঁকোখনেৰে খুপি খুপি আগবাঢ়িছিলো
তেজাল নৈখনৰ সিপাৰলৈ।

মইতো নোৱাৰো।
তোমাক নাপালে মৰি থাকিবলৈ।

কিন্তু তোমাৰ অবিহনে,
জীয়াই থাকিবলৈয়োতো নোৱাৰোঁ,

নাজানো মই নোহোৱাকৈ তুমি কিমান
সুখী হ'বা।
কিন্তু এটা কথা জানো মোৰ স্মৃতিবোৰক
মনত কৰি তুমি এদিন চকুৰ পানী টুকিবা ।

# বৰষুণ

**হিমাক্ষী দেৰী**
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বাৰ্ষিক

আজিৰ বৰষুণ জাকত
তোমাৰ স্মৃতিক সাৰটি
ৰৈ আছো মই আজিও
তুমি আহিবা বুলি
তুমি আহিবা জানো ?

তোমাৰ মনত পৰে নে সেই
মধুৰ অতীতৰ আনন্দময় স্মৃতিবোৰ
ধাৰাষাৰ বৰষুণজাকত আছো মই
অকলে তিতি বুৰি

আকাশৰ বিজুলী ঢেৰেকণিত
যেন তোমাৰে বৃষ্টিপাত
হৃদয়ত প্ৰেমৰ নদ-নদী
খৰাং বুকুয়ে মিছিকিয়াই হাহেঁ
এই বৰষুণৰ প্ৰতিটো টোপালত
মই দেখো তোমাৰেই প্ৰতিচ্ছবি ।



# সুখ আহিছিল নেকি

**প্ৰিয়ংকা দাস**
স্নাতক, দ্বিতীয় যান্মাসিক, কলা শাখা

ডাকঘৰে ডাকঘৰে
বিচাৰিম তোমাৰ
ঠিকনা ...

ডাকোৱালক
সুধিম- "সুখ আহিছিল
নেকি মোৰ ঠিকনাত
মৰমৰ সুগন্ধি লগা নীলা
..খামত ?"

# ভালপোৱাৰ অনুভৱ

**হিৰক জ্যোতি দাস**
উঃ মাঃ দ্বিতীয় বৰ্ষ, বাণিজ্য শাখা

ভালপাওঁ ৰ'দ, ৰ'দৰ গলপতা...
ভালপাওঁ বতাহ, বতাহৰ
জিৰজিৰনি...
ভালপাওঁ মৰম...
কিছু অনুভূতি...
স্নিগ্ধতাৰ আঁৰে আঁৰে খেলা সৰু কালৰ কিছু চুপতি...
ভালপাওঁ হাঁহি...
কৃষ্ণৰ ওঁঠেৰে ওলোৱা মিঠা সুৰৰ বাঁহী...
ভালপাওঁ নিয়ৰ...
কিছু আকুল শেৱালি...
সৰু শিশুৰ সেয়া মুখৰ খিলখিলনি...
কিছু সুখ, কিছু কষ্ট...
উদ্বাউল হৈ ফুৰা কিশোৰৰ সেয়া চঞ্চল জীৱনী...
ভালপাওঁ বৰষুণ...
টোপ টোপকৈ পৃথিৱীৰ বুকুত পৰা মেঘৰ কান্দোন...
ভালপাওঁ



# সপোন

**আকাশ ৰাভা**
বাণিজ্য শাখা, চতুৰ্থ যান্মাসিক

সপোনবোৰ চাগে এনেকুৱাই
যাক দিঠকত পৰিণত কৰিবলৈ
কেতিয়াবা বহুত সময় লাগি যায়
আৰু কেতিয়াবা
জীৱনৰ গোটেই সময় এ পাৰ হৈ যায়

এটা কথা জানা ?
মই ও মোৰ সপোনবোৰ
দিঠকত পৰিণত কৰিব বিচাৰো
কিন্তু এয়া জানো সম্ভৱ ?
হয়তো সম্ভৱ
মোৰ হাতত হাত থোৱা এজনৰ প্ৰয়োজন
আৰু সেইজন তুমি হোৱাটো

নাজানো মোৰ সপোন
দিঠকত পৰিণত কৰিবলৈ
তুমি আহা নে নাই
কিন্তু এইটো জানো
যে মোৰ সপোনত তুমি
জীৱনৰ শেষ দিনটো লৈকে থাকিবা

# এপাহি ৰঙা গোলাপ

**জুমি দাস**
হিন্দী বিভাগ, ষষ্ঠ যান্মাসিক

হাতত ৰঙা গোলাপ লৈ
আপুনি কাৰোবাক
প্ৰেমৰ প্ৰস্তাৱ দি পাইছেনে ?
হাঃ হাঃ হাঃ
কি যে মধুৰ ক্ষণ, নহয় জানো ?
ময়ো পাইছোঁ
আৰু হেৰুৱাইছোঁ।
সপোনবোৰক সাৱটি
মাজনিশা উচুপি উঠো
আশাবোৰ যেন সাৰ পাই উঠে,
আৰু মইয়ো শুই পৰোঁ
ক্লান্ত সপোনবোৰৰ মাজত
তেতিয়াই যেন জাগ্ৰত হৈ পৰে
এটি এটি গোলাপৰ পাহ
ৰঙা গোলাপৰ ৰঙা টোপাল।
কলিজাৰ তেজেৰে
জীপাল কৰি তুলিম নেকি আৰু
ৰঙা গোলাপৰ ৰঙা পাহিবোৰ
যে চকুৰ পানীৰে ধুই পেলাম
হিয়াৰ ৰঙা ৰঙা ৰঙাবোৰ ?
কি কৰিম প্ৰেমৰ ৰঙ্গমঞ্চত
ৰঙা গোলাপৰ ৰঙেৰে
ৰঙিলা হৈ পৰা
আমিও একো একোজন
অৱসৰপ্ৰাপ্ত প্ৰেমিক।



# প্ৰকৃতি আৰু মোৰ ভালপোৱা

**জ্যোতিৰ্ময় দাস**
বাণিজ্য শাখা, পঞ্চম যান্মাসিক

বোৱতী নৈৰ নিৰিবিলি শব্দত প্ৰাণ পাই উঠে
মোৰ অভিমানী মনটো
চৰাইবোৰৰ সেই মনোমোহা শব্দ
ৰঙা বেলিৰ আবেগ
এনেকুৱা লাগে যেন প্ৰকৃতিৰ সৈতে
এয়াই মোৰ প্ৰেম
নীলা আকাশ খনে বাৰে বাৰে
মোক প্ৰেমত পেলায়।
মোৰ ভাগৰুৱা মনটোৰে
জিৰণি লব খোজে
প্ৰকৃতিৰ উমাল বুকুৰ মাজত
চত মাহৰ সেই সুমধুৰ বতাহ জাকে
আমাৰ প্ৰেমৰ সাক্ষী হৈ ৰৈ যায়।
মন যায় কেতিয়াবা বোৱতী নৈৰ সৈতে বৈ যাব।
মন যায় কেতিয়াবা সেই চৰাইবোৰৰ সৈতে
উৰি উৰি গান গাব।



# সন্ধ্যা

**অন্তৰা বৈশ্য**
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বাৰ্ষিক, কলা শাখা

সেই সন্ধ্যাতি...
নিজান আবেলিৰ জীপাল স্মৃতি
নামি অহা বৰষুণ জাকেও
দিলে কিছু সহানুভূতি ...

গছকি নিয়ৰ সনা দূৰৰি
আনিছিল এমুঠি শেৱালি
মৌনতাৰে ভৰি থকা
সেই নিজান আবেলিক
দিছিলা হে তুমি নতুন ৰং সানি
জুমি চাইছিলো সেই কৃষ্ণচুৰাৰ কাযেৰে
তোমাক...

মনত জাগিছিল অজান অনুভূতি
হৃদয়ত নামিছিল মোৰ নতুন সিহৰণ এটি

বাগৰি গ'ল বহু সময় ...
পাৰ চোন নহয় তোমাৰ স্মৃতিৰ নাওঁখনি
নাজানো যে সেই অনুভৱ
সপোন নে দিঠক আছিল
মাথো জানো যে
আছিলা তুমি ... আৰু আছিল সেই সন্ধ্যাতি

# শ্ৰদ্ধা

**লিজা শইকীয়া**
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

ভালপাওঁ মা-দেউতাক
অতি মৰমৰ,
যাৰ বাবে দেখিলো
জগতৰ পোহৰ।
ভালপাওঁ ককা - আইতাৰ
আদৰৰে ভৰা হিয়া,
আজৰি পৰত আমাক শুনায়
কিমান  যে সাধু কথা
ভালপাওঁ শিক্ষা গুৰু
শ্ৰদ্ধা আৰু স্নেহৰ,
যিয়ে বিলায় আমাক
জ্ঞানৰ পোহৰ



# সময়

**ৰুবি দাস**
স্নাতক, দ্বিতীয় ষান্মাসিক, সম্পাদিকা, তৰ্ক বিভাগ

সকলোৱে কয় সময় যেন
নাথাকে কাৰোকো বৈ,
সময় গতিশীল, সময় ধাৰাহীন
সময় অমূল্য ধন।

শুনিছো সময় কম-
এইয়া আমাৰ জ্ঞান আহৰণৰ সময়
ইয়াক যেন নকৰা অকনো ব্যয়,
সময় ব্যয় হলে জীৱনত
হব যে আমাৰ কিমান ক্ষয়।

সময়ৰ কাম সময়ত কৰা
জীৱনৰ লক্ষ্যত সহজে আগবঢ়া,
হব তোমাৰে জয়
সময়ে সদায় সঁচা কথা কয়।

# পশ্চিম গুৱাহাটী আমাৰ মহাবিদ্যালয়

**বিন্দিয়া মাৰাক**
স্নাতক, চতুৰ্থ ষান্মাসিক, কলা শাখা

পশ্চিম গুৱাহাটী আমাৰ মহাবিদ্যালয়
ৰূপৰ তুলনা নাই
উনৈশ আঠসত্তৰত জনম লভি
সকলোকে পোহৰ বিলায়।
পঢ়া আৰম্ভ কৰোঁ আমি
ভগৱানক প্ৰাৰ্থনা কৰি
আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহাশয়
সকলোৰে শলাগ লয়।
সকলো শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰীয়ে
আমাৰ যত্ন লয়।
জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ
ছাৰ- বাইদেউৰ আশীৰ্ৱাদ বিচাৰো।
আমাৰ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত
সদায়ে কামনা কৰি
মহাবিদ্যালয়ৰ গৌৰৱ অটুট থাকক
গোটেই জীৱন জুৰি।
জ্ঞানৰ ভঁৰাল এই মহাবিদ্যালয়ক
অসন্মান কেতিয়াঁও নকৰো।
এই পশ্চিম গুৱাহাটী মহাবিদ্যালতে আমি
ভৱিষ্যত জীৱন গঢ়িম।।

# স্নেপশ্বট

**ৰঞ্জিত দাস**
স্নাতক, পঞ্চম ষান্মাসিক, কলা শাখা

(১)

ব্যস্ত গুৱাহাটী মহানগৰী
বাছেৰে যোৱাৰ সময়ত ঠেলা-হেঁচা
বহি যোৱা সুবিধা প্ৰায় কমেই পাওঁ
তথাপিও সেই যাত্ৰাত সৰু সৰু অভিজ্ঞতাই
জীৱনটো কিমান যে সৃষ্টিশীল কৰি তোলে।

(২)

মানুহৰ ভিৰৰ পৰা গৈ
আবেলি পৰতো যেতিয়া
উজানবজাৰৰ নৈৰ পাৰত ৰৈ থকা
জাহাজ কেইখন দেখা পাওঁ
মনটো অজানিতে সতেজ হৈ উঠে।

(৩)

দুপৰীয়া ব্ৰহ্মপুত্ৰৰ পাৰত খেলি থকা
এজাক কাপোৰ বিহীন শিশু
আমি দিয়া খাদ্যবোৰ খুব আনন্দমনে
গ্ৰহণ কৰি আকৌ খেলাত মগ্ন
অভাৱে হয়তো তেওঁলোকক কেতিয়াও
শৈশৱৰ আনন্দ বঞ্চিত নকৰা দৃশ্য
বিমুগ্ধ হৈ চাই ৰলো।

# শব্দ সাগৰ

**বৰ্ণালী ৰাভা**
বাণিজ্য শাখা, দ্বাদশ শ্ৰেণী

তোমাৰ কবিতাৰ শব্দবোৰ
মোৰ বুজিবলৈ টান হয়।
তথাপিও ...
তোমাৰ এই গহীন শব্দবোৰ
মোৰ খুবেই প্ৰিয়।

কিয় জানো ...
তোমাৰ কবিতাৰ প্ৰেমত পৰিছো।
শৰতৰ শেৱালীৰ দৰে
বিয়পি পৰিছে চৌদিশে
শব্দৰ গোন্ধ।
তোমাৰ শব্দ সাগৰত
উটি-ভাহি গৈছো মই।

# মৰমৰ মা

**ধনজিৎ দাস**
উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা




মা তুমি মোক সৰুৰে পৰা ডাঙৰ দীঘল কৰিলা,

কিন্তু মা তুমি কিয় আজি মোক অকলশৰীয়া কৰি গলা?

তুমি এবাৰো নাভাবিলা নে যে তোমাৰ মৰম অবিহনে মই কেনেকৈ থাকিম।।

সেই যে সৰু কালৰ কথাবোৰ মা মোৰ আজিও মনত পৰে জানা মা যেতিয়া মই কান্দি থাকিলে তুমি মোৰ চকু পানি মচি দিছিলা।

কিন্তু সেই চকুপানী মচি দিবলৈ আজি যেন মোৰ ওচৰত কোনো নাই মা !!

মা তুমি অকনো নাভাবিলা নে তুমি এই পৃথিৱীৰ পৰা গুচি গলে আমাৰ কি অৱস্থা হবা!

মা তুমি কৰা সেই সৰু কালৰ মৰম বোৰে মোক আজিও আমনি কৰে অ' মা!!

সেই যে মা তোমাক মই মুখাগ্নি কৰা দিনটোৰ কথা; সেই কথা ভাবিলে মই এতিয়াও কান্দি উঠো জানা মা!

সেই চিতাৰ জুই আজিও মোৰ চকুৰ আগত ভাহি আছে অ' মা!!

তোমাৰ মৃত্যুৰ পিছৰে পৰা কেনেকৈ আমি এটা এটা সময় পাৰ কৰিছো সেইটো অকল আমি হে জানো মা!

মোৰ ও টো মন যায় আনবিলাকৰ দৰে মা মা কৰি মাতিবলৈ কিন্তু সেই মা বুলি মাতিবলৈ মোৰ যেন ভাগ্য যে নাই অ' মা!

আজি যে মোৰ মা মা কৰি চিঞৰি চিঞৰি কান্দিব বৰ মন গৈছে অ' মা !!

কিন্তু কান্দিলেও জানো কিবা হব? কান্দিলে জানো তুমি মোক দেখা দিব পাৰিবা ??

তোমাৰ অবিহনে যেন আমাৰ গোটেই জীৱন আধৰুৱা অ' মা!!

মা তুমি যদিও আমাৰ পৰিয়ালৰ পৰা আঁতৰি গলা তথাপিও আমাৰ মাজত তুমি সদায় আছা!!

মা তুমি যতেই নাথাকা কিয় ভালদৰে থাকিবা অ' মা!

তোমাৰ আত্মাই যেন চিৰ শান্তি লাভ কৰে তাকে কামনা কৰিলো মা!!

# গান গাই ভালপোৱা বাইদেউ গৰাকী আৰু নাই।।

**নৰজ্যোতি দাস**
উঃ মাঃ দ্বিতীয় বৰ্ষ

আমাৰ মহাবিদ্যালয়ৰ গান গাই ভালপোৱা
বাইদেউ গৰাকী আৰু নাই।
বিশ্বাস কৰিবলৈ কঠিন যদিও এয়াই সত্য
আকস্মিক এই মৃত্যুৰ খবৰে মহাবিদ্যালয়ৰ
প্ৰতিজন শিক্ষাগুৰুৰ লগতে ছাত্ৰ-ছাত্ৰীক কন্দুৱাই থৈ গ'ল।
মহাবিদ্যালয়ৰ চৌহদত ব্যাকুলতাৰ ঢৌ বৈছে।।
কিয়ে মৰ্মান্তিক দিন।
যেন এটি সংগীতৰ অধ্যায়ৰ অৱসান।
মহাবিদ্যালয়ৰ সাংস্কৃতিক ক্ষেত্ৰত অপূৰণীয় ক্ষতি।
শ্ৰেণীকোঠাত অধ্যায়নৰ মাজতে ছাত্ৰ-ছাত্ৰীৰ
ব্যক্তিগত জীৱনৰ বিষয়ে জানিবলৈ বিচৰা
বাইদেউ গৰাকী অজান দেশলৈ গুচি গ'ল।
পুনৰ ঘূৰি নহাৰ বাটেৰে
অচিনাকী ঠাইলৈ।
আৰু কেতিয়াবা নেদেখা প্ৰতিশ্ৰুতিৰে চিৰদিনৰ
বাবে বিদায় ল'লে আমাৰ মাজৰ পৰা।
শ্ৰেণীকোঠাত প্ৰৱেশ কৰোতে মিছিকিয়া হাঁহিটো
সংগী কৰি লোৱা বাইদেউ গৰাকীক
কেতিয়াও দেখা নাপাওঁ।
এতিয়া মাথো থাকি গ'ল
তেখেতৰ কিছুগীত, লিখনি
আৰু পাহৰিব নোৱাৰা স্মৃতিবোৰ।
অৱশেষত বাইদেউৰ চিৰশান্তি কামনা কৰিলোঁ।

# সত্যবাদী

**হিমাদ্ৰী কুমাৰী**
স্নাতক, দ্বিতীয় ষান্মাসিক, কলা শাখা

আজিকালি দিনত ভাই
বন্ধুত্বৰে চিন নাই।
অসত্যৰ হে ৰাজত্ব ভাই
সত্যবাদীৰ দিন নাই।

নিজৰ পৰিচয় দিয়ে
আনৰ ব্যৱহাৰ চাই।
সত্যবাদী যদি হয়
দিয়ে গোৰ মাৰি ভাই।

অহিংসাৰ কোনো ঠাই নাই
হয় যদিও দুয়ো ভাই ভাই,
আনৰ কথা কি কম বাৰু
নিজৰ মাজতেই মিল নাই।

অসত্যৰ বিৰুদ্ধে যদি হয় কোনোবা
তেতিয়া এই দুনীয়াত তাৰ ঠাই নাই।

# শৰতৰ মৃদু পৰশত

**ৰাবিয়া খাতুন**
স্নাতক, চতুৰ্থ ষান্মাসিক, কলা শাখা

(ক)

শৰতৰ মৃদু পৰশত
আজি মই সাৰ পালোঁ
দীৰ্ঘদিন বাটকুৰি বাই
অৱশ হৈ পৰা দুভৰিত
এতিয়া ইমান শকতি
মই দৌৰিবই লাগিব।।

(খ)

তোমাৰ সেমেকা আঁচলত দুখ
দুঃখৰ স্তুতি।

(গ)

তোমাৰ সেমেকা আঁচলত
তোমাৰ দুচকুৰ কৰুণ দাপোণত
মই নিজক চিনি পালো,
মই চিঞৰিবই লাগিব
মই দৌৰিবই লাগিব।।

# প্ৰেমৰ চাকি গছি

**অজয় বসাক**
স্নাতক, চতুৰ্থ ষান্মাসিক, বাণিজ্য শাখা

তোমাৰ প্ৰেমৰ নামত জ্বলোৱা চাকিয়ে
পোহৰায় হিয়াৰ কোঠালি
সেই পোহৰত কল্পনাই কৰে খিল্ খিল্
হাঁহি-ধেমালি
পাহৰাই ৰাখে দুঃখ বেদনা
পাহৰাই ৰাখে জীৱনৰ জটিলতা
জীয়াই ৰাখে হৃদয়ৰ প্ৰতিটো
উশাহ-নিশাহ
তোমাৰ প্ৰেমৰ প্ৰতিটো কথাই হৈ পৰে
মোৰ বাবে প্ৰিয় গীত
সকলো কামেই দিয়ে আগবঢ়াৰ
অনন্য উদ্দীপনা।

# জীৱন

**নিতুমনি দাস**
স্নাতক, তৃতীয় ষান্মাসিক

কেতিয়াবা সোধো নিজকে,
জীৱন মানেনো কি ?
মোৰ অন্তৰে তেতিয়াই কয়,
জীৱন পৃথিৱীৰ শ্ৰেষ্ঠতম সংগ্ৰাম।

জীৱন মানেই সৌন্দৰ্য,
জীৱন মানেই সপোন,
জীৱন মানেই অভিনয়,
সুখ-দুখ হাঁহি

কান্দোনেৰে ভৰা।
জীৱন ৰনুৱা
জীৱন ভাগৰুৱা,
কাষতেই বন্ধু কাষতেই শত্ৰু।
জীৱন বাটত

মাথো মায়াময় খেলা
বিষাদ ডাৱেৰে আৱৰা
হয়! এয়েতো জীৱন
সপোনৰ ছায়াময়া ছবি
দিঠকৰ মৰীচিকা।

# মা

**বনজিত দাস**
স্নাতক, প্ৰথম ষান্মাসিক

ন মাহ ন দিন গৰ্ভত ৰাখিলা
কতনা যাতনা ভুগি।
তোমাৰ গৰ্ভত জনম লবলৈ পাই
আজি মই সঁচাকৈ সুখী।
জীৱন বাটত খোজ কাঢ়িলো মা
তোমাৰ আচলত ধৰি
তোমাৰ হাঁহিতেই পালো জানা, মা
সুখ বোৰ বিচাৰি।
হাঁহিৰে মোৰ জীৱন ওপচাই তুলিলা
দুখবোৰ নিদিলা ঠাই,
দুচকুৰ আগতে সমস্ত সুখবোৰ
মৰমেৰে দিলা সজাই।
কিযে তোমাৰ চেনেহৰ গভীৰতা কিযে
তোমাৰ মৰম,
পুনৰ এবাৰ লব বিচাৰো মা
তোমাৰ কোলাতেই জনম।।



# সপোন

**বনস্মিতা চৌধুৰী**
উঃমাঃ দ্বিতীয় বৰ্ষ, বাণিজ্য বিভাগ

সপোন কি ?
মই নাজানো,
সপোনবোৰ দিঠক হ'বনে ?
সপোনৰ অস্তিত্ব আছেনে ?

মাথোন,
মই জানো ...
মোৰ সপোনবোৰৰ পাখি আছে,
সেই সপোনবোৰ স্বাধীন ভাৱে
মুকলি আকাশত উৰিব পাৰে।
মোৰ সপোনবোৰত মোৰ মাঁ-দেউতাৰ
সঁহাৰি আছে, কিন্তু ...
এই সপোনবোৰ তেওঁলোকৰ নহয়... ।

# মা

**নিৰ্মালী দাস**
স্নাতক, তৃতীয় ষান্মাসিক, কলা শাখা

চকু মেলিয়েই যেন
এটি ধুনীয়া হাঁহিৰে বিৰিঙি থকা
মৰমীয়াল এখনি মাৰ মুখ দেখা পাওঁ
